# SOUMARJYOTI

সৌমাৰজ্যোতি

## JOURNAL OF HISTORY

### Duliajan College, 2005



**Editor**
**Bhupen Saikia**

**History Association**
**Duliajan College, Duliajan, Assam**

# সৌমাৰজ্যোতি

সম্পাদনাত

**শ্ৰীভূপেন শইকীয়া**

বুৰঞ্জী সংস্থা
দুলীয়াজান মহাবিদ্যালয়
দুলীয়াজান, অসম

"Soumarjyoti" *A Journal of History published on the occasion of the State Level Seminar, edited by Bhupen Saikia, Senior Lecturer, Department of History, Duliajan College on 1st August, 2005. Rs. 20/-*

## সৌমাৰজ্যোতি সম্পাদনা সমিতি


শ্ৰীসৰোজিনী দেৱী গোহাঁই : সভানেত্ৰী

শ্ৰীভূপেন শইকীয়া : সম্পাদক

শ্ৰীঅনিতা গোহাঁই বৰুৱা : সদস্যা

শ্ৰীৰুবুল খাটনীয়াৰ : সদস্য

বেটুপাত : ড০ দীপ শইকীয়া

মূল্য : ২০ টকা মাত্ৰ

প্ৰকাশক : বুৰঞ্জী সংস্থা<br>দুলীয়াজান মহাবিদ্যালয়<br>দুলীয়াজান

মুদ্ৰক : ত্ৰিশূল এণ্টাৰপ্ৰাইজ<br>কমলাবাৰী ৰোড, দুলীয়াজান


# শ্ৰদ্ধাঞ্জলি



বীৰেণ চুতীয়াদেৱ

জন্ম - ১৩/১২/১৯৪০, মৃত্যু - ৯/৭/২০০৫

দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ বিশিষ্ট সমাজকৰ্মী, সুবক্তা, অসম আন্দোলনৰ অগ্ৰণী নেতা, প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বীৰেণ চুতীয়াদেৱ চলিত বৰ্ষৰ ৯ জুলাইত বৈকুণ্ঠগামী হয়।

তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি যাচিলো।

--সম্পাদনা সমিতি<br>'সৌমাৰজ্যোতি'<br>বুৰঞ্জী সংস্থা, দুলীয়াজান মহাবিদ্যালয়<br>০১-০৮-২০০৫

# উচৰ্গা

বুৰঞ্জীবিদ স্বৰ্গীয় হেম বুঢ়াগোহাঁই

আৰু

নৰেন চেতিয়া দেৱৰ

পবিত্ৰ স্মৃতিত সৌমাৰজ্যোতিৰ

এই সংখ্যাটি উচৰ্গা কৰা হ'ল ।

**বুৰঞ্জী সংস্থা**
**দুলীয়াজান মহাবিদ্যালয়**
**দুলীয়াজান**
**০১-০৮-২০০৫**

**DULIAJAN COLLEGE**

P. O. Duliajan - 786602

Dist. - Dibrugarh, Assam



## শুভেচ্ছাবাণী

তাং ঃ ২৯/০৭/২০০৫

দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ বুৰঞ্জী সংস্থাই আয়োজন কৰা আলোচনা চক্ৰৰ লগতে বুৰঞ্জী বিভাগৰ আলোচনী 'সৌমাৰজ্যোতি'খনি প্ৰকাশ কৰাৰ বাবে নথে সুখী হৈছোঁ । আগলৈকেও এই ধৰণে বুৰঞ্জী সংস্থাই আলোচনাচক্ৰ আয়োজন কৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নত কৰিব বুলি আশা কৰিলোঁ ।

ডঃ অমৃত কুমাৰ গগৈ

অধ্যক্ষ

দুলীয়াজান মহাবিদ্যালয়

## সূচীপত্ৰ

**অসমীয়া বিভাগ ঃ**


- অসমীয়া পুৰণি বুৰঞ্জী সাহিত্যত এভুমুকি- সুধেন্দু মোহন ভদ্ৰ / ১
- ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দুলীয়াজানৰ অৱদান- ভূপেন শইকীয়া / ১০
- ভাৰতীয় বিজ্ঞানৰ ঐতিহাসিক বিশ্লেষণ- সৰোজিনী দেৱী গোহাঁই / ১৪
- পুৰণি অসমৰ সৈতে মুছলমানৰ সম্পৰ্ক আৰু সংঘৰ্ষ- মাণিক বৰগোহাঞি / ১৮
- অসমত বৌদ্ধ ধৰ্ম- বিৰিঞ্চি কুমাৰ বৰুৱা / ২৫
- দুলীয়াজান আৰু ইয়াৰ সমীপ অঞ্চলৰ সামাজিক ইতিহাস- দুৰ্গা খাখলাৰী / ২৯
- পথৰুঘাটৰ ৰণ- শিশিৰ কুমাৰ শৰ্মা / ৩৬
- অসমৰ বৈচিত্ৰ্যপূৰ্ণ শিল্পকলা- মাধৱ বৈশ্য / ৪১
- দাম্ভিক সম্ৰাজ্ঞী নুৰজাহান- ধান কেচৰাণী / ৪৬
- আহোম যুগীয় ৰাজহ ব্যৱস্থা- ৰমেশ চন্দ্ৰ কলিতা / ৫৩


**English Section :**


- Tourism Industry : A Perspective-- Anita Gohain Baruah / 57
- History of the Development of Literature under the Koch Kings-- Dr. Bhadreswar Bokatial / 59
- Alberuni's Contribution to Medieval Indian Historiography-- Sri Jitu Khanikar / 61

# সম্পাদকীয়.....

বুৰঞ্জীবিদ ড০ সূৰ্য্যকুমাৰ ভূঞা, ড০ হেৰম্বকান্ত বৰপূজাৰী, বেণুধৰ শৰ্মা, ড০ লীলা গগৈদেৱ, স্বৰ্গীয় হেম বুঢ়া গোহাঁইদেৱে অসমীয়া বুৰঞ্জী সাহিত্যলৈ যথেষ্ট পৰিমাণে বৰঙণি আগবঢ়াই গৈছে । তেখেতৰ প্ৰধান কীৰ্তি হিচাপে পৰিগণিত হৈছে 'লেছেৰি বোটলা বুৰঞ্জী' । এই বুৰঞ্জীখনি পঢ়ি বেণুধৰ শৰ্মাদেৱে কৈছিল 'লেছেৰি বোটলা বুৰঞ্জী' পঢ়ি নতুন জ্ঞানৰ ৰাজ্যত সোমালো । ভালেমান নজনাকথা জানিলোঁ । এৰা, এনেকুৱা বুৰঞ্জীৰ কথাহে আচল বুৰঞ্জী ।' অসমৰ জনসংস্কৃতিত নিহিত হৈ থকা উপাদান সমূহ বুটলি আনি গ্ৰন্থ আকাৰে সৰল ভাষাৰে প্ৰকাশ পা[illegible]মাদৰ লাভ কৰা এইজনা বুৰঞ্জীবিদ কবি নৱকান্ত বৰুৱাদেৱে কৈছিল– "এই জ্ঞান তপস্বী শিক্ষকে নিজ[illegible]ৰ আৰু হৃদয়ৰ তাগিদাত সংস্কৃতিৰ সমল বুটলি ফুৰিছিল । বুটলি আনি জনসাধাৰণক বিলাই দিছিল । তেওঁ আছিল সত্যসন্ধ সাধক । সাহিত্যৰ নান্দনিক ৰূপটো তেওঁৰ কৰ্মৰাজিৰ অন্তৰ্গত.... ।" ড০ নগেন শইকীয়াদেৱে তেখেতক এজন লোক সংস্কৃতি বিজ্ঞানী বুলি অভিহিত কৰিছে । বুঢ়া গোহাঞিদেৱে অসমৰ জনসংস্কৃতিৰ বিষয়ে গভীৰ অধ্যয়ন গৱেষণা আৰু অনুসন্ধানমূলক যিখিনি গ্ৰন্থ ৰচনা কৰি থৈ গৈছে সেইখিনি অসমীয়া সাহিত্যৰ অমূল্য সম্পদ । প্ৰখ্যাত গল্পকাৰ ইমৰাণ শ্বাহদেৱে তেখেতৰ লেখা সমূহৰ শলাগ লৈ অসমৰ প্ৰথম শ্ৰেণীৰ মানুহ বুলি পৰিচিত কৰিছে । তেখেতৰ সাহিত্য, সংস্কৃতি বুৰঞ্জীমূলক গ্ৰন্থ, প্ৰবন্ধ সমূহৰ ক্ষেত্ৰত ভিন্নজনে বিভিন্ন মন্তব্য আগবঢ়াইছে । তেখেতক লোক সংস্কৃতিৰ 'মধুকৰ' উপাধি প্ৰদান কৰা হৈছে । সঁচা অৰ্থত বুঢ়াগোহাঁইদেৱৰ মৃত্যুত আমি এজন প্ৰকৃত বুৰঞ্জীবিদক হেৰুৱালোঁ । তেখেতৰ সেই খালী ঠাই কোনোকালে কেতিয়াও পূৰ হয়তো নহ'ব ।

উজনিৰ আন এজন বুৰঞ্জীবিদ নৰেন চেতিয়াদেৱৰ থলুৱা বুৰঞ্জী সংগ্ৰহ কৰি অনেক বুৰঞ্জীমূলক নিবন্ধ লিখিছিল । তেখেতৰ 'বুৰঞ্জীয়ে পৰশা টিপাম' এখনি উল্লেখযোগ্য গ্ৰন্থ । তেখেতেও অলপতে ইহলীলা সম্বৰণ কৰি গুচি গ'ল । বহু কাম তেখেতৰ থাকি গ'ল । আমি দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী সংস্থাৰ তৰফৰ পৰা তেখেতসকল দুয়োজনৰ বুৰঞ্জীবিদৰ স্মৃতিত 'সৌমাৰজ্যোতি'ৰ এই সংখ্যাটি উচৰ্গা কৰিবলৈ পাই শান্তি পাইছোঁ । তেখেতসকলৰ আত্মাই চিৰশান্তি লাভ কৰক আৰু দুয়োগৰাকী বুৰঞ্জীবিদ আমাৰ প্ৰেৰণাৰ উৎস হৈ ৰওক তাকেই কামনা কৰিছোঁ ।

আলোচনীখনি সম্পাদনাৰ দায়িত্ব পুনৰবাৰ আমাকে প্ৰদান কৰাত কম অসুবিধাত পৰা নাছিলো । বুৰঞ্জীমূলক লেখা সংগ্ৰহ কৰাটো কম দুৰূহ নহয় । কেইটামান প্ৰবন্ধ বিভিন্ন আলোচনীৰ পৰা সংগ্ৰহ কৰা হৈছে । যি কেইগৰাকী মাননীয় লেখকে আমাৰ অনুৰোধ ৰক্ষা কৰি অতি কম সময়ৰ ভিতৰতে প্ৰবন্ধ লিখি সহায় কৰিলে তেখেতসকললৈ ধন্যবাদ জনাইছো । বেটুপাতৰ শিল্পী ড০ দীপ শইকীয়াৰ শলাগ ল'লো আৰু অইল ইণ্ডিয়া লিমিটেড, অসম গেচ কোম্পানীয়ে বিজ্ঞাপন আগবঢ়াই আলোচনীখনি প্ৰকাশ কৰাত সহায় হোৱাৰ বাবে তেখেতসকললৈ কৃতজ্ঞতা জনালোঁ । সংস্থাৰ সভানেত্ৰী শ্ৰীযুতা সৰোজিনী দেৱী গোহাঁই বাইদেউ প্ৰেৰণা কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ । শেষত ত্ৰিশূল এণ্টাৰপ্ৰাইজৰ কৰ্মকৰ্তাসকলৰ শলাগ ল'লোঁ ।

ইতি

ভূপেন শইকীয়া, সম্পাদক

'সৌমাৰজ্যোতি' দুলীয়াজান কলেজ



# অসমীয়া পুৰণি বুৰঞ্জী সাহিত্যত এভুমুকি

–সুধেন্দু মোহন ভদ্ৰ

সাহিত্য শব্দই কাব্যাত্মক ৰচনাক বুজায় । নন্দন-তত্ত্বৰ আলোচনাৰ পৰা ক'ব পাৰি, ৰসাল আৰু বৰ্ণনা বৈচিত্ৰ্যৰ কাহিনীয়েই কাব্য বা সাহিত্য । অতীজত এই লেখীয়া ৰচনাক সাহিত্য শব্দটোৰে তাৰ সৌষ্ঠৱলৈ আঙুলিওৱা হৈছিল বুলি থোৰতে ক'ব পাৰি । গল্প সাহিত্য, বুৰঞ্জী সাহিত্য, মন্ত্ৰ সাহিত্য আদিয়েই এই প্ৰসঙ্গত যথেষ্ট প্ৰামাণিক উদাহৰণ। আধুনিক যুগত অৰ্থনীতি, বুৰঞ্জী, ৰাজনীতি আদিৰ পুথি সাহিত্য বুলি বিবেচিত নহয়। কিন্তু অতীতৰ কথাটো সুকীয়া । তেতিয়াৰ লিখকে যিকোনো কথাকেই অলপ বহলাই সুন্দৰ ভাষাৰ মাজেৰে প্ৰকাশ কৰি তাক মনোহৰ কৰি তুলিছিল । সেইবাবেই সেইবোৰে সাহিত্য হিচাপে বেলেগ মৰ্য্যদা পাইছে । অসমীয়া ভাষা সুদূৰ অতীতৰ পৰাই গদ্য, পদ্য আদি সকলো দিশতেই সুসমৃদ্ধ । এই প্ৰসঙ্গত যুক্তিৰ অৱতাৰণা অৱান্তৰ বিষয় । চৰিতপুথি, ভাগৱত, গীতা আদি অনুবাদৰ পূৰ্ঠ-গদ্য সঁচাকৈয়ে আমাৰ অতি গৌৰৱৰ। সেইদৰে পুৰণি অসমৰ বুৰঞ্জী সাহিত্য ঐতিহাসিক তথ্য-পাতিৰে যথেষ্ট গধুৰ আৰু তাৰ লগতে ভাষাৰ লাৱনি ৰূপে অসমীয়া ভাষাক বিশেষ আদৰ আৰু সন্মানৰ আসন দান কৰিছে বুলিব পাৰি । অসমীয়া বুৰঞ্জী সাহিত্য পৰিপুষ্ঠ দেহসম্পন্ন আৰু নোদোকা । বুৰঞ্জীৰ প্ৰয়োজনীয় গধূৰ আৰু নিৰ্ভুল তথ্যত ই অদ্বিতীয় আৰু নোদোকা বোলোতে ইয়াৰ প্ৰকাশৰ মাধ্যম ভাষা আৰু লগতে আনুষঙ্গিক বিৱৰণৰ মাধুৰ্য্যলৈ দৃষ্টি আকৰ্ষণৰ কথাকেই কোৱা হৈছে । ইয়াত ৰজাসকলৰ উত্থান-পতন, বিপ্লৱ আদিৰ কথা যিদৰে তথ্যব্যঞ্জক, তেনেদৰে ভ্ৰমণমূলক বৃতান্তৰ আভাসো চিকুণৰূপত পৰিৱেশিত । মহাৰাজ ৰুদ্ৰ সিংহৰ নিৰ্দ্দেশত ৰত্নকন্দলী শৰ্মা কাকতি আৰু অৰ্জুন দাস বৈৰাগীয়ে ত্ৰিপুৰাৰ ৰাজদৰবাৰত দূত হিচাপে গৈ তাত যি দেখিছিল আৰু শুনিছিল তাৰ বিশদ বিৱৰণৰ উপৰিও সেই সময়ৰ ঠাইবোৰৰ ভৌগোলিক স্থিতিৰ বৰ্ণনা আৰু তালৈ যাওঁতে বাটত ৰংপুৰত দুৰ্গাপূজাৰ উৎসৱ উপভোগৰ বিৱৰণো লিখকে আগবঢ়াই ৰচনা সুঠাম কৰিছে । নামডাঙৰ পৰা ৰহা, তাৰ পৰা ডেমেৰা আৰু তাৰ পৰা খাছপুৰ আৰু পিছত বৰাক আৰু লক্ষীমপুৰ, তাৰ পৰা ৰঙ্গৰুঙ্গ, তৈজোলপাৰা, কুমজাঙ্গ, ছাইবাঙ্গচুক, জেউগঙ্গ, ছোটমৰিছাই, বৰ মৰিছাই আৰু খাক্ৰাই আৰু তাৰ পিছত ত্ৰিপুৰাৰ ৰাজধানীত প্ৰৱেশ আদিৰ বৰ্ণনা দূত দুগৰাকীয়ে এখনৰ পিছত আনখনকৈ চিত্ৰিত কৰিছে । তেওঁলোকে ভ্ৰমণ কৰা ঠাইবোৰৰ উপৰিও যেই সেই ঠাইৰ জনসাধাৰণ, খাদ্য-শস্য, আচাৰ-নীতি, সাজ-পোছাক আদিৰ বিস্তৃত আলেখ্য পোৱা যায়। এনেবোৰ বিষয় বুৰঞ্জীৰ তথ্যৰ বাবে সিমান লাগতিয়াল নহয়, বিশেষকৈ আধুনিক বুৰঞ্জীত এই কথাবোৰে ঠাই নাপায় । কিন্তু পুৰণি বুৰঞ্জী লিখাৰ পদ্ধতিটো সম্পূৰ্ণ সুকীয়া । সেই ফালৰ পৰা 'ত্ৰিপুৰা বুৰঞ্জী' ৰুদ্ৰসিংহৰ আমোলৰ ঘটনাৰ কাৰণে বুৰঞ্জী হিচাপে পৰিগণিত আৰু পুৰণি অসমৰ আৰ্থ-সামাজিক অধ্যয়নতো এইখনে আমাক যথেষ্ট অৰিহণা যোগায় ।

বুৰঞ্জীত সাধাৰণতে কোনো অঞ্চলৰ বিশেষ বৰ্ণনা পৰিপাটীকৈ পৰিবেশন কৰাটো বাঞ্ছনীয় নহয় । কাৰণ বুৰঞ্জীত ঘটনাৰ সত্যতাৰ প্ৰতিহে লিখকৰ দৃষ্টি, বৰ্ণনাক মনোগ্ৰাহী কৰি তোলাত ঐতিহাসিকৰ কোনো দায়বদ্ধতা নাথাকে । আমাৰ 'ত্ৰিপুৰা বুৰঞ্জী', 'অসম বুৰঞ্জী', 'তুংখুঙীয়া বুৰঞ্জী' আদিত ঐতিহাসিক তথ্যৰ উপৰিও লিখকে বিৱৰণক শব্দপ্ৰয়োগ, ঘটনাৰ পৰিৱেশন আদিৰে সুন্দৰকৈ সজাইছে । ঘটনাৰ সত্যতাৰ ফালৰ পৰা বুৰঞ্জীবোৰ কেঁচা সোণ আৰু বৰ্ণনাবৈচিত্ৰ্যৰ দিশত এইবোৰ নিৰ্মল আকাশৰ জোনৰ স্নিগ্ধ পোহৰৰ দৰে সকলো শ্ৰেণীৰ পাঠকৰেই মন মোহে । এই প্ৰসঙ্গত ত্ৰিপুৰা বুৰঞ্জীৰ নৱম অধ্যায়ত থকা 'ত্ৰিপুৰালৈ যোৱা পথৰ বিৱৰণ' শীৰ্ষক বৰ্ণনা প্ৰণিধেয় । অসমৰ পুৰণি বুৰঞ্জীবোৰৰ সন্দৰ্ভত ক'ব পাৰি যে সেইবোৰ কেৱল বুৰঞ্জীয়েই নহয় ; বৰ্ণনাৰ প[illegible], পদ প্ৰয়োগ আৰু চিত্ৰধৰ্মিতা আদিয়ে সেইবোৰক সাহিত্য হিচাপে স্বীকৃতি প্ৰদান কৰাত যথেষ্ট সহায় কৰে । 'ত্ৰিপুৰা বুৰঞ্জী'ৰ একাদশ অধ্যায়ৰ 'ত্ৰিপুৰা ৰজাৰ কোঁঠৰ নগৰৰ, দেশৰ লেখা' শীৰ্ষক বিৱৰণত পুঙ্খানুপুঙ্খতাৰ স্পষ্ট ৰেঙণি দেখা যায় । বিৱৰণবোৰ পঢ়িলেই এনেকুৱা ধাৰণা হয় যে লিখকে ক্ষেত্ৰ অধ্যয়নৰ (field study) পিছতহে ভাষাৰ সহায়ত যেন আলেখ্যহে চিত্ৰণ কৰিছে । ত্ৰিপুৰা নগৰৰ কোঁঠৰ পশ্চিমফালে অলপ আঁতৰেদি গোমতী নদী প্ৰৱাহিত । কোঁঠৰ দক্ষিণফালে ৰজাৰ দুৱাৰমুখত বহা 'ৰাজহাট'ৰ বৰ্ণনা আৰু হাটখনৰ মাজত থকা ৰাজআলিৰ বৰ্ণনাও বৰ মনোহৰ । প্ৰসঙ্গতঃ উল্লেখ কৰিব পাৰি যে ৰাজআলিৰ দুয়ো দাঁতিৰ বিৱৰণ বাণভট্টৰ কাদম্বৰীত থকা ৰাজআলিৰ দুয়ো কাষৰ চিত্ৰৰ লগত কিছু পৰিমাণে সাদৃশ্যব্যঞ্জক । বাটটোৰ উত্তৰফালে থকা নদীৰ কাষতে দুৰ্জয়সিংহ যুৱৰাজৰ ঘৰ আৰু দক্ষিণফালে চম্পক যুৱৰাজৰ পুখুৰীৰ বিৱৰণৰ ভাষা অতি সুন্দৰ আৰু ই তথ্যেৰে পৰিপূৰ্ণ । বিষয়বোৰ ইমান নিখুঁট ৰূপত আৰু সহজ ভাষাত প্ৰকাশ কৰাৰ বাবেই কথাবোৰ বুজাত অলপো খোকোজা নালাগে । বিৱৰণত বাটৰ দূৰত্ব বুজাবলৈ 'ছয় দণ্ডমানৰ বাট' এক প্ৰহৰ মানৰ বাট এনেকুৱা ভাষাই সময়ৰ দূৰত্ব নিৰূপক পুৰণি ৰীতি সোঁৱৰাই দিয়াত বুৰঞ্জীৰ পাঠত এটা বেলেগ আমেজ পোৱা যায় ।

পুৰণি কালত বুৰঞ্জী লিখাৰ এটা বিশেষ ৰীতি পোনতে চকুত পৰে । বুৰঞ্জীৰ প্ৰায়বোৰ অধ্যায়ৰ আৰম্ভণিতেই আলোচ্য বিষয়ৰ কথাখিনি তেনেই চমুকৈ নিভাঁজ ভাষাত প্ৰকাশ কৰাত পাঠকে বিষয়বস্তুখিনি তেনেই সহজতে বুজিব পাৰে । 'ত্ৰিপুৰা বুৰঞ্জী'ৰ একাদশ অধ্যায়ৰ প্ৰথমতে 'ত্ৰিপুৰা ৰজাৰ কোঁঠৰ, নগৰৰ, দেশৰ লেখা', দ্বাদশ অধ্যায়ৰ প্ৰাৰম্ভতে 'ত্ৰিপুৰা ৰজাৰ উৰ্দ্ধপুৰুষৰ কথা', পঞ্চদশ অধ্যায়ৰ আৰম্ভণিতে পোৱা 'প্ৰতি দিনে ৰাজা যেনেৰূপে প্ৰৱৰ্ত্তে আৰে লেখা' আদি কথাবোৰেই প্ৰমাণ হিচাপে ল'ব পাৰি । 'অসম বুৰঞ্জী'তো প্ৰত্যেক অধ্যায়ৰ আলোচ্য বিষয়ৰ শিৰোনামাৰে ব্যক্ত কৰিহে আলোচনা আগবঢ়োৱা দেখা যায় । 'তুংখুঙীয়া বুৰঞ্জী'ৰ বেলিকাও এই ৰীতিৰ ব্যতিক্ৰম চকুত নপৰে । পুৰণি বুৰঞ্জীবোৰৰ আন এটা বৈশিষ্ট্য হৈছে সেইবোৰৰ সহজ-সৰল আৰু অবাৰিত প্ৰকাশ ভঙ্গী । কোনো ঘটনাক অতিৰঞ্জিত বা সঙ্কুচিত কৰি বৰ্ণনা কৰিবলৈ কোনো প্ৰচেষ্টাৰ আভাস পোৱা নাযায় । 'ত্ৰিপুৰা বুৰঞ্জী' সাহিত্যৰ ভাষা তেনেই আঁৰ নলগা বিধৰ। উক্ত বুৰঞ্জীৰ একাদশ অধ্যায়ৰ আটাইতকৈ শেহৰ কথাখিনি অতি সহজ-সৰল ভাষাৰ চমৎকাৰিতাৰ নিদৰ্শনৰ সমৰ্থনত উল্লেখ কৰিব পাৰি । তাত ত্ৰিপুৰাৰ ৰজাৰ নগৰৰ দক্ষিণপূব কোণত থকা ডম্বৰু কুণ্ডৰ বিৱৰণ এই ধৰণৰ– ''আৰু ৰাজাৰ নগৰৰ দক্ষিণে গোমতী নদীৰ সিপাৰে ইটাৰ দৌল এটা আছে, ওখয়ে ৪০ হাতমান হ'ব





। তাতে ত্ৰিপুৰা ঠাকুৰাণীৰ মূৰ্তি আছে । সেই দৌলৰে অগ্নিকোণত পৰ্বতৰ ভিতৰত কুঞ্জ-জটীয়া এক তীৰ্থ আছে, সেই কুণ্ডৰ নাম ডম্বৰু । সেই কুণ্ডৰ জলত সৰ্বদাএ ধুঞা বৈ থাকে । সেই ধুঞাত অগ্নিৰ শিখা হেন দেখি, জল তপত নহয় । ৰাজাৰ দেশৰ নগৰৰ লেখা সমাপ্ত ।''

ত্ৰিপুৰা বুৰঞ্জীৰ পৰা পুৰণি মুদ্ৰাৰ নামৰ বিষয়েও ভালদৰে অৱগত হ'ব পাৰি । আমাৰ দেশত 'নয়াপইচা' অৰ্থাৎ দশমিক পদ্ধতিৰ মুদ্ৰাৰ হিচাপ আৰু দশমিক পদ্ধতিৰ জোখ-মাখৰ প্ৰচলনৰ আগেয়ে মুদ্ৰা বিষয়ৰ যি আধুলি, সিকি দোৱানি, একানি, আদানি আদিৰ প্ৰচলন আছিল তাৰ স্পষ্ট উল্লেখেও আধুনিক পাঠকৰ মনত পুৰণিৰ আভাসে হেঙুল-হাইতালৰ মিশ্ৰণত যেন ৰশ্মিজালৰহে সঞ্চাৰ কৰে । জোখ-মাখৰ বেলিকাও তোলা, সেৰ, মোন আৰু গোটাবস্ত গণনাৰ পদ্ধতি যেনে যোৰ, কাওণ আদিৰ উল্লেখে পঢ়ুৱৈৰ মনত সেই তাহানি কালৰ ৰীতি-ৰেৱাজ আদিৰ লগত পৰিচয় ঘটায় ।

'অসম বুৰঞ্জী' আৰু 'তুংখুঙীয়া' বুৰঞ্জীৰ ঘটনাবোৰৰ সময়ৰেখা নিৰূপণত ত্ৰিপুৰা বুৰঞ্জীতকৈ বেছি মনোযোগ দিয়া দেখা যায় । 'তুংখুঙীয়া বুৰঞ্জী'ত শক, মাহ, বাৰ, সময় আদিৰ উল্লেখেই কথাষাৰৰ সত্যতাৰ প্ৰমাণ দিয়ে । অৱশ্যে ত্ৰিপুৰা বুৰঞ্জীতো তেনেকুৱা যে নাই সেইটো নহয় । শক আৰু মাহৰ উল্লেখ ইয়াতো পোৱা যায়, কিন্তু তুলনাত্মকভাৱে কাম । ত্ৰিপুৰা বুৰঞ্জীত বৰ্ণনাক মনোগ্ৰাহী কৰি তুলিবলৈ লেখকৰ ব্যাকুলতা প্ৰকাশ পাইছে, আনহাতে 'অসম বুৰঞ্জী' আৰু তুংখুঙীয়া বুৰঞ্জীত বুৰঞ্জীৰ তথ্য নিভাঁজ ৰূপত লিখাত বেছি গুৰুত্ব দিয়া হৈছে । কম বেছি পৰিমাণে পুৰণি বুৰঞ্জীপুথিৰ ভাষা সৰল আৰু বিষয়বস্তুৰ প্ৰকাশো পোনপটীয়া, তাত কোনো ধৰণৰ আওপকীয়া ভাৱৰ স্থান নাই । 'অসম বুৰঞ্জী'ৰ ঠাই বিশেষে পুৰণি আখ্যান বা কিংবদন্তি আৰু জতুৱা ঠাঁচৰ দৰে বাক্য প্ৰয়োগেৰে আলোচ্য বিষয় দৃঢ় কৰি তোলাৰ উপৰিও ৰচনাৰ মনোহাৰিত্ব সম্পাদন কৰা দেখা যায় । অসম বুৰঞ্জীৰ চতুৰ্থ অধ্যায়ৰ সাতত্ৰিশ দফাৰ উক্তি এই প্ৰসঙ্গত প্ৰণিধেয় । তাত কোৱা হৈছে- – 'ৰাজা দশৰথ'ৰ মৃত্যু ভাৰ্য্যাৰ কাৰণ, মহাপ্ৰভু শ্ৰীৰামৰ সন্তাপ সীতাৰ কাৰণ ; 'মৃগঃ কুত্ৰ হিৰন্ময়ঃ ?' আকৌ সেই একে অধ্যায়ৰ পঁশিচ দফাত থকা 'শত্ৰুৰ তেজ বঢ়াই থবলৈ ভাল নহে', তেনেকৈ সাতত্ৰিশ দফাৰ 'দৈৱ গতিয়ে যাক যি ৰূপ কৰে' আদি উক্তিয়ে প্ৰমাণ । কিছুমান উপমাৰ মাজেৰে বৰ্ণনীয় বিষয়ৰ গুৰুত্ব সূচিত হৈছে আৰু এনেকুৱা উপমাসূচক উক্তি সাহিত্যৰ সামগ্ৰী হিচাপে গৃহীত হোৱাত বাধাৰ অৱকাশ নাথাকে । অসম বুৰঞ্জী'ৰ চতুৰ্থ অধ্যায়ৰ আঠচল্লিশ দফাৰ কথাখিনি উল্লেখযোগ্য । তাত কোৱা হৈছে– 'বালকে চন্দ্ৰক হাত মেলি ধৰিবাক খোজে, এতেকে নেকি চন্দ্ৰক হাতে আনিবাক পাৰে ? অগ্নিক বস্ত্ৰাঞ্চলে বান্ধিবাক খোজে, আছোক বান্ধি নিবাক চালন্তে পাচে শৰীৰক ৰক্ষা কৰণো যে বালকৰ টান ।'

পুৰণি অসমীয়া ভাষা বৈশিষ্ট্যৰ দিশৰ পৰা স্বয়ংসিদ্ধ । অৱশ্যে পুৰণি কালত গীতা, ভাগৱত আদি পুথিৰ অনুবাদৰ ক্ষেত্ৰত কবিয়ে তৎসম আৰু সংস্কৃত শব্দৰ যথেষ্ট সহায় লোৱা দেখা যায় কিন্তু সম্পূৰ্ণ অসমীয়া ভাষাতো যে পুথি ৰচনা সুদূৰ অতীজতে সম্ভৱ হৈছিল তাৰ জ্বলন্ত উদাহৰণ বুৰঞ্জীসাহিত্য । শ্ৰীনাথ বৰুৱাৰ লিখিত 'তুংখুঙীয়া বুৰঞ্জীৰ ভাষা নিভাঁজ অসমীয়া । বুৰঞ্জী সাহিত্যৰ ভাষাই যে অকল অসমীয়া এনে নহয়, তাৰ প্ৰকাশৰ ধাৰাত বহু পৰিমাণে ঘৰুৱা । তুংখুঙীয়া বুৰঞ্জীৰ তৃতীয় অধ্যায়ৰ কেইটামান উক্তিৰ কথা এই

প্ৰসঙ্গত উল্লেখ কৰিব পাৰি – "সেই সময়ত কিহবাই খায়হেন ঢক্ এটা উঠিল । আৰু সেই শকৰে শাওণত ৩ দিনৰ অগাপিচাকৈ দুটা পানী হ'ল।" অসম বুৰঞ্জীৰ ভাষাতো অসমীয়া শব্দ আৰু বাক্য গঠন পদ্ধতি অতি স্পষ্ট। দ্বিতীয় অধ্যায়ৰ কেইটামান বাক্য উল্লেখ কৰা হ'ল – "তাতে খুন্তুক অধিকাৰ পাতি থৈ তিপামলৈ আহিল। লোকজন বশৱৰ্তী কৰি তাতে ৩ বৎসৰ আছিল । তল যোৰা মাটি দখি নাথাকি তাত কাণ্ডনক অধিকাৰ পাতি থৈ দিহিঙ্গ লৈ আহিল ।" এনেকুৱা উদাহৰণৰ অভাৱ নাই । বুৰঞ্জীবোৰ পঢ়িলেই সেইবোৰৰ ভাষাৰ বিষয়ে পাঠকৰ ধাৰণা স্পষ্ট হৈ পৰিব যে সেইবোৰৰ ভাষাত অসমীয়া বাক্য গঠনৰ প্ৰতি লিখকে সদায় চকু ৰাখিছে । অৱশ্যে সময়ৰ ভাষাৰ যি ঠাঁচ তাৰ পৰা আঁতৰি লিখকে আধুনিক অসমীয়াৰ দৰে লিখিব নোৱাৰে। সেয়েহে ৰ সলনি ইচ্ছা বা কৰবাত ইৎসা, দুখনৰ সলনি দুইখন, ৰজাই পদৰ ঠাইত ৰাজাত্ৰ থাৰিলেগৈ বহিল গৈ, কাপোৰ পদৰ সলনি কাপৰ, যাওঁতে ক্ৰিয়া পদৰ 'ওঁ'ৰ সলনি 'এ্ৰো'ৰ প্ৰয়োগ, 'কৈছে' ক্ৰিয়াৰ সলনি বুলিছে, 'কৰিব', 'আহিব' পদৰ সলনি ক্ৰমে 'কৰিবেন', 'আসিবেন', আদি পদ কেনেকুৱা অৱস্থা আৰু বিশেষকৈ 'আসিবেন', 'ৰহিবেন', 'জানিবেন', 'ৰহিলেন' আদি অসমীয়া ভাষাত ব্যৱহাৰ নোহোৱা পদৰ সম্পৰ্কত পটভূমি বিশ্লেষণ কৰি চাবলগীয়া বিষয় । ৰত্ন মাণিক্যৰ পাত্ৰ মন্ত্ৰী সকলে আলোচনা কৰি ত্ৰিপুৰাৰ ৰজা নৰেন্দ্ৰ মাণিক্যৰ কাৰ্যকলাপ বিৱৰি যুৱৰাজ চম্পক ৰায়লৈ লিখা গোপন চিঠিতেই এই ধৰণৰ পদৰ ব্যৱহাৰ হৈছে । অৱশ্যে বুৰঞ্জীত সন্নিৱিষ্ট চিঠিখন যে আচল চিঠিৰ হুবহু নকল নহয় সেইটো খাটাং । পিছে বুৰঞ্জীৰ লিখকে ঘটনাটোৰ সবিশেষ তথ্যৰ পতিয়ন নিয়াবলৈ চিঠিত কথাখিনি নিজৰ ভাষাত উদ্ধৃতি চিহ্নেৰে লিখিছে । একে প্ৰসঙ্গত আমি 'আপনাৰ', 'আপনেও' আদি পদলৈকো আঙুলিয়াব পাৰো । ঘটনাখিনি ত্ৰিপুৰাৰ ৰজাৰ সম্পৰ্কতহে লিখা হৈছে । এতেকে সেই সময়ত ত্ৰিপুৰাত প্ৰচলিত ভাষাত এই ধৰণৰ প্ৰয়োগ থকাটো স্বাভাৱিক বুলি ধৰিব পাৰি । কাৰণ, 'ত্ৰিপুৰা সিংহাসনত ৰত্নমাণিক্য ৰজা' শীৰ্ষক ত্ৰয়োদশ অধ্যায়ৰ উদ্ধৃতিত থকা কথাবোৰত ত্ৰিপুৰাৰ প্ৰচলিত ভাষাৰ প্ৰভাৱ নপৰাটোহে অস্বাভাৱিক । এনেবোৰ পদৰ লগত তেতিয়াৰ অসমীয়া ভাষাৰ কোনো সম্পৰ্ক নাই বুলি ক'লে অযুক্তি সঙ্গত নহয় । এই প্ৰসঙ্গত 'ত্ৰিপুৰা বুৰঞ্জী'ৰ ঊনবিংশ আৰু একবিংশ অধ্যায়তো বঙলুৱা ঠাঁচৰ পদ আৰু বাক্য গঠন চকুত পৰে । অৱশ্যে লিখক ৰত্নকন্দী আৰু অৰ্জুন দাস বৈৰাগীয়ে গ্ৰহণ কৰা এই পদ্ধতিৰ বিষয়ে কোৱাটো টান যদিও তথাপিতো লিখনীক যতাসাধ্য যথাৰ্থতাৰ পতিয়ন নিয়াবলৈ তেনেকুৱা দ্বৈতভাষাৰ প্ৰয়োগত ত্ৰিপুৰাৰ ৰজা বা আন ৰাজ বিষয়াৰ উক্তিবোৰ প্ৰকাশ কৰিছে । নাটকৰ চৰিত্ৰৰ সংলাপত যিদৰে বেলেগ ভাষা বা হিন্দী নাইবা বঙলামিশ্ৰিত ভাষা প্ৰয়োগ কৰি নাট্যকাৰে চৰিত্ৰ এটাক ভহাই তোলে, তেনেদৰে ইয়াতো লিখকে ত্ৰিপুৰা অঞ্চলৰ ভাষাক অসমীয়া ভাষাৰ লগত মিহলাই সেই অঞ্চলৰ লোকৰ কথা-বতৰা আদিক উজ্বল ৰূপত সজাই তুলিবলৈ তেনেকুৱা কৰিছে । অসমীয়া ভাষাৰ লগত আন ভাষা মিহলাই প্ৰয়োগ কৰাত অসমীয়া ভাষাটো সেই ভাষাৰদ্বাৰা প্ৰভাৱিত বুলি কোৱাৰ কোনো যুক্তি থাকিবই নোৱাৰে । সেইফালৰ পৰা ক'ব পাৰি যে 'ত্ৰিপুৰা বুৰঞ্জী'ৰ ভাষা আন কোনো ভাষাৰ দ্বাৰা প্ৰভাৱিত নহয় । এনেবোৰ পদ প্ৰয়োগে অসমীয়া ভাষাৰ ওপৰত আন ভাষাৰ প্ৰভাৱত ইঙ্গিতো নিদিয়ে । কাৰণ, প্ৰভাৱৰ অৱকাশ থকাহেঁতেন গোটেই গ্ৰন্থখনতেই এই জাতীয় পদৰ প্ৰয়োগ পোৱা গ'লহেঁতেন । 'ত্ৰিপুৰা বুৰঞ্জী'ত উক্তি সূচক কথাৰ বাহিৰে বাকী বিৱৰণ পঢ়িলেই এই কথাখিনি উপলব্ধি কৰিব পাৰি ।





অসমীয়া সাহিত্য যে গদ্যবুৰঞ্জীতহে সমৃদ্ধ এনে নহয়, পদ্যতো বুৰঞ্জী প্ৰণয়নে আমাক আৰু বেছিকৈ আহ্লাদিত কৰিছে । প্ৰান্তীয় ভাষাবোৰৰ ভিতৰত এনেকুৱা গৌৰৱৰ অধিকাৰী হোৱাত আমাৰ সাহিত্য সঁচাকৈয়ে বিশ্বৰ দৰবাৰত অন্যতম । এই প্ৰসঙ্গত দুতিৰাম হাজৰিকা আৰু বিশ্বেশ্বৰ বৈদ্যাধিপৰ অৱদান অসমীয়া ভাষাৰ সেৱকমণ্ডলীয়ে সদায় স্মৰণ কৰিবই লাগিব । বুৰঞ্জীমূলক ঘটনাক পদ্যত ৰহণ লগাই বৰ্ণনা কৰাৰ অন্তৰালত হয়তো কবি দুগৰাকীৰ বেলেগ উদ্দেশ্য এটাহে আছিল । ৰজা, ৰাজ্যৰ ঐতিহাসিক উত্থান-পতন আদিলৈ চাই নশ্বৰ জীৱন, ধন-জন আদিৰ যে কোনো স্থায়িত্ব নাই সেইটোৰ প্ৰতিহে কবিৰ মন সদা জাগ্ৰত । এনেকুৱা অৱস্থাত সংসাৰত ৰাজ্য, মান-অপমান আদিৰ হিচাপ-নিকাচতকৈ কৃষ্ণৰ শৰণেহে সংসাৰ সাগৰৰ ঢৌৰ খলকনি আৰু বিঘিনিৰ পৰা জীৱক ৰক্ষা কৰে— এইটো পাঠক মণ্ডলীক অৱগত কৰাবলৈ কবিৰ মনে ঢাপলি মেলিছে যেন লাগে ।

সংস্কৃত ভাষাত প্ৰকৃতাৰ্থত বুৰঞ্জী প্ৰণীত নহ'লেও ঐতিহাসিক কাব্য ৰচিত হোৱাৰ দৰে অসমীয়া ভাষাতো 'অসমৰ পদ্য-বুৰঞ্জী'ক অসমীয়াত ৰচিত ঐতিহাসিক কাব্য আখ্যা দিব পাৰি । সেই ফালৰ পৰা আমাৰ ভাষা প্ৰকৃত বুৰঞ্জী আৰু বুৰঞ্জীমূলক কাব্য– এই দুয়োবিধেই জলজলীয়া । সুদূৰ অতীতৰ এখন নহয় কেইবাখনো বুৰঞ্জীয়ে পুৰণি অসমৰ ৰজাৰ ৰাজত্বকালৰ ঘটনাৰ সঠিক তথ্য আৰু বিৱৰণ দিয়ে । আনহাতে অসমীয়াত ৰচিত পদ্য বুৰঞ্জীয়ে কাব্যিক বৰ্ণনাৰ মাজেৰে ইতিহাসৰ ঘটনাৰ স্পষ্ট ছবি উপস্থাপন কৰে । পদ্যবুৰঞ্জীক কাব্য বুলি আখ্যা দিলেও তাৰ অৰ্থ – একাৰ্থপৰায়ণৰ সলনি বহু অৰ্থপৰায়ণ বুলি কোৱাৰ যুক্তি আছে । কিন্তু ভগৱৎ ভক্তিৰ প্ৰচাৰক যদি আমি বিষয়বস্তু হিচাপে লওঁ তেন্তে কাব্য দুখনৰ কাহিনী একাৰ্থপৰায়ণ বুলিব লাগিব । সাৰতত্ত্ব বিষ্ণুভক্তিৰে কবি দুতিৰামে ভণিতা পেলাইছে, ঠাই বিশেষে তেওঁ নিজক বিষ্ণুৰ কিঙ্কৰ বুলিও পৰম তৃপ্তি লাভ কৰিছে । ভগৱৎ ভক্তি বা কৃষ্ণ ভক্তিয়েই একমাত্ৰ সাৰ, বাকী ৰজা-মহাৰজাৰ শক্তি, বিজয় অসাৰ— এই তত্ত্ব সাৰোগত কৰিয়েই হয়তো বৈষ্ণৱ কবি দুগৰাকীয়ে বুৰঞ্জীৰ কাহিনীক পদ্যৰ মাজেৰে কাব্যৰূপত সজাইছে । কবিয়ে বিষ্ণুৰ সাম্যভাৱ প্ৰকাশ কৰি কৈছে যে ৰজাই দোষীক শাস্তি দিয়ে; চোৰক দণ্ডবিধান কৰে; কিন্তু প্ৰভু কৃষ্ণই কেতিয়াও কাকো শাস্তি নিদিয়ে, সমভাৱেৰে সকলোকে ত্ৰাণ কৰে । সংসাৰত তেনেকুৱা প্ৰভুক পাহৰি বা নিচিনি জীৱে দুখ ভোগ কৰে । কবিয়ে কৈছে—

*"তথাপিতো প্ৰভু তুমি সম সমস্ততে ।*
*তোমাক নভজি দুখ ভুঞ্জে শৰীৰতে ॥"*

(দুতিৰাম হাজৰিকা ঃ অসমৰ পদ্য বুৰঞ্জী প্ৰস্তাৱনা-৬)

কবি হাজৰিকাই কাব্যখনৰ প্ৰস্তাৱনাত বিষ্ণুৰ প্ৰতি অণুৰঞ্জিত হোৱাটো সতকাই চকুত পৰে । পুৰন্দৰ সিংহৰ ৰাজত্বকালত যুৱৰাজ কামেশ্বৰৰ মুখত বুৰঞ্জীৰ কাহিনীবোৰ শুনি দুতিৰামে ৰজাসকলৰ কীৰ্তি পদ্যত ৰচনা কৰি

গৈছে । এই সম্পৰ্কত কবিৰ আত্মলঘিমাৰ অভিব্যক্তিয়ে আমাক কালিদাসৰ ৰঘুবংশ বৰ্ণনাৰ প্ৰাৰম্ভত তেওঁৰ আত্মলঘিমাৰ প্ৰসঙ্গটো টপৰাই মনত পেলাই দিয়ে ।

কাব্য দুখনৰ ভিতৰত প্ৰথম খনৰ ৰচনাৰ পদ্ধতিলৈ চাই ক'ব পাৰি যে ল'ৰা ৰজাৰ পৰা পুৰন্দৰ সিংহলৈকে ঐতিহাসিক কাহিনীবোৰক কাব্যৰূপ দিবলৈকেহে ৰাজপৃষ্ঠপোষকতাত কবি দুতিৰামে পদ্য বুৰঞ্জী ৰচনা কৰিছিল । মানৰ আক্ৰমণৰ বৰ্ণনাৰে বুৰঞ্জীখন সামৰা হৈছে । মানৰ আক্ৰমণলৈকে এটা অধ্যায় দুতিৰামৰ পদ্য-বুৰঞ্জীত বৰ্ণিত হৈছে । ৰঘুবংশ মহাকাব্যত কবিয়ে যিদৰে ৰঘুবংশীয় উনত্ৰিশজন নৰপতিৰ কাহিনীক কাব্যৰূপদান কৰিছে, পদ্যবুৰঞ্জীখনতো তেনেদৰে দুতিৰামে ল'ৰা ৰজা, গদাধৰ সিংহ, গৌৰীনাথ সিংহ, কমলেশ্বৰ সিংহ, চন্দ্ৰকান্ত সিংহ, পুৰন্দৰ সিংহ, যোগেশ্বৰ সিংহ নৰপতিসকলৰ বিৱৰণ আগবঢ়াইছে । 'পদ্য-বুৰঞ্জী'খনত বাৰ, তাৰিখ আদিৰ উল্লেখো সম্পূৰ্ণ পদ্যৰ ঠাঁচত দিয়াৰ বাবেই ইয়াক কাব্য আখ্যা দিয়াত বেছি সুবিধা হৈছে । পদ-বুৰঞ্জী মুঠতে তেৰটা অধ্যায়ত সম্পূৰ্ণ হৈছে । বিশ্বেশ্বৰ বৈদ্যাধিপৰ পদ্য বুৰঞ্জীত মুঠতে তিনিটা অধ্যায় আছে । স্বৰ্গদেউ গৌৰীনাথ সিংহ, স্বৰ্গদেউ কমলেশ্বৰ সিংহ আৰু স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ কীৰ্তি-কাহিনীৰে বৈদ্যাধিপে বুৰঞ্জীখন প্ৰণয়ন কৰিছে । পদ, জুমুৰি, ছবি, লেচাৰি, মুক্তাৱলী আদি ছন্দত বিষয়বোৰৰ বিৱৰণ বৰ আকৰ্ষণীয় বুলি ক'ব পাৰি । কাব্যখনত তৃতীয় অধ্যায়ত থকা মান আৰু আহোমৰ যুদ্ধত মৃত আৰু আহত সৈন্যৰ বৰ্ণনা ভয়ঙ্কৰ ৰূপত কবিয়ে উপস্থাপন কৰিছে । তেওঁ মান আৰু আহোমৰ তয়া-ময়া ৰণক 'বলি-বাসবৰ' ৰণৰ লগত ৰিজাই বিষয়বস্তুৰ গুৰুত্ব সম্পাদন কৰিছে । ৰঘুবৰ চুপাদাৰৰ বীৰত্বও, কবিয়ে বীৰত্বব্যঞ্জক ভাষাৰে প্ৰকাশ কৰি বৰ্ণনাক মনোগ্ৰাহী কৰিছে । কবিয়ে ৰঘুবৰ চুপাদাৰ আৰু কিয়মিঙ্গিৰ ৰণৰ আগত তিষ্টিব নোৱাৰি গগৈ সেনাপতি আৰু সৈন্যৰ দলৰ ৰণভঙ্গক সুন্দৰ উপমাৰ জৰিয়তে প্ৰকাশ কৰি কাব্যৰ উৎকৰ্ষতা সাধন কৰিছে । কাব্যত কোৱা হৈছে—

*'প্ৰচণ্ড বাতাসে যেন মেঘদল পাই ।*
*খণ্ড খণ্ড কৰি তাক নিলে উৰুৱাই ॥'*

ইয়াত ৰঘুবৰৰ শক্তিক প্ৰচণ্ড বতাহ আৰু গগৈৰ সৈন্য সামন্তক খণ্ড খণ্ড মেঘৰ লগত তুলনা কৰাত কাব্যিক উপাদেয়তাৰ উমান পোৱা যায় ।

কাব্যখনৰ প্ৰথম অধ্যায়ত থকা ৰংপুৰ নগৰৰ বৰ্ণনা অংশও কাব্যিক গুণত উৎকৰ্ষতাৰ পৰিচয় দিয়ে। কবিয়ে ৰংপুৰ নগৰক 'ইন্দ্ৰপুৰী সম দেখি নগৰৰ থান' বুলি কৈ তাৰ বিতোপন বিৱৰণ আগবঢ়াইছে । কাব্যৰ লক্ষণৰ বিচাৰ কৰিলেও এনেকুৱা বিৱৰণ যে যথেষ্ট উপযোগী সেইটো নিঃসংশয়ে ক'ব পাৰি । চন্দ্ৰকান্ত সিংহ দ্বিতীয়বাৰ ৰাজপাটত উঠোতে ৰাজ্যাভিষেকৰ আলেখ্যও বৰ্ণনাৰ ফালৰ পৰা অতি উপযোগী হৈছে । কাব্যত এনেধৰণৰ বিৱৰণে উৎকৰ্ষতা সাধন কৰে ।





চন্দ্ৰকান্ত সিংহৰ দ্বিতীয়বাৰ ৰাজপাটত আৰোহণৰ বিৱৰণৰ পিছতেই 'প্ৰভু শ্ৰীকৃষ্ণৰ মহিমা কীৰ্তন' শীৰ্ষক বিষয়খিনিত কবি বৈদ্যাধিপৰ আন্তৰিক হৰি ভক্তি প্ৰকাশ পাইছে । কবিয়ে কৈছে যে সংসাৰত জীৱে কৃষ্ণৰ নামকীৰ্তনৰ সহায়তহে দুৰ্ঘোৰ সংসাৰৰ পৰা ত্ৰাণ পায় আৰু প্ৰভু কৃষ্ণৰ কৃপাতহে জীৱে জীৱে অখণ্ড মুক্তি লাভ কৰে । এই দিশত বিচাৰ কৰি ক'ব পাৰি যে কবি বৈদ্যাধিপৰেও হৰিভক্তি প্ৰচাৰৰ মানসেৰে পদ্য বুৰঞ্জী প্ৰণঁয়ন কৰিছিল । এইজন কবিৰ প্ৰণীত বুৰঞ্জীক 'বেলিমাৰৰ বুৰঞ্জী' বুলিও কোৱা হৈছে ।

দুতিৰাম হাজৰিকাৰ ৰচিত পদ্য বুৰঞ্জীতো কাব্যিক উপাদান যথেষ্ট পৰিমাণে পোৱা যায় । পদ, দুলড়ী, লেচাৰী, জুমুৰি, ছবি ছন্দত বিষয়-বস্তুৰ বিৱৰণ আগবঢ়োৱা হৈছে । মুঠতে উক্ত কবিৰ পদ্য বুৰঞ্জী এঘাৰশ ছিয়াশীটা পদত সম্পূৰ্ণ হৈছে । ইয়াতো হৰিভক্তিৰ মাহাত্ম্য প্ৰায়বোৰ বিৱৰণৰ শেহত কবিয়ে অতি শ্ৰদ্ধাৰে স্মৰণ কৰা দেখা যায় । দুতিৰাম হাজৰিকা আৰু বিশ্বেশ্বৰ বৈদ্যাধিপৰ পদ্য বুৰঞ্জী দুখনৰ ভিতৰত প্ৰথমজনৰ বৰ্ণনাত ইতিহাসৰ ঘটনাৰ প্ৰতি বেছি মনোযোগ দিয়া হৈছে, আনহাতে বৈদ্যাধিপৰ বুৰঞ্জীত কাব্যৰ প্ৰতিহে বৰ্ণনা ঢাল খাইছে।

অঙ্কীয়া ভাওনাৰ ৰচনা আৰু অভিনয়ৰ অন্তৰালত দৰ্শক বা পাঠকক আনন্দ প্ৰদানৰ উপৰিও কৃষ্ণভক্তি প্ৰচাৰৰ উদ্দেশ্য নিহিত থকাৰ দৰে পদ্য বুৰঞ্জীৰ নিভৃত কোণত ভক্তিৰ বীজ গহীন হাবিত নিশা জ্বলি থকা 'নিবাত নিষ্কম্প' প্ৰদীপ শিখাটিৰ দৰেই অৱস্থান কৰিছে বুলি ক'ব পাৰি । দুতিৰাম হাজৰিকাই তেওঁৰ বুৰঞ্জীৰ প্ৰস্তাৱনাতেই কৃষ্ণভক্তিৰ চৰম নিদৰ্শন সূচক ভক্তিভাৱ প্ৰকাশ কৰিয়েই ক্ষান্ত থকা নাই ; বৰ্ণনাৰ মাজে মাজে সম্পূৰ্ণ ভকতিয়া ঠাঁচত কৃষ্ণৰ প্ৰতি অন্তৰৰ গভীৰ আকুতি ব্যক্ত কৰিছে । সংসাৰৰ জ্বালা-যন্ত্ৰণাৰ পাকত জীয়াতু ভোগিও কৃষ্ণক ভক্তি নকৰাৰ বাবে নিজক মহাপাপী বুলি আক্ষেপ কৰা দেখা যায় । কবিয়ে কৈছে—

*'তথাপি কৃষ্ণৰ পাৱে নকৰোঁ ভকতি ।*
*মই মহাপাপী আতি পৰম দুৰ্গতি ॥'*
(অসমৰ পদ্য বুৰঞ্জী ঃ দুতিৰাম হাজৰিকা– ১০২৬ ।

অন্তকালত কৃষ্ণনাম আৰু কৃষ্ণ ভক্তিহে একমাত্ৰ ত্ৰাণ কাৰক, আন সকলো জাগতিক ঐশ্বৰ্য্য আদি মিছা এই কথাকেই স্মৰণ কৰি কবিয়ে শেহ কালত মুখত নামজপ : শ্ৰৱণত নাম আৰু হৃদয়ত কৃষ্ণপদ ধাৰণ কৰিবলৈ হাবিলাস কৰিছে আৰু তেনেকুৱা স্থিতিত তেওঁ নিজে কৃষ্ণৰ প্ৰতি দাস্যভাৱ প্ৰকাশ কৰিছে । তেওঁ কৈছে—

*''ইবাৰ কৰুণাময় নকৰা নৈৰাশ ।*
*জন্মে জন্মে তোমাৰ দাসৰো ভৈলো দাস ॥*
*মুখে তযু নাম যেন কৰ্ণ কৃষ্ণ কথা ।*
*হৃদয়ত পাদ-পদ্ম নেৰিবো সৰ্ব্বদা ॥''*
অসমৰ পদ্য বুৰঞ্জী ঃ দুতিৰাম হাজৰিকা ঃ ১০২৮; ১০২৯) ।

সতী জয়মতীৰ নিৰ্য্যাতনৰ কালছোৱাত সতীৰ মুখত কবিয়ে কৃষ্ণস্তুতি বিষয়-বস্তুৰ লগত ৰজিতা খোৱাকৈ জুৰি দিছে । গদাপাণি পলাই থকা কালছোৱাত বাটত যাতে অত্যাচাৰীৰ হাতত ধৰা নপৰে তাৰ বাবে বন্দী অৱস্থাত জয়মতীয়ে কৃষ্ণক প্ৰাৰ্থনা জনোৱা দেখা যায় । কবিয়ে কাব্যত জুৰিছে—

*"ইহেন শঙ্কটে কোনে কৰিবেক ত্ৰাণ ।*
*কৃষ্ণ বিনে নেদেখোহো আমাৰ জীৱন ॥*
*তুমি জগতৰ ঈশ তুমি জগজীৱ ।*
*এহি আপদত ৰাখিয়োক সদাশিৱ ॥"*
(অসমৰ পদ্য-বুৰঞ্জী ঃ দুতিৰাম হাজৰিকা ঃ ৩৮)

পতিয়েই ভাৰ্য্যাৰ ইষ্টদেৱতা । সেই ইষ্টদেৱতা প্ৰাণৰ ভয়ত পলাই ফুৰাত জয়মতীয়ে অনাথ স্বামীক ৰক্ষা কৰিবলৈ কৃপাময় ঈশ্বৰক অশেষ কাকুতি জনাইছে । কৃষ্ণ ভগৱান জগতৰ সকলো জীৱত অনুপ্ৰৱিষ্ট ; তেওঁৰ অবিহনে জীৱৰ অস্তিত্ব নাই— এনেকুৱা তত্ত্বও 'কুঁৱৰীৰ স্তুতি' শীৰ্ষক বিষয়ত প্ৰকাশ পাইছে । সতীৰ মুখেৰে প্ৰকাশ পোৱা 'তুমি জগতৰ ঈশ তুমি জগজীৱ' বৰগীতৰ 'যত জীৱ জঙ্গম কীট পতঙ্গম অগনগতৱ তেৰি কায়া' পদফাকিৰ হুবহু ভাব 'তুমি জগজীৱ' পদ দুটাত প্ৰকাশ পাইছে । এনেকুৱা সৰুসুৰা পদৰ জৰিয়তে কবিয়ে বিষ্ণুৰ বিশালত্বলৈ আঙুলিয়াই বৈষ্ণৱৰ মন আকৰ্ষণ কৰিবলৈ লোৱা প্ৰচেষ্টাৰ আভাসো পদ্য-বুৰঞ্জীৰ অত ত'ত নথকা নহয় ।

খৃষ্টাব্দ ষোড়শ শতিকাতেই অসমীয়া গদ্যশৈলীয়ে পূৰ্ণতা লাভ কৰিছিল ভট্টদেৱৰ হাতত । তাৰ পিছতো যুগৰ লগে লগে অসমীয়া ভাষাত গদ্য, পদ্য আদিৰ সম্ভাৰ কম নহয় । আটাইতকৈ আনন্দৰ বিষয় এয়ে যে আহোম যুগৰে পৰা অসমৰ ঐতিহাসিক ঘটনাবোৰৰ বিতং বিৱৰণৰ সংৰক্ষণৰ প্ৰতি তেতিয়াৰ কবি আৰু লিখকসকলে পৃষ্ঠপোষকতা লাভ কৰিছিল । ইয়াৰ ফলতেই এফালে ঐতিহাসিক তথ্যৰ সংৰক্ষণ আৰু আনফালে অসমীয়া ভাষাৰ প্ৰাচীনতা সূচীত হৈছে । প্ৰান্তীয় ভাষাবোৰৰ ভিতৰত অসমীয়া ভাষাৰ দৰে এনেকুৱা ঐতিহ্যৰ গৌৰৱৰ দাবী যথেষ্ট কম সংখ্যক ভাষাইহে কৰিব পাৰে । অসমীয়া ভাষাত ৰচিত 'অসম বুৰঞ্জী', 'কামৰূপৰ বুৰঞ্জী', 'দেউধাই অসম বুৰঞ্জী', 'তুংখুঙীয়া বুৰঞ্জী', 'অসমৰ পদ্য বুৰঞ্জী', 'কছাৰী বুৰঞ্জী', 'জয়মতী বুৰঞ্জী' আৰু 'ত্ৰিপুৰা বুৰঞ্জী' আদি গ্ৰন্থ অসমীয়া ভাষাৰ সাহিত্য কানন উজ্বল কৰিছে । বুৰঞ্জীবোৰত ভাষাৰ বিৱৰ্তন, সামাজিক ৰীতি-নীতি, ৰাজনীতি, চুবুৰীয়া ৰাজ্যৰ লগত তাহানিৰ অসমৰ সম্পৰ্ক আদিৰ বিস্তৃত আলোচনাৰ দুৱাৰ প্ৰশস্ত বুলি ক'ব লাগিব । মূল ঘটনাক অক্ষত ৰাখি তাহানিৰ লিখক আৰু কবি সকলে পুথিবোৰ প্ৰণয়ন কৰাৰ বাবেই এই বুৰঞ্জীবোৰৰ পৰা অতীতৰ বহুতো সঠিক তথ্য অৱগত হ'ব পাৰে । অনুসন্ধিৎসু পাঠকে এইবোৰৰ পৰাই পুৰণি অসমৰ বহুতো নতুন বিষয়ত আলোকপাত কৰিব পাৰে বুলি কলেও ভুল নহয় ।






সহায় লোৱা গ্ৰন্থ ঃ

- অসম বুৰঞ্জী – সম্পাদক শ্ৰীসূৰ্য্য কুমাৰ ভূঞা, তৃতীয় সংস্কৰণ ১৯৮৮
- ত্ৰিপুৰা বুৰঞ্জী - Edited by Surya Kumar Bhuyan Second edition 1962.
- তুংখুঙীয়া বুৰঞ্জী - Edited by Surya Kumar Bhuyan Second edition 1964
- অসমৰ পদ্য বুৰঞ্জী - সম্পাদক শ্ৰীসূৰ্য্য কুমাৰ ভূঞা Second edition 1964.


(অসম সাহিত্য সভা পঞ্চাশতম্ বৰ্ষ ৩য় সংখ্যাৰ পৰা সংগৃহীত আৰু পুনৰ মুদ্ৰিত )

# ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দুলীয়াজানৰ অৱদান

–ভূপেন শইকীয়া
জ্যেষ্ঠ প্ৰৱক্তা
বুৰঞ্জী বিভাগ, দুলীয়াজান মহাবিদ্যালয়

ভাৰতৰ স্বাধীনতা আন্দোলনলৈ অসমৰ অৱদান সন্দৰ্ভত এতিয়ালৈকে যি কেইখন গ্ৰন্থ প্ৰকাশ পাইছে, সেইবিলাক গ্ৰন্থই উজনি অসমৰ দুলীয়াজান, তিনিচুকীয়া, নাহৰকটীয়া অঞ্চলক সামৰিব পৰা নাই যেন বোধ হৈছে । লক্ষ্মীনাথ তামুলীদেৱৰ 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান', ড০ ইন্দ্ৰানী বৰুৱাৰ ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসম', বেণুধৰ শৰ্মাৰ 'কংগ্ৰেছৰ কাচিয়লী ৰ'দ আদি গ্ৰন্থত উজনি অসমৰ তথ্য পাবলৈ নাই । বিশিষ্ট সংগ্ৰামী ৰাজনৈতিক নেতা নিবাৰণ বৰা দেৱৰ 'লুকিং বেক' নামৰ গ্ৰন্থখনিত দুলীয়াজান তথা উজনি অসমৰ কিছু তথ্য পোৱা যায় । নিবাৰণ বৰাদেৱৰ 'লুকিং বেংক' নামৰ গ্ৰন্থখনিৰ আঁত ধৰি উল্লেখিত বিষয়টি পোহৰলৈ অনাৰ চেষ্টা কৰিবলৈ লোৱা হৈছে যদিও তথ্য পাতিৰ অভাৱত থমকি ৰ'ব লগা হৈছে । কিছুমান গাঁৱলৈ গৈ সংশ্লিষ্ট মুক্তি যুঁজাৰুৰ পৰিয়ালবৰ্গক লগ ধৰা হৈছিল যদিও পৰিয়ালবৰ্গৰ বহুতে কোনোধৰণৰ লিখিত তথ্য আগবঢ়াব নোৱাৰিলে । অৱশ্যে আমাৰ এই লেখাটি তৎকালীন ভাৱে প্ৰয়োজন হোৱাত যিমানখিনি চৰজমিন তদন্ত কৰিব লাগিছিল সিমানখিনি কৰিব পৰা নহ'ল । কেৱল দুলীয়াজানৰ সমীপৱৰ্ত্তী ইতিহাস প্ৰসিদ্ধ মহ'মাৰী গাঁৱৰ কেইজনমান মুক্তিযুদ্ধাৰ গৃহলৈ গৈ যিখিনি তথ্য সংগ্ৰহ কৰা হ'ল তাৰেই এটি মাত্ৰ জুমুঠি তৈয়াৰ কৰিবলৈ লোৱা হৈছে । ভৱিষ্যতে এই সন্দৰ্ভত এটি পূৰ্ণাঙ্গ গ্ৰন্থ লিখিবৰ বাবে এইখিনিয়ে সহায়ক হ'ব বুলি ভাবিছোঁ ।

উজনিত শিৱসাগৰৰ চাৰিং গাওঁখনৰ স্বাধীনতা আন্দোলনলৈ যিমান অৱদান আছে দুলীয়াজানৰ ওচৰৰ ম'হমাৰী গাওঁখনৰ অৱদানো প্ৰায় সমানেই আছে বুলি ক'ব পাৰি । অসমত সম্ভৱ খুউব কমেই গাওঁ ওলাব য'ত একেটা বাটৰ কাষতে শাৰী পাতি পাঁচজন মুক্তি যুঁজাৰুৰ ঘৰ ওলাব । বোধ হয় ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ ওচৰৰ ম'হমাৰীয়েই একমাত্ৰ গাওঁ য'ত একেটা পথৰ কাষত পাঁচজন স্বাধীনতা সংগ্ৰামীৰ ঘৰ । তেখেতসকল যথাক্ৰমে চেনীৰাম দত্ত, বেণুধৰ দত্ত, দুৰ্গা বৰুৱা, ঋষভ ৰাজখোৱা আৰু ৰামেশ্বৰ তামুলী । ম'হমাৰীৰ কাষৰ কঠালগুৰিত বাসস্থান আছিল মুক্তি যোদ্ধা যদু ভূঞাৰ । ইতিমধ্যে আটাই কেউজনৰেই মৃত্যু হৈছে । স্বাধীনতা আন্দোলনৰ সময়ত কংগ্ৰেছ ভলণ্টিয়াৰ সকলৰ কেন্দ্ৰ আছিল চেনীৰাম দত্ত । তেখেতৰ ঘৰখনেই আন্দোলনকাৰীসকলৰ কাৰ্যালয় । দেশৰ বিভিন্ন বা-বাতৰি চেনীৰাম দত্তৰ ঘৰলৈ গ'লেই পায় ।





নাইবা আন্দোলনৰ বিভিন্ন কৰ্মসূচী দত্তদেৱৰ ঘৰতে তৈয়াৰ কৰা হয় । অকল সিমানেই নহয় ১৯৫৮ চনৰ তেল শোধনাগাৰ আন্দোলনটো ম'হমাৰী গাঁৱৰ যথেষ্ট ভূমিকা আছে ।

মানৰ আক্ৰমণৰ পাছত দুলীয়াজান আৰু ইয়াৰ সমীপৱৰ্তী গাওঁ সমূহ জনশূন্য হৈ পৰিল, 'জালনী' নামৰ গাওঁখনেই ইয়াৰ জ্বলন্ত উদাহৰণ । মানৰ আক্ৰমণৰ বহু বছৰৰ পাছত অন্ন, বস্ত্ৰ সংস্থাপনৰ বাবে শিৱসাগৰ, লক্ষীমপুৰ জিলাৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহি এই অঞ্চলত গাওঁ পাতি বসবাস কৰিলেহি । ম'হমাৰী গাওঁখনো তেনেদৰে বিভিন্ন ঠাইৰ পৰা মানুহ আহি প্ৰতিষ্ঠা কৰি ঐক্য আৰু সংহতিৰে জাতীয় আন্দোলন সমূহত সক্ৰিয় অংশ গ্ৰহণ কৰাই নহয় অসমৰ সাংস্কৃতিক জগতলৈও এইখন গাঁৱৰ আছে অপৰিসীম অৱদান । দিপ্তী পুথিভঁৰাল, কেন্দ্ৰীয় নামঘৰ ইয়াৰ জ্বলন্ত উদাহৰণ । মেৰবিল মাজুলী, মেৰবিল পাভজান, পাভজান ১নং চলাকটকী গাঁৱৰ একাংশ, জাগুন চৰকাৰী ৰাজহ গাওঁ যদিও সৰ্বসাধাৰণতে ম'হমাৰী বুলি ক'লে এই কেইখন গাঁৱকে সামৰা হয় । বৰ্তমান বুঢ়ীদিহিঙৰ কাষে কাষে প্ৰায় ৪ কিঃ মিঃ দৈৰ্ঘ্য সাঙুৰি এক বিস্তৃত অঞ্চল ম'হমাৰী। মাটিৰ সন্ধানত এই গাঁৱৰ আৱিষ্কাৰক হিচাপে আহিছিল প্ৰথমে টেঙাখাতৰ পৰা স্বৰ্গীয় তীৰ্থনাথ শৰ্মা বৰঠাকুৰ আৰু মাধৰাম কলিতা । বাঘ, ঘোঙৰ পৰা ৰক্ষা পাবৰ নিমিত্তে তেওঁলোক গছৰ ওপৰত থাকিবলগীয়া হৈছিল । ইয়াৰ পাছত ক্ৰমান্বয়ে স্বৰ্গীয় লা মন তামুলী, স্বৰ্গীয় নবীন তামুলী, স্বৰ্গীয় নেপুৰ দত্ত, স্বৰ্গীয় যদু তামুলী, স্বৰ্গীয় মুহিধৰ চুতীয়া, স্বৰ্গীয় লক্ষেশ্বৰ দত্ত, স্বৰ্গীয় ঘন তামুলী, স্বৰ্গীয় মিঠাৰাম তামুলী, স্বৰ্গীয় লাচি তামুলী, স্বৰ্গীয় পাচি তামুলী, স্বৰ্গীয় মখনা ঠিকাদাৰ আদি আৰু শিৱসাগৰৰ পৰা স্বৰ্গীয় ভূৱন ভূঞা, স্বৰ্গীয় ভূৱন হাজৰিকা, স্বৰ্গীয় দেবেন হাজৰিকা, স্বৰ্গীয় পদৰাম হাজৰিকা আদি আহি গাওঁখন ভৰি পৰিলহি । ক্ৰমান্বয়ে ডিব্ৰুগড়, লক্ষীমপুৰ, নামৰূপৰ বিভিন্ন ঠাইৰ লোক আহি নিগাজীকৈ বসবাস কৰিবলৈ লয় ।[১] শিৱসাগৰ ঢুলীয়াপাৰ দিচিয়াল গাঁৱৰ পৰা স্বাধীনতা সংগ্ৰামী ভাৰত চৰকাৰৰ তাম্ৰপত্ৰ প্ৰাপ্ত স্বৰ্গীয় চেনীৰাম দত্তদেৱৰ পৰিয়ালটি সম্ভৱত ১৯৩০ চনত মানত থিতাপি ললেহি । ম'হমাৰী গাওঁখনৰ নামকৰণ সন্দৰ্ভত কিছুমান মুখে মুখে বাগৰি অহা কাহিনী জড়িত আছে । এই অঞ্চলৰ হাবিত মৌ পোৱাৰ কাৰণে মৌমাৰী বা ম'হমাৰী হ'ল বুলি কয় । আন এক তথ্য মতে ইয়াত বনৰীয়া ম'হ আছিল । পাচিৰাম তামুলী নামে এজন লোকে হাবি ভাঙি খেতি কৰি থাকোতে বনৰীয়া ম'হৰ লগত যুদ্ধ হয় । যুদ্ধত ম'হ আৰু মানুহ দুয়োৰে মৃত্যু হয় । ফলত ঠাই ডোখৰৰ নাম ম'হমাৰী হয় ।[২]

অসমৰ অন্যান্য ঠাইৰ দৰে উজনি অসমতো শঙ্কৰ বৰুৱাৰ নেতৃত্বত স্বাধীনতা আন্দোলন তীব্ৰ গতিত আগবাঢ়িছিল । মুক্তিযোদ্ধা চেনীৰাম দত্তৰ ঘৰখনি আন্দোলনৰ কেন্দ্ৰ স্থল হৈ পৰিছিল । নাহৰকটীয়াৰ ভদ্ৰকান্ত গগৈ, টিংখাঙৰ ভদ্ৰেশ্বৰ গগৈ, অম্বিকা কুঁৱৰী গোহাঁই, কঠালগুৰিৰ যদু ভূঞা, ডিগবৈৰ দলবীৰ সিং, তিনিচুকীয়াৰ পৰশু দত্ত, কোটোহাৰ গুণা গান্ধী, কলৌলোৱাৰ মতি প্ৰসাদ শইকীয়া আদিৰ আলোচনাৰ ঘৰখন আছিল ম'হমাৰীৰ চেনীৰাম দত্তৰ বাসগৃহটি । বিশিষ্ট সংগ্ৰামী নেতা নিবাৰণ বৰাদেৱে ম'হমাৰীৰ চেনীৰাম দত্তৰ ঘৰলৈ বহুবাৰ অহাৰ কথা পোৱা যায় । নাহৰকটীয়াৰ পৰা ১৪ মাইল দূৰৰ টিংখাং তিনিআলি চাহ বাগিচাৰ বনুৱা

ধৰ্মঘটৰ সন্দৰ্ভত শঙ্কৰ বৰুৱা, বিষ্ণুৰাম মেধি ডাঙৰীয়াও আহিব লগা হৈছিল । নিবাৰণ বৰা, ভদ্ৰকান্ত গগৈ, ভদ্ৰেশ্বৰ গগৈ, চেনীৰাম দত্ত আদিয়ে এই ধৰ্মঘটত অংশ গ্ৰহণ কৰিছিল । এই ধৰ্মঘটৰ প্ৰধান দাবী কেইটা আছিল কামৰ নিৰিখ বঢ়াই দিয়া ৩০ নলৰ পৰা ৪০ নললৈ, পযেক দিনৰ ধান জোখতকৈ কম দিয়া হৈছিল । উপেন বিৰচাৰ নেতৃত্বত বনুৱা সকলে ধৰ্মঘট চলাই গৈছিল । বনুৱা সকলে বেচনৰ অভাৱত কচু ঢেকীয়া খাবগৈ লগীয়া হৈছিল গৈ । ভদ্ৰেশ্বৰ গগৈৰ নেতৃত্বত ওচৰৰ গাওঁ সমূহৰ পৰা ধান সংগ্ৰহ কৰি বাগানৰ পৰিয়ালৰ মাজত বিতৰণ কৰা হৈছিল । জিলা কংগ্ৰেছ কমিটিৰ সভাপতি জীৱনৰাম ফুকনে ধৰ্মঘট প্ৰত্যাহাৰ কৰিবলৈ লিখা চিঠি আন্দোলনকাৰীয়ে গ্ৰহণ নকৰিলে যদিও শেষত সিদ্ধান্ত হ'ল কামৰ নিৰিখ ৩০ নল কৰা হ'ল আৰু ধানৰ জোখ [illegible]য়া হ'ল । লগতে ধৰ্মঘটৰ কেইদিনৰ দৰমহা আদায় দিয়াৰ ব্যৱস্থা কৰা হ'ল।৩

শিৱসাগৰৰ চাৰিঙৰ দৰে উজনিৰ দুলীয়াজানৰ সমীপৱৰ্তী ম'হমাৰী গাওঁখনি জাতীয় আন্দোলনৰ কেন্দ্ৰ ভূমি আছিল । মহামানৱ মহাত্মা গান্ধীৰ আহ্বানক্ৰমে উজনিত মাদকদ্ৰব্য নিবাৰণ, খাদী বস্ত্ৰ প্ৰচলন, কুটিৰ শিল্প আৰু গ্ৰাম্য জনস্বাস্থ্য উন্নয়ন, সাম্প্ৰদায়িক সম্প্ৰীতি, অস্পৃশ্যতা বৰ্জন, বুনিয়াদী শিক্ষা, নিৰক্ষৰতা দূৰীকৰণ, মহিলা, কৃষক, বনুৱা আদিবাসী ছাত্ৰ সংগঠন, ৰাষ্ট্ৰভাষা প্ৰচলন, নিৰক্ষৰতা দূৰীকৰণ আদিৰ বাবে চেনীৰাম দত্তৰ নেতৃত্বত কংগ্ৰেছ ভলণ্টিয়াৰ সকলে যথোপযুক্ত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছিল । তাম্ৰপত্ৰ প্ৰাপ্ত মুক্তিযোদ্ধা চেনীৰাম দত্তৰ মূল নীতি আছিল নীতিবিহীন ৰাজনীতিৰ পৰা আঁতৰত থকা, কৰ্মবিহীন সম্পত্তিৰ বাঞ্ছা নকৰা, বিবেকবিহীন আনন্দত উৎফুল্ল নোহোৱা, চৰিত্ৰবিহীন জ্ঞানৰ মূল্য নোহোৱা, সততা বিহীন বাণিজ্যলৈ মন নেমেলা, মানৱতাবিহীন বিজ্ঞানক ঘৃণা কৰা, ত্যাগবিহীন পূজাৰ অসাৰ্থকতা । ৪ এইগৰাকী মুক্তিযোদ্ধাক ভাৰত চৰকাৰে ১৯৭২ চনৰ ১৫ আগষ্টত তেখেতক ত্যাগৰ স্বীকৃতি হিচাপে তাম্ৰপত্ৰ প্ৰদানেৰে সন্মান জনাইছিল । তেখেতৰ লগতে যথাক্ৰমে বেণুধৰ দত্ত, দুৰ্গা বৰুৱা, ঋষভ ৰাজখোৱা মুক্তিযোদ্ধা হিচাপে তাম্ৰপত্ৰ সহ স্বীকৃতি লাভ কৰে । পাছত ৰামেশ্বৰ তামুলীয়ে মুক্তিযোদ্ধা হিচাপে স্বীকৃতি লাভ কৰে । ম'হমাৰী কাষতে কঠালগুৰিৰ মুক্তিযোদ্ধা যদু ভূএগ্ৰাৰ অৱদানো কোনো গুণে কম নহয় । তিনিচুকীয়াক কেন্দ্ৰ কৰি উজনি অসমত সংগ্ৰামী সোঁত বোৱাই নিয়াত যদু ভূএগ্ৰাৰ যথেষ্ট ভূমিকা আছে । বিশেষকৈ কানিৰ দোকান বন্ধ কৰা, বিদেশী বস্তু বৰ্জন কৰা, নিৰক্ষৰতা দূৰ কৰা আদি কংগ্ৰেছৰ কাৰ্যসূচী সফল ৰূপায়ণত ভূএগ্ৰাদেৰে অগ্ৰণী ভূমিকা লৈছিল । দুলীয়াজানস্থ আনগৰাকী মুক্তি যোদ্ধা হ'ল ভৰত বৰুৱা । বৰুৱাদেৱে চাৰিং অঞ্চলৰ পৰা আন্দোলনত অংশ গ্ৰহণ কৰিছিল । ব্ৰিটিছৰ বিৰুদ্ধে কৰা বিভিন্ন অপৰাধমূলক কাৰ্যৰ বাবে সহযোগী গণেশ হাজৰিকা সহ ১৯৪৩ চনৰ ৮আগষ্ট তাৰিখে পলাতক অৱস্থাত পুলিচে আটক কৰে আৰু ৩ মাহ ১৫ দিন জেল খাটিব লগা হয়। ১৯৬৪-৬৫ চন মানত তেখেত দুলীয়াজানলৈ আহে আৰু দুলীয়াজান জয়ানগৰৰ স্থায়ী বাসিন্দা হৈ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ পৰে । তেখেতে দুলীয়াজানত এখনি গান্ধী উদ্যান প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল যদিও তেখেতৰ মনৰ কামনা পূৰ্ণ নহ'ল । ২০০০ চনৰ ২৭ জানুৱাৰীত তেখেতে ইহলীলা সম্বৰণ কৰে । ৫





ভাৰতৰ জাতীয় আন্দোলনলৈ ম'হমাৰী তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ বৰঙণি যথেষ্ট আছে । মুক্তিযোদ্ধা চেনীৰাম দত্তদেৱৰ বিষয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰা, ৰাজনীতিবিদ নিবাৰণ বৰাদেৱে বাতৰি কাকতত তেখেতসকলৰ কিছু অতীত স্মৃতি ৰোমন্থন কৰাৰ বাহিৰে পদ্ধতিগতভাৱে অধ্যয়ন হোৱা নাই । এতিয়ালৈকে প্ৰকাশিত ভাৰতীয় জাতীয় আন্দোলনলৈ অসমৰ অৱদান শীৰ্ষক গ্ৰন্থসমূহতো এই অঞ্চলক সামৰিব পৰা নাই বুলি ধাৰণা হৈছে । ১৯৫৮ চনৰ তেল শোধনাগাৰ আন্দোলন সন্দৰ্ভত কৰা নিবাৰণ বৰাদেৱৰ মন্তব্যৰে সামৰণি মাৰিব বিচাৰিছোঁ— '১৯৫৮ চনৰ তেল শোধনাগাৰ আন্দোলনৰ আন এটা আৰু মুখ্য কেন্দ্ৰ আছিল ম'হমাৰী গাওঁ । সত্যাগ্ৰহীৰ শিবিৰ তেতিয়া ম'হমাৰী গাঁৱত । চেনীৰাম দত্ত কেন্দ্ৰ বিন্দু । ম'হমাৰীৰ পৰা হীৰা শইকীয়াহঁতৰ দৰে ছোৱালীয়ে দুমাইল বাট খোজ কাঢ়ি সত্যাগ্ৰহী সকলক লৈ গৈছিল শ্ল'গান দি— "অসমে বিচাৰে শিল্পত সম্প্ৰসাৰণ ব্যৰ্থ হক নেহৰুৰ হীন আচৰণ ।" সেই ম'হমাৰী, সেই চেনীৰাম দত্ত, সেই হীৰা শইকীয়া অসমৰ ৰাজনৈতিক ইতিহাসৰ মূল চৰিত্ৰৰ ভিতৰৰ কিন্তু স্বীকৃত নহয় । যিটো দোষত অসমত অসমীয়াৰ ৰাজনীতিৰ গতি নিৰ্ণয় নহ'ল। হীৰা শইকীয়াও জেললৈ গৈছিল নুনমাটিৰ শোধনাগাৰটো স্থাপনৰ বাবে তিনিমাহৰ বাবে, বিমলি গগৈ আৰু তৰু ফুকনৰ লগত ২০০ গৰাকী গাভৰু সত্যাগ্ৰহীৰ সৈতে । গুৱাহাটীৰ নুনমাটিত শোধনাগাৰ স্থাপন হ'ল । চেনীৰাম দত্ত, হীৰা শইকীয়া, বিমলি গগৈ, তৰু ফুকন ভেটিৰ তলৰ ইটা হৈয়ে ৰ'ল । সেই ইতিহাস লেখা নহ'ল । সেইকথা স্মৰণ কৰাও নহ'ল ।'

**আলোচিত তথ্যপাতি, গ্ৰন্থ, আলোচনী ঃ**


১। অতীতৰ ম'হমাৰী অঞ্চলৰ সাংস্কৃতিক পথাৰত এভুমুকি, দুলীয়াজান/ ১৯৯৫

২। প্ৰজ্ঞাজ্যোতি, প্ৰথম সংখ্যা, দুলীয়াজান মহাবিদ্যালয়/ ২০০০

৩। 'লুকিং বেক' লেখক– নিবাৰণ বৰা, গুৱাহাটী/ ১৯৮৭

৪। 'স্মৃতি তৰ্পণ' ভৰত বৰুৱা, দুলীয়াজান/ ১৯৮৯

৫। 'প্ৰবীণ মুক্তিযোদ্ধা, সাংবাদিক, সমাজসেৱক, শিক্ষক, ভৰত বৰুৱাৰ সোঁৱৰণ', দুলীয়াজান /২০০০

৬। 'শ্ৰদ্ধাঞ্জলি' প্ৰয়াত ঋষভ ৰাজখোৱাৰ সোঁৱৰণত, ম'হমাৰী / ১৯৯৬

# ভাৰতীয় বিজ্ঞানৰ ঐতিহাসিক বিশ্লেষণ

–সৰোজিনী দেৱী গোহাঁই

মুৰব্বী অধ্যাপিকা, বুৰঞ্জী বিভাগ

আ[illegible] যুগত মানৱ সমাজ বিভিন্ন ধৰণৰ বৈজ্ঞানিক অৱদানৰ ওপৰত ইমানেই নির্ভৰশীল হৈ পৰিল যে বিজ্ঞান আবহনে মানুহ পঙ্গুত্বৰ পথলৈ আগবাঢ়ি গৈছে । কেল্‌কুলেটৰ কম্পিউটাৰে মানুহৰ মগজুৰ কামৰ বোজা হ্রাস কৰিছে । ৰবট এতিয়া সকলোৰে পৰিচিত নাম, অদূৰ ভৱিষ্যতত হয়তো ৰবটৰ জৰিয়তে কঠিন কামসমূহ সম্পন্ন কৰিবলগীয়া হ'ব পাৰে । আজিৰ বিজ্ঞানীসকল ব্যস্ত হৈ আছে সৌৰজগতৰ অন্যান্য গ্রহ-নক্ষত্রত পৃথিৱীৰ দৰে সংস্থাপিত হ'বলৈ । মঙ্গল গ্ৰহৰ ওচৰ চাপি গৈছে ; চেষ্টা কৰিছে চন্দ্ৰৰ কলঙ্গ মোচন কৰিবলৈ । নতুন জীৱকোষৰ সৃষ্টি, বাৰ্দ্ধক্য জয় কৰা গৱেষণা, কৃত্রিমভাৱে মানুহৰ জন্ম দিয়া আদিত ব্যস্ত বিজ্ঞানীসকল । ইংলণ্ডৰ বিখ্যাত লিখক H.G.Wells ৰ লিখিত After Hundred Years নামৰ গ্ৰন্থখনিত ভৱিষ্যত মানৱ জাতিৰ এক সম্ভাৱ্য অভিনৱ চিত্ৰ দাঙি ধৰাৰ প্ৰয়াস কৰিছে ।

বৈদিক যুগৰ পৰাই ভাৰতত বিজ্ঞান চৰ্চাৰ উমান পোৱা যায় । গুপ্ত যুগৰ বিজ্ঞান চৰ্চা ভাৰতৰ ইতিহাসৰ এক গৌৰৱময় অধ্যায় । এই যুগৰ আৰ্য্যভট্টক ইতিহাসে একাধাৰে এগৰাকী অঙ্ক শাত্ৰ আৰু জ্যোতিষ শাস্ত্ৰৰ গুৰু বুলি স্বীকৃতি দিছে । তেওঁৰ জ্ঞানৰ পৰিধি জ্যামিতি এলজেব্ৰাৰ উপৰিও সূৰ্য্য গ্ৰহণ আৰু চন্দ্ৰগ্ৰহণৰ বিশ্লেষণ পৰ্য্যন্ত বিস্তৃত আছিল । এই যুগৰ ব্ৰহ্মগুপ্তই নিউটনতকৈ আগতে মাধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰক আছিল । পদাৰ্থ বিজ্ঞান, ৰসায়ন শাস্ত্ৰ আৰু জ্যোতিষ শাস্ত্ৰত ব্যুৎপত্তি থকা আন এজন পণ্ডিত হৈছে বৰাহমিহিৰ । অৱশ্যে সৌৰজগত সম্বন্ধে তেওঁৰ ভ্ৰান্ত ধাৰণা আছিল যে সূৰ্য্য আৰু সৌৰজগতৰ আন গ্ৰহ, উপগ্ৰহ বিলাকে পৃথিৱীৰ চাৰিওফালে ঘূৰে। বৃহৎ সংহিতা তেওঁৰ অন্যতম ৰচনা । আন এজন ভাৰতীয় বিজ্ঞানী ব্ৰহ্মগুপ্তই (৫৯৮ খৃঃ) শূন্য আৰু লগতে যোগ-বিয়োগ পূৰণ-হৰণ সম্বন্ধে এক ধাৰণা দিছিল । মহাৰাষ্ট্ৰৰ ভাস্কৰাচাৰ্য্যই (১১১৪-১১৮৫) বীজ গণিতৰ ওপৰত দ্বাদশ শতিকাত যি গৱেষণা ভাৰতত কৰিছিল ইউৰোপত তেনে উচ্চ গৱেষণা সপ্তদশ শতিকাতহে আৰম্ভ, হৈছিল । চৰক, সুশ্ৰুত আৰু 'সপ্তায়ুৰ্বেদ' পুথিৰ প্ৰণেতা ধন্বন্তৰী চিকিৎসা বিজ্ঞানৰ বাটকটীয়া । সুশ্ৰুত ভাৰতীয় চিকিৎসা বিজ্ঞানৰ শল্য চিকিৎসা বা অস্ত্ৰোপচাৰৰ বাটকটীয়া আছিল । শিক্ষাৰ কেন্দ্ৰভূমি তক্ষশীলা, নালন্দা বিশ্ববিদ্যালয় আদিত আয়ুৰ্বেদৰ আনুষ্ঠানিক শিক্ষাৰো ব্যৱস্থা আছিল । শৰীৰ মনৰ সুস্থতাৰ বাবে প্ৰাচীন ঋষি মুনিৰ দৰে যোগ, প্ৰাণায়াম, আসন আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছিল । বিজ্ঞানৰ উন্নত মানদণ্ডৰ সহায়ত পৰ্বত কাটি নিৰ্মাণ কৰা গুহা-মন্দিৰ আৰু





লগতে শিল-ইটাৰ সহায়ত নিৰ্মিত অট্টালিকা, দুৰ্গ সমূহ সেই যুগৰ স্থাপত্য শিল্পৰ অন্যতম নিদৰ্শন। পৰৱৰ্তী সময়ত খৃষ্টীয় নৱম শতিকাত নিৰ্মিত কোনাৰকৰ সূৰ্য্য মন্দিৰত তীখাৰ ব্যৱহাৰ তাৎপৰ্য্যপূৰ্ণ । মোগল যুগৰ নিৰ্মাণ কৌশলে সেই সময়ৰ উৎকৃষ্ট কাৰিকৰী জ্ঞানৰ চানেকী দিয়ে । কুটুব মিনাৰৰ স্তম্ভ এতিয়াও অক্ষত অৱস্থাত আছে। আমাৰ অসমতো মধ্য যুগত বিজ্ঞান চৰ্চা অব্যাহত আছিল ; আহোম যুগৰ পুখুৰী নিৰ্মাণৰ কলাকৌশল, নামদাঙৰ শিলৰ সাকোঁৰ অস্তিত্ব তাৰ প্ৰমাণ । সাত মহলীয়া কাৰেংঘৰৰ সৈতে দিখৌ নদীৰ সুৰঙ্গ পথৰ লগত সংযোগ বিজ্ঞান উৎকৰ্ষতাৰ প্ৰমাণ । বৰাচাউল, হাঁহকণী, মাটিমাহ, চূণ, গুড়, বৰালি মাছ সমন্বয়ত প্ৰস্তুত হোৱা আধুনিক চিমেণ্ট বোধকৰো বিশ্বৰ বাকী ঠাইত পাবলৈ নাই । দুৰ্ভাগ্যৰ বিষয় ভাৰতীয় বিজ্ঞানীৰ এনে অগ্ৰগতি সম্বন্ধে পিচৰ যুগত নিজেই পাহৰি পেলালে । ভাৰতৰ বিজ্ঞানৰ জয়যাত্ৰা স্থবিৰ হৈ গ'ল । কু-সংস্কাৰ আৰু অন্ধবিশ্বাসে আগস্থান ল'লে । ভাৰতৰ বেদ, পুৰাণ আদি বহু আপুৰুগীয়া গ্ৰন্থ ফ্ৰান্স, জাৰ্মানী আদি দেশৰ পুথিভঁৰালত আৱদ্ধ হৈ আছে ।

আজি বিজ্ঞান পৃথিৱীৰ প্ৰতিটো কোণ স্পৰ্শ কৰিছে যদিও এইটো অনস্বীকাৰ্য্য যে কুৰি শতিকাৰ মাজ ভাগলৈকে কেৱল ইউৰোপ মহাদেশেই আছিল বিজ্ঞান চৰ্চাৰ ঘাই কেন্দ্ৰ । নৱজাগৰণৰ সময়ছোৱাত ইউৰোপৰ ভিতৰত জাৰ্মান জাতিয়ে সকলো দিশতে সৰ্বশ্ৰেষ্ঠতাৰ পৰিচয় দিছিল । স্পেইন, ফ্ৰান্স, ইংলণ্ড আদি অন্যান্য ইউৰোপীয় দেশ সমূহ তীব্ৰ প্ৰতিযোগিতাত নামি বিজ্ঞানৰ জয়যাত্ৰা অব্যাহত ৰাখিছিল কিন্তু আশ্চৰ্য্যৰ বিষয় যে প্ৰাচীন সভ্যতাৰ কেন্দ্ৰ ভূমি ভাৰতবৰ্ষ, মিচৰ, গ্ৰীচ আদি দেশ বিজ্ঞান বিষয়ত বহুত পিচ পৰি আছিল । আন নালাগে ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত ভাৰতত প্ৰৱৰ্তন কৰা ৰেল-পথৰ প্ৰচলন, টেলিফোনৰ প্ৰচলন, বন্দুক-কাৰ্টিজৰ ব্যৱহাৰ আদি ঘটনা ভাৰতীয় ৰক্ষণশীল সমাজে ধৰ্মান্তৰিত কৰাৰ প্ৰস্তুতি বুলি সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল । প্ৰথম মহাসমৰত জাৰ্মানীৰ দ্বাৰা বিজ্ঞানৰ অভিনৱ আৱিষ্কাৰ আকাশ মাৰ্গৰ এৰোপ্লেন আৰু পানীৰ তলত চাবমেৰিণৰ ব্যৱহাৰে যুদ্ধৰ ভয়াবহতা বৃদ্ধি কৰিছিল বুলিলেও অত্যুক্তি কৰা নহয় । দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত পৃথিৱী ধ্বংস কৰিব পৰা আনবিক শক্তিৰ ব্যৱহাৰে মানৱ জাতিৰ মানৱীয় প্ৰমূল্য নাশ কৰিবলৈ উদ্যত হোৱা বুলি ক'ব পাৰি । ইউৰোপৰ এনে চৰম উন্নতিৰ মূল পথ-প্ৰদৰ্শক কোন ? নিসন্দেহে ভাৰতবৰ্ষ ; ইতিহাসে তাকেই কয়। আমাৰ ধাৰণা যে এনে মন্তব্যত যথেষ্ট সত্যতা নিহিত হৈ আছে ।

ভাৰতৰ বৈদিক যুগত প্ৰণয়ন কৰা বেদ-পুৰাণ আদি ভাৰতীয় সভ্যতাৰ একোখন সুবৃহৎ ইতিহাস । ধৰ্ম-অধৰ্ম, ন্যায়-অন্যায়ক সাৰথি কৰি ৰাজত্ব কৰা সেই কালৰ ৰজা-মহাৰজাৰ বিৱৰণ, প্ৰজাৰ ৰাজভক্তি আৰু সেই সময়ৰ যুদ্ধ সমূহৰ বিৱৰণৰ পৰা সেই যুগৰ অধিবাসীৰ বিজ্ঞান-চৰ্চা সম্বন্ধে জানিব পাৰি । Max Muller ৰ মতে আৰ্যসকলে উত্তৰ ভাৰতৰ নদী-উপত্যাকা অঞ্চলত থিতাপি লোৱাৰ সময়ত পূৰ্বৰে পৰা বসবাস কৰি থকা অনাৰ্য্যসকলৰ সৈতে সংঘৰ্ষত লিপ্ত হ'ব লগা হৈছিল । পৰবৰ্তী কালতো দক্ষিণলৈ খেদা খোৱা অনাৰ্য্যসকলৰ সৈতে ছেগা-চোৰোকাকৈ যুদ্ধ লাগিয়েই আছিল । তেনে এখন যুদ্ধৰ বিৱৰণৰ কাহিনী হৈছে ৰামায়ণ । অৱশ্যে আৰ্য্যসকলৰ জনসংখ্যা বৃদ্ধিৰ ফলত তেওঁলোকৰ নিজৰ মাজতো শক্তি প্ৰতিষ্ঠাৰ বাবে যুদ্ধত লিপ্ত হ'ব লগা

হৈছিল ; তেনে এখন গৃহ যুদ্ধৰ বিৱৰণ হৈছে মহাভাৰত । ৰামায়ণ আৰু মহাভাৰতৰ যুদ্ধত ব্যৱহাৰ হোৱা অস্ত্র-শস্ত্র, যান-বাহন, যুদ্ধ পৰিচালনা কৰা ৰীতি আদিয়ে সেই যুগত বিজ্ঞান সম্বন্ধে এক বিস্তৃত বিৱৰণ দাঙি ধৰে যি বিজ্ঞান আজিৰ বিজ্ঞানতকৈ বহুত উন্নত । তেতিয়াৰ মানুহৰ (এতিয়াও কিছুমানৰ) ধাৰণা— অলৌকিক শক্তি বা যাদু-বিদ্যাৰ প্ৰভাৱত এনে যুদ্ধ সম্ভৱ। এই ধাৰণা যে ভ্ৰান্ত বৰ্তমান যুগৰ বৈজ্ঞানিক আৱিষ্কাৰবিলাকে প্ৰমাণ কৰে । উদাহৰণ স্বৰূপে আমি আমাৰ যাতায়তৰ অন্যতম সঙ্গী আকাশী যানবোৰ ৰামায়ণৰ যুগত ৰাৱণৰ সীতাক হৰণ কৰি নিয়া পুষ্পক ৰথ লৈ মনত পেলাই নিদিয়েনে ? নাইবা মেঘনাদে মেঘৰ আঁৰত লুকাই কৰা ৰণ কৌশল আজিৰ বিমান যুদ্ধ নহয় নে ? হাওৰাৰ দলং, টেমচ নদীৰ সুৰঙ্গ নল, সুগ্ৰীৱ, হনুমান আদি অনাৰ্য্যৰ দ্বাৰা ল[illegible] (বৰ্তমানৰ সিংহল) নিৰ্মাণ কৰা সেতু বন্ধনৰ সৈতে একেই । বৰ্তমান যুগত এটম বোমা, হাইড্ৰজেন বোমা আদিৰ ধ্বংসকাৰী ক্ষমতাৰ আগত বিশ্বপ্ৰলয় ঘটোৱা পাশুপাত অস্ত্ৰ, ব্ৰহ্মাস্ত্ৰ বা আগ্নেয়াস্ত্ৰৰ কাৰ্য্য শক্তি একেই নহয় নে ? ৰামায়ণৰ অনাৰ্য্য চিকিৎসক নল, আৰ্য্যযুগৰ চিকিৎসক সুশ্ৰুত আদিৰ চিকিৎসা আৰু আজিৰ আধুনিক যুগৰ চিকিৎসকৰ একো পাৰ্থক্য নাই । হনুমানে দাঙি নিয়া হিমালয়ৰ পাদ দেশৰ বনদৰৱৰ ব্যৱহাৰ ভাৰতবৰ্ষত চলি আছে । মহাভাৰতৰ হস্তিনাপুৰত যুধিষ্ঠিৰৰ ৰাজ অট্টালিকা চিকমিকনি আৰু মোগল যুগৰ চাহজাহান নিৰ্মিত আগ্ৰাৰ তাজমহলৰ উজ্বলতাৰ মাজত কোনো প্ৰভেদ নাই । ইয়াৰ পৰা স্পষ্ট হৈ পৰে যে বৈদিক যুগৰ আৰ্য্যসকল আৰু তাৰ আগৰ অনাৰ্য্যসকলৰ দিনতো উন্নত বিজ্ঞান চৰ্চাৰ পৰিবেশ আছিল । আৰ্য্যজাতিৰ ৰামচন্দ্ৰ দণ্ডকাৰণ্যত (বৰ্তমানৰ বীৰাপ্পানৰ বিচৰণ ভূমি) বনবাসত থকা অৱস্থাত লঙ্কাৰ অনাৰ্য্য জাতিৰ ৰজা (ৰাক্ষস জাতিৰ) ৰাৱণে ৰামৰ পত্নীক অপহৰণ কৰাৰ প্ৰতিশোধ ল'বলৈ সুগ্ৰীৱ, হনুমান (বান্দৰ, ভালুক) আদি অনাৰ্য্য ৰজাৰ সহযোগত বৰ্তমানৰ ৰামেশ্বৰমৰ পৰা লঙ্কালৈ দলং নিৰ্মাণ সেই সময়ৰ বিজ্ঞানৰ এক অপূৰ্ব কৌশল । মহাভাৰতৰ যুদ্ধ আৰ্য্য জাতিৰ এটা পৰিয়ালৰ পাৰিবাৰিক গৃহকন্দলৰ ফল ; এই যুদ্ধত ব্যৱহৃত বীৰ অৰ্জুন, কৰ্ণ, অশ্বথমা, দ্ৰোণ প্ৰভৃতিয়ে ব্যৱহাৰ কৰা অস্ত্ৰৰ ধ্বংসলীলাই এটা জাতিক নিঃশেষ কৰি দিলে । ভাৰতত আৰ্য্যসকল ধনে জনে দুৰ্বল হৈ পৰাত হয়তো স্থবিৰ হৈ পৰিল ভাৰতৰ বিজ্ঞানৰ জয়যাত্ৰা । মহাকাব্য যুগৰ ঐতিহাসিক ঘটনাৰাজিৰ ৰাজনৈতিক দৃষ্টিভঙ্গী এনে ধৰণৰ বুলি ধাৰণা কৰিলেও অত্যুক্তি কৰা নহ'ব । ভাৰতীয়ই পাহৰি পেলালে নিজৰ ঐতিহ্য । উত্তৰ পাৰত হিন্দু আধিপত্য ম্লান হৈ পৰিল বৰ্দ্ধন বংশৰ পৰবৰ্তী সময়ছোৱাত ; বিদেশী আধিপত্যই ভাৰতৰ আকাশ ছানি ধৰিলে ; জ্ঞান-বিজ্ঞানৰ চৰ্চা কিছুদিনলৈ স্থবিৰ হৈ গ'ল । (ভাৰতীয় নৱজাগৰণৰ সময়ছোৱাত জন-চেতনা জাগৃত হোৱাতহে পুনৰ বিজ্ঞানে গা কৰি উঠিছিল ।) তাৰ বিপৰীতে পশ্চিমৰ ইউৰোপীয় দেশ সমূহে বিজ্ঞানক লৈয়েই ব্যস্ত হৈ পৰিছিল । সেই দেশৰ আৱিষ্কাৰৰ স্পৃহাই জন্ম দিছিল শিল্প বিপ্লৱৰ । আনহাতে কু-সংস্কাৰ, ধৰ্মান্ধতা আৰু অন্ধবিশ্বাসে মেৰিয়াই ধৰিছিল ভাৰতীয়ক। সৌ সিদিনা ১৮৫৮ খৃঃৰ পিচত, ভাৰতত বৃটিছ শাসন আৰম্ভ হোৱাৰ পৰবৰ্তী সময়ত কিছু ভাৰতীয় সমাজ সংস্কাৰৰ সহযোগত ভাৰতত পশ্চিমীয়া শিক্ষা-পদ্ধতিৰ প্ৰচলনৰ ফলত পুনৰ বিজ্ঞান চৰ্চা আৰম্ভ হয় । ফলত ভাৰতীয় বিজ্ঞানী আৰু তেওঁলোকৰ আৱিষ্কাৰ সমূহে আন্তৰ্জাতিক স্বীকৃতি





পাবলৈ সক্ষম হ'ল । ভাৰতৰ বিজ্ঞানৰ অগ্ৰগতিত জৱাহৰলাল নেহৰুৰ অৱদানৰ তুলনা নাই । মহাকাশ গৱেষণাতো ভাৰত পিচ পৰি থকা নাই । মহাকাশলৈ ৰকেট নিক্ষেপণ কাৰ্য্যত ৰাছিয়া, আমেৰিকা আদি দেশৰ সৈতে সমানে খোজ মিলাবলৈ সক্ষম হ'ল । ১৯৬৩ চনৰ পৰা বৰ্তমানলৈ ৰোহিনী আৰ্য্যভট্ট, ভাস্কৰ-১, ভাস্কৰ-২, ইনচাট আদি কৃত্ৰিম উপগ্ৰহ নিক্ষেপণ কৰাৰ উপৰিও ৰাছিয়াৰ সহযোগত স্কোৱাৰ্ডন লীডাৰ ৰাকেশ শৰ্মাই মহাকাশত পৰিভ্ৰমণ কৰাৰ গৌৰৱ অৰ্জন কৰিছে (ৰামায়ণ-মহাভাৰতৰ বীৰসকলৰ দৰে) । কল্পনা চাওলা আজি বিশ্বৰ চিনাকী নাম । ঊনবিংশ শতিকাৰ শেষভাগৰ বিজ্ঞান জগতলৈ বৰঙণি যোগোৱা জগদীশ বসু, প্ৰফুল্ল চন্দ্ৰ ৰায়, ৰামানুজন, চন্দ্ৰ শেখৰ, ভেকটকমন, বীৰবল চাহনী, মেঘনাদ সাহা, হোমি জাহাঙ্গীৰ ভাবা বিক্ৰম চাৰাভাই, হৰগোবিন্দ খোৰানা বিশ্বৰ নমস্য ব্যক্তি । বৰ্তমানৰ ভাৰতৰ ৰাষ্ট্ৰপতি এ পি জে কালাম বিশ্বৰ এজন প্ৰখ্যাত আনৱিক বিশেষজ্ঞ ।

এতিয়া বিজ্ঞান এডাল ডাঙৰ বটবৃক্ষ, অসংখ্য ঠাল-ঠেঙুলি । আমাক আশ্ৰয় প্ৰদান কৰে, নিৰাপত্তা দিয়ে, কিন্তু তাৰ ধ্বংসকামী শক্তিও কম নহয়, মুহূৰ্ত্ততে পৃথিৱী নামৰ গ্ৰহটো অস্তিত্বহীন কৰি দিব পাৰে । ৰক্ষা কৰাটো জীৱশ্ৰেষ্ঠ মানুহৰ দায়িত্ব । মহাভাৰতৰ যুদ্ধৰ অন্তত পাণ্ডৱে জয়ী হৈ দেখিছিল ধ্বংসৰ প্ৰকোপ, এখন জনশূন্য দেশ। পাণ্ডৱে তেনে জয় বিচাৰিছিল নে ? দ্বিতীয় বিশ্বযুদ্ধত হিৰোচিমা-নাগাচাকিৰ ধ্বংস লীলাই মহাভাৰতৰ শেষ দৃশ্যৰে পুনাৰাবৃত্তি ঘটাইছিল আৰু বিশ্বজয়ী নেতাসকলৰ হৃদয়তো তোলপাৰ লগাইছিল । বিজ্ঞানৰ অপপ্ৰয়োগত তৃতীয় বিশ্বযুদ্ধ আৰু ভয়াবহ হৈ উঠাৰ আশংকা নুই কৰিব নোৱাৰি । সম্ভাৱ্য পৰমাণু শক্তিৰ প্ৰভাৱত হ'ব পৰা ধ্বংসলীলা পৃথিৱীৰ শান্তি কামী ৰাষ্ট্ৰই কামনা কৰে নে ?

# পুৰণি অসমৰ সৈতে মুছলমানৰ সম্পৰ্ক আৰু সংঘৰ্ষ

—অধ্যাপক মাণিক বৰগোহাঞি

উত্তৰ গ[illegible]ীত পোৱা পুৰণি শিলালিপি এখনত লিখা আছে–

*শাকে তুৰগ যুগ্মেশ মধুমাস ত্ৰয়োদশে ।*
*কামৰূয়ং সমাগত্য তুৰস্কঃ মায়মায়যুঃ ।*

অৰ্থাৎ ১১২৭ শকৰ চ'তমাহৰ ১৩ তাৰিখে অসমলৈ অহা তুগৰ সকলক নিৰ্মুল কৰা হ'ল । ইয়াৰ তুৰগ শব্দটোৱে তুৰ্কীসকলক তথা মুছলমান সকলকেই বুজাইছে । সেই সময়ৰ অসমখন এজন ৰজাৰ অধীনত নাছিল । উজনি অসমত মৰাণ, চুতীয়া, বৰাহী আদি ৰজাই ৰাজত্ব কৰিছিল । নামনি অসমত অৰ্থাৎ কামৰূপত পৃথু নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল । এওঁক বিশ্বসুন্দৰদেৱো বোলা হৈছিল । (১) । পুৰণি অসমত প্ৰথমে এই পৃথুৰজাৰ দিনতেই মুছলমানসকলে অসম আক্ৰমণ কৰে । মুছলমান সকলৰ সেনাপতি আছিল বখতিয়াৰ খিলিজি। বখতিয়াৰ খিলিজিৰ অসম আক্ৰমণৰ সময়ত উত্তৰ ভাৰতৰ মুছলমান সাম্ৰাজ্যৰ সম্ৰাট আছিল আলাউদ্দিন খিলিজি । বখতিয়াৰ খিলিজিয়ে অসমৰ ৰজাৰ হাতত বৰ শোচনীয় ভাৱে পৰাজিত হ'ল।

গ্ৰেজিয়াৰে তেওঁৰ ৰংপুৰ জিলাৰ বিৱৰণত লিখিছে যে এই পৃথুৰজাই বৰ্তমান জলপাইগুৰি জিলাত শত্ৰুৰ আক্ৰমণৰ বাধা দিবলৈ ডাঙৰ সুৰক্ষিত দুৰ্গ নিৰ্মাণ কৰিছিল (২)। কোনো কোনো বুৰঞ্জীবিদৰ মতে এই পৃথুৰজাৰ আন এটা নাম আছিল জল্প । এওঁ শিৱমূৰ্তি আৰাধানা কৰিছিল । এওঁ শিৱপূজা কৰাৰ পৰাই প্ৰজাৰ মাজত শিৱ পূজাৰ মৰ্য্যদা বাঢ়িছিল (৩) ।

জল্প ওৰফে পৃথুৰজাই ১১৯৫ চনৰ পৰা ১২২৮ চনলৈকে ৰাজত্ব কৰিছিল । এওঁৰ দিনতে অসমত দ্বিতীয় বাৰ মুছলমানৰ আক্ৰমণ হয় । বখতিয়াৰ খিলিজিক পৰাস্ত কৰি খেদি দিয়াৰ পাচতে এওঁ হেনো ভৱিষ্যতে মুছলমানৰ আক্ৰমণৰ প্ৰতিৰক্ষাৰ্থে জলপাইগুৰিত সৈন্যৰ দুৰ্গ নিৰ্মাণ কৰিছিল (৪) ।

এওঁৰ দিনত দ্বিতীয়বাৰ অসম আক্ৰমণ কৰা মুছলমান সৈন্যৰ সেনাপতি আছিল বঙ্গদেশৰ শাসনকৰ্তা গিয়াচুদ্দিন । কিন্তু এইবাৰো মুছলমানসকলে অসম জয় কৰিব নোৱাৰিলে । এডৱাৰ্ডগেইটৰ মতে তৃতীয় বাৰ মুছলমানসকলে অসম আক্ৰমণ কৰিছিল ১২৫৭ চনত । কিন্তু কণকলাল বৰুৱাৰ বুৰঞ্জীত এই আক্ৰমণৰ সময় দিয়া আছে ১২৫৪-৫৫ । বৰুৱাদেৱে হিজিৰি ৬৫৫ চন মিলাই দেখুৱাইছে । ফাৰ্চী বুৰঞ্জী লিখক





মীনহাজিয়ে এই টআক্ৰমণৰ বিৱৰণ তেওঁৰ তবকত্ ই-নাচিৰি'ত উল্লেখ কৰি গৈছে । মীন হাজিৰৰ বিৱৰণ অনুসৰি হিজিৰি ৬৫৫ হ'লে তৃতীয় আক্ৰমণৰ সময় ১২৫৪-৫৫ হে হয় (৫) । এইবাৰৰ আক্ৰমণত মুছলমানে সাময়িকভাৱে জয়লাভ কৰিলে । এই আক্ৰমণ পৰিচালনা কৰিছিল ইখতিয়াৰউদ্দিন উজবেকে । এওঁ বিজয় গৌৰৱৰ চিনস্বৰূপে কামৰূপত এটা মছজিদ নিৰ্মাণ কৰিছিল ।

এই তৃতীয় আক্ৰমণৰ পাচত প্ৰায় তিনিকুৰি ছয় সাত বছৰমান অসমৰ মাজলৈ মুছলমানৰ অভিযান হোৱা নাছিল । কিন্তু তাৰ মাজতে পুৰণি অসমৰ অন্তৰ্ভুক্ত মৈমনসিং জিলাত ১৩২১/২২ চন মানত দিল্লীৰ সম্ৰাট চুলতান গিয়াচুদ্দিনৰ ৰাজত্বত মুছলমানৰ আক্ৰমণ হৈছিল বুলি জানিব পাৰি । কাৰণ তাৰ মাটিৰ তলত চুলতান গিয়াচুদ্দিনৰ ৰূপৰ মোহৰ পোৱা গৈছে । হিজিৰি ৭২১ ৰ উক্ত চুলতানৰ ৰূপৰ মোহৰ নগাওঁ জিলাতো পোৱাৰ পৰাই এইটো অনুমান কৰিলে হয়তো ভুল নহ'ব যে গিয়াচুদ্দিনে নগাওঁ পৰ্যন্ত অভিযান চলাইছিল । কিন্তু মুছলমানৰ বুৰঞ্জী লিখকসকলৰ বিৱৰণত এই অভিযানৰ উল্লেখ নাই (৬) ।

'আলমগিৰিনামাহ'ত লিখা আছে যে ১৩৩৭ চন টোগলক বংশৰ ৰজা মহম্মদচাহৰ দিনত ১৩৩২/৩৩ চনত অসমলৈ এটা বিৰাট সৈন্যৰ অভিযান আহিছিল । এই অভিযানত এক লাখ অশ্বাৰোহী সৈন্য আহিছিল । কিন্তু এই সৈন্য দলে অসম জয় কৰাৰ বিশদ বিৱৰণ পাবলৈ নাই । যাদুমন্ত্ৰৰ অসম দেশত এই সৈন্যদল সমূলঞ্চে নিধন হোৱা বুলিহে উল্লেখ আছে (৭) ।

ইয়াৰ পিচত ১৩৫৬ চনত বঙ্গৰ চুলতান চিকেণ্ডৰ চাহে কামৰূপ অৰ্থাৎ নামনি অসম আক্ৰমণ কৰে । এই আক্ৰমণৰ বিশেষ ফলাফল জানিব নোৱাৰি ; কিন্তু তেওঁৰ ৰূপৰ মোহৰ কামৰূপত সেই সময়ত প্ৰচলন হোৱাৰ পৰা জানিব পাৰি যে তেওঁ গোটেই কামৰূপ ৰাজ্য নিজ ৰাজ্যৰ ভিতৰুৱা কৰি লৈছিল (৮) । এই আক্ৰমণৰ পৰা প্ৰায় দুকুৰি বছৰতকৈ অধিক কাল মুছলমান সকলে অসমৰ বিৰুদ্ধে যুদ্ধত লিপ্ত হোৱাৰ কথা বুৰঞ্জীত পোৱা নাযায়। ইয়াৰ পাচত চৈধ্যশ শতিকাৰ একেবাৰে শেহত অৰ্থাৎ ১৩৯৮/৯৯ চনত মুছলমানসকলে অসমৰ বিৰুদ্ধে সামৰিক অভিযান চলায় । তেতিয়া নামনি অসম খণ্ডৰ কামৰূপ নামৰ পৰিবৰ্তে কমতা বুলিহে জনাজাত হৈছিল। কমতাৰ ৰজাক কমতেশ্বৰ বোলা হৈছিল । সেই সময়ত উজনি অসমত আছিল আহোম ৰজা চুডাংফা । আহোম ৰজাৰ সৈন্য বাহিনীৰ সহায়ত কমতা ৰজাই মুছলমান সকলক পৰাস্ত কৰিব পাৰিলত আহোম ৰজাৰ লগত নিজৰ জীয়েক ভনীয়েক বিয়া দি মিত্ৰতা স্থাপন কৰিলে । এইজন কমতা ৰজাৰ নাম বুৰঞ্জীত শুকৰাঙ্ক বুলি পোৱা যায় (৯) । শুকৰাঙ্কৰ পাচত কমতা ৰাজ্যত শুতৰাঙ্ক, মৃগাঙ্ক, আৰু নীলধ্বনুজ ক্ৰমে ৰাজত্ব কৰে । নীলধ্বজৰ পাচত চক্ৰধ্বজে ১৪৬০ চনত কমতাৰ ৰজা হয়। এওঁৰ দিনতে বঙ্গদশৰ চুলতান ৰুকুনিদ্দিন বাৰবাক চাহে মক্কাত জন্ম গ্ৰহণ কৰা হজৰতৰ বংশৰ ইচমাইল ঘাজী নামে এজনক কমতা ৰাজ্য আক্ৰমণ কৰিবলৈ পঠায় । ইয়াৰ আগতে বাৰবাক চাহে কেবাবাৰো অসম জয় কৰিবলৈ সামৰিক অভিযান পঠাইছিল ; কিন্তু প্ৰত্যেক বাৰতে তেওঁৰ অভিযান ব্যৰ্থ হৈছিল । ইচমাইল ঘাজীয়ে কৌশলেৰে

কমতা ৰজাক বশীভূত কৰে । ইচমাইল ঘাজীৰ এই অসম বিজয় কাহিনী আৰু তেওঁৰ জীৱনী 'বিৰালত আশক্কুহাদ' অৰ্থাৎ শ্বহীদ-গ্ৰন্থ নামেৰে এখন ফাৰ্চী ভাষাত লিখা পুথিত পোৱা যায় । অসম বুৰঞ্জীবিদ গেইটে কিন্তু এই ইচমাইল ঘাজীৰ অসম জয়ৰ কথা সঁচা বুলি মানি ল'ব নোখোজে (১০) । তেওঁৰ মতে যিহেতু ঘাজীৰ অসম আক্ৰমণৰ কথা অসমৰ পুৰণি বুৰঞ্জীৰ ক'তো উল্লেখ নাই গতিকে তেওঁৰ এই সামৰিক অভিযানৰ সত্যতাত গুৰুত্ব আৰোপ নকৰে । কিন্তু গেইটৰ এই যুক্তি মানি ল'বলৈ টান লাগে, কাৰণ 'পাদচাহ' বুৰঞ্জীত মচলন্দা ঘাজী নামেৰে এজন লোকে পোন্ধৰশ শতিকাত অসম আক্ৰমণ কৰাৰ কথা উল্লেখ আছে।

চ[illegible]ৰ পাচত নীলাম্বৰ কমতাৰ ৰজা হয় । এওঁৰ দিনতে বঙ্গদেশৰ শাসনকৰ্ত্তা হুচেইন শ্বাহৰ আক্ৰমণৰ [illegible]ত কমতা ৰাজ্যৰ অবসান ঘটে । হুচেইন শ্বাহে কমতা অধিকাৰ কৰাৰ পাচত বৰ্তমান কামৰূপ জিলাৰ হাজোত তেওঁৰ পুতেকক কমতাৰ শাসন কৰ্তা পাতে (১১) । কমতা ৰাজ্য জয় কৰি মুছলমান শাসক সকলৰ উজনি অসম জয় কৰিবৰ কাৰণে উৎসাহ বাঢ়ি গ'ল । তেতিয়া কমতাৰ পূবত থকা আহোম ৰাজ্য ক্ৰমে ক্ৰমে শক্তিশালী হৈ আহিছিল । এই আহোম ৰাজ্য জয় কৰিবৰ কাৰণে চেষ্টা কৰাৰ ফলতেই তেওঁলোকৰ সৈন্যবাহিনীৰ বিস্তৰ ক্ষতি হ'বলৈ পালে আৰু লগে লগে জয় কৰি লোৱা কমতা ৰাজ্য হেৰুৱাব লগাত পৰে ।

ত্ৰয়োদশ শতাব্দীৰ পৰা পঞ্চদশ শতিকাৰ শেষভাগলৈকে পুৰণি অসমৰ লগত ভাৰতৰ মুছলমান জগতৰ সৈতে সংঘৰ্ষৰ মাজেদি যি সম্পৰ্ক গঢ়ি উঠিছিল তাৰ বিশদ বিৱৰণ বুৰঞ্জীত পোৱা নাযায় । অসমৰ আভ্যন্তৰীণ অৱস্থাৰ বিষয়ে ভালদৰে জনাত এই যুদ্ধবিলাকৰ বিৱৰণে বিশেষ একো সহায় নকৰে । ইয়াৰ প্ৰকৃত কাৰণ হৈছে যে সেই সময়ত নামনি অসম শাসন কৰা হিন্দু ৰজাসকলৰ দেশৰ ঘটনাৱলী ধাৰাবাহিক ভাৱে লিপিবদ্ধ কৰাৰ সুব্যৱস্থা নাছিল । এই যুদ্ধবিলাকৰ কাৰণ আৰু ফলাফল বিস্তৃতভাৱে লিপিবদ্ধ নোহোৱাৰ কাৰণে নামনি অসমৰ হিন্দুৰজা সকলৰ ৰাজত্ব সিমান চিত্তাকৰ্ষক নহয় ।

ত্ৰয়োদশ শতাব্দীৰ আগভাগতে উত্তৰ ব্ৰহ্মদেশৰ পৰা পাটকাই পৰ্বত পাৰ হৈ আহি আহোমৰ আদি ৰজা চুকাফাই যেতিয়া উজনি অসমত ৰাজ্য স্থাপন আৰু বিস্তাৰ কৰিবলৈ ধৰিলে তেতিয়াৰ পৰাহে অসমত সুসংহত ভাৱে বুৰঞ্জী লিখা কাৰ্য চলিবলৈ ধৰিলে । গতিকে আহোম ৰাজত্বত ভাৰতৰ মুছলমান ৰজাসকলৰ সৈতে অসমৰ যি সংঘৰ্ষ হৈছিল আৰু সেই সংঘৰ্ষৰ ফলত মুছলমান সকলৰ লগত অতীতৰ অসমীয়াৰ যি সম্পৰ্ক ঘটিছিল তাৰ বহল আভাস পাব পাৰি । ইয়াৰ উপৰিও মুছলমানৰ লগত হোৱা সংঘৰ্ষই অতীত অসমৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ ওপৰত ভালদৰেই আলোকপাত কৰিছে ।

চুকাফাৰ পৰা চুপিনফালৈকে যি তেৰজন ৰজাই উজনি অসমত ৰাজত্ব কৰি ক্ৰমে ৰাজ্য বিস্তাৰ কৰিছিল তেওঁলোকৰ দিনত ভাৰতৰ মুছলমান ৰজাসকলৰ সৈতে কোনো সংঘৰ্ষ নহৈছিল । মাজতে মাত্ৰ চুডাংফা স্বৰ্গদেৱৰ দিনত আহোম সৈন্যই কমতা ৰজাৰ সৈন্যৰ সৈতে সন্মিলিত হৈ মুছলমানৰ বিৰুদ্ধে যুদ্ধ কৰিছিল ।





তাৰ বাহিৰে পোনপটীয়াকৈ উপৰোক্ত ৰজাসকলৰ দিনত আহোম শাসিত উজনি অসমৰ সৈতে মুছলমান ৰজাসকলৰ কোনো সংঘৰ্ষ আৰু সম্পৰ্ক ঘটা নাছিল । পোন প্ৰথমতে আহোম ৰাজ্যৰ লগত মুছলমানৰ সংঘৰ্ষ হয় চুহুম্মুং বা দিহিঙ্গীয়া স্বৰ্গদেৱৰ দিনত । মুছলমান সেনাপতি তুৰ্বকৰ অধীনত বিৰাট সৈন্যবাহিনী এটাই এওঁৰ দিনতেই প্ৰথম বাৰৰ বাবে আহোম ৰাজ্য আক্ৰমণ কৰে । এই যুদ্ধ তিনিবছৰৰ চলাৰ পাচত মুছলমানসকল সম্পূৰ্ণ পৰাস্ত হয় আৰু সেনাপতি তুৰ্বক যুদ্ধত নিহত হয় । তুৰ্বকৰ মূৰ কাটি আনি চৰাইদেও পৰ্বতত পুতি থোৱা হ'ল । যুদ্ধত বহুত মুছলমান সৈন্য বন্দী হৈছিল । মুছলমানৰ লগত আহোমৰ এই সংঘৰ্ষ বিশেষ লেখত লবলগীয়া কথা এই যে উজনি অসমত তেতিয়াৰ পৰা মুছলমানলোকৰ বসতি আৰম্ভ হ'ল । যুদ্ধত বন্দী হোৱা সৈন্য বিলাকক হাতী ঘাঁহী কৰি স্থাপন কৰিলে । কিন্তু আমোদজনক কথা এইটোৱেই যে এই বন্দী মুছলমানখিনিয়েই হাতীক ঘাঁহ খুৱাওঁতে নেজৰ ফালে ঘাঁহ নিয়াত একেবাৰে মূৰ বুলি আহোম ৰজাই খাতত কাম কৰিবলৈ লগালে । তাতো নিলগৰ পৰা বোকা আনি কঠীয়া ৰুবলৈ ধৰাত একো নাজানে বুলি আদানী কৰি ধনী কৰিলে । এওঁলোককে মৰিয়া বুলিছিল (১২) । আহোম ৰাজত্বত এওঁলোকৰ কাম আছিল পিতল খুন্দি বাচন আদি গঢ়া । আজিকালি এই মৰিয়া সম্প্ৰদায়টো লুপ্ত হৈ পৰিল । এই মৰিয়া সকলক খেতি কৰিবলৈ দিয়া খাত খনক আজিও মৰিয়া খাত বোলা হয়। এই মৰিয়া খাতখন এতিয়াও ৰোৱতী পথাৰ হৈ আছে । উত্তৰপূব সীমান্ত ৰেলৰ নাজিৰা ষ্টেচনৰ ডেৰমাইল মানৰ পশ্চিমে থকা মেজেঙা ষ্টেচনৰ পোৱা মাইলৰ উত্তৰে এই খাত অৱস্থিত ।

চুহুম্মুং বা দিহিঙীয়া স্বৰ্গদেৱৰ দিনত হোৱা যুদ্ধৰ ফলত আহোম ৰজাৰ লগত মুচলমান পাৎসাহৰ বৈবাহিক সম্বন্ধৰ সূত্ৰপাত হয় । গৌড়ৰ পাৎসাহে আহোম ৰজাই গৌড় আক্ৰমণ কৰিব বুলি জানিব পাৰি নিজৰ দুই কন্যাক ধন-সোণ যৌতুকেৰে সৈতে দিহিঙ্গীয়া ৰজালৈ উপহাৰ দিলে । ইয়াৰ বাহিৰেও পাৎসাৰে কামৰূপৰ সৈতে চেৰপুৰ পাতিলজহা এঘাৰে সেন্দুৰ, বাহিৰ বন্ধ আৰু ঘোৰাঘাট নামে পাচখন ঠাই আহোম ৰজাৰ অধীনত দিলে ।

চুহুম্মুং স্বৰ্গদেৱৰ পাচত চুক্লেংমুং আৰু চুখাম ফা ক্ৰমে ৰজা হয় । এওঁলোকৰ দিনত মুছলমান ৰাজ্যৰ লগত কোনো সংঘৰ্ষ হোৱা নাছিল । আহোম ৰাজ্যৰ পশ্চিমে অসমত তেতিয়া কোঁচ ৰাজ্যই প্ৰাধান্যতা লাভ কৰিছিল। কোঁচৰজা নৰনাৰায়ণৰ ৰাজত্ব কালত মুছলমানে অসম আক্ৰমণ কৰি গুৱাহাটী পৰ্যন্ত কিছুদিন মুছলমানী শাসন প্ৰবৰ্তন কৰিছিল । নৰনাৰায়ণৰ ৰাজত্বৰ পাছৰ পৰা কোঁচ ৰাজ্যৰ শক্তি হ্ৰাস পাই আহিবলৈ ধৰে । অৱশেষত বৰদেৱান আৰু সৰুদেৱান নামে দুখন সৰু সৰু ৰাজ্যত ৰাজ্যখন বিভক্ত হৈ পৰে । তাৰ পাচত কোঁচ ৰাজ্য মোগল ৰাজ্যৰ কৰতলীয়া হৈ পৰে ।

চুখামফা বা খোৰাৰজাৰ পাচত আহোম ৰাজ্যৰ স্বৰ্গদেৱ চুচেংফাৰ ৰাজত্ব কালত মোগলৰ সৈতে অসমৰ ভালেমান বছৰ যুদ্ধ চলাৰ ফলত দুয়োপক্ষৰ মাজত যি সন্ধি হয় সেই সন্ধিমতে দুয়ো ৰাজ্যৰ সীমা ধাৰ্য্য হ'ল

উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি । ফলত গুৱাহাটীকে আৰম্ভ কৰি গোটেই কামৰূপ ৰাজ্য মুছলমানৰ শাসনাধীন হয় ।

অসমৰ লগত মুছলমান ৰাজ্যৰ আটাইতকৈ লেখতলবলগীয়া সংঘৰ্ষৰ কালছোৱা আছিল ১৬৬৩ চনৰ পৰা ১৬৮২ চনলৈকে । এই কালছোৱাৰ ভিতৰতে আহোমৰ তথা অসমীয়া জাতিৰ সামৰিক বিদ্যাৰ বিশেষ উন্নতি হৈছিল । অসমীয়াই যুদ্ধবিদ্যাত নতুন কৌশল, নতুন পৰিকল্পনা আৰু নানা ধৰণৰ অস্ত্ৰ-শস্ত্ৰৰ প্ৰবৰ্তন কৰে ।

১৬[illegible]৬৬৩ চনটো আহোম ৰজা স্বৰ্গদেউ চুতাম্ৰা ওৰফে জয়ধ্বজ সিংহৰ ৰাজত্ব কালৰ ভিতৰত পৰে। সেই[illegible]তে দিল্লীৰ সম্ৰাট ঔৰংজেবৰ সেনাপতি মীৰজুমলাই অসম আক্ৰমণ কৰি আহোম ৰজাৰ ৰাজধানী গড়গাওঁ অধিকাৰ কৰিলে । মীৰজুমলাৰ আগলৈকে কোনো মুছলমান সেনাপতিয়ে আহোম ৰাজ্য অধিকাৰ কৰিব পৰা নাছিল । মীৰজুমলাই অসম আক্ৰমণ কৰাৰ এটা প্ৰধান কাৰণ আছিল যে স্বৰ্গদেউ জয়ধ্বজ সিংহই মোগল ৰাজ্যৰ অন্তৰ্ভুক্ত কামৰূপ জয় কৰি আহোম ৰাজ্যৰ লগত চামিল কৰিছিল । মোগলে অসম ৰজালৈ লিখিছিল- "তোমালোকে আমাৰ হাতী চলা, ৰবীতলা গুৱাহাটী ছৰি দেৱ।" তাৰ উত্তৰত অসমে লিখিলে – ৰাজ্যৰ কাৰণ যি কৈছে, পৰমেশ্বৰ বিধাতা অনুকূলহৈ আক দিছে, তঞি খুজিলে কিয় পাব ? হস্তীৰ দন্ত ওলাইহে পুনৰ্বা সোমবাৰ কৈত দেখিছ (১৩) । অসমৰ যুদ্ধ কৰিবলৈহে মন আছে বুলি ভাবি মীৰজুমলাই তেতিয়া সৈন্য সামন্ত লৈ অসমৰ অভিমুখে যাত্ৰা কৰিলে । অসমৰো তেতিয়া ভাগ্যবিপৰ্য্যয় আহি পৰিল । অনা আহোম বংশৰ মনথিৰ ভৰালী বৰুৱা নামৰ এজনলোকক যুদ্ধৰ সেনাপতি পাতি মীৰজুমলাৰ বিৰুদ্ধে পঠিওৱাত শিৰফুটা আহোম বংশৰ সেনাপতি সকলে বিষম বেজাৰ পাই "হিন্দুয়ে ৰণ কৰক আমি নকৰোঁ বুলি হোঁহকি আহিল । ফলত মুছলমান সৈন্যই গুৱাহাটী অধিকাৰ কৰি ক্ৰমে গড়গাওঁ পৰ্যন্ত অধিকাৰ কৰিলে ।

গড়গাওঁ অধিকাৰ কৰি মোগলে কিন্তু শান্তিৰে শাসন কৰিবলৈ সময় নাপালে । অসমীয়াৰ দগাযুদ্ধৰ ফলত মোগলৰ বিস্তৰ ক্ষতি হ'ল । তাৰ উপৰিও বান-বাৰিষা অহাত মোগলৰ বহু সৈন্য জ্বৰ গ্ৰহণীত মৰিল। ফলত মীৰজুমলাই মনে মনে প্ৰমাদ গণিবলৈ ধৰিলে । কিন্তু এনে সময়তে আহোম ৰজাইও যেনেতেনে নিজৰ ৰাজ্যখন ঘূৰাই ল'বৰ কাৰণেই যুদ্ধৰ ক্ষতিপূৰণ দিয়া হিচাপে ভালেমান বস্তু আগবঢ়াই সন্ধিৰ প্ৰস্তাৱ কৰিলে। এই সন্ধিমতে আহোম ৰজাই নিজৰ আৰু তিপাম ৰজাৰ জীয়েকক মোগল সম্ৰাটলৈ উপহাৰ স্বৰূপে দিলে । মুছলমান ৰজাৰ সৈতে আহোম ৰজাৰ এইটো দ্বিতীয় বৈবাহিক সম্বন্ধ । স্বৰ্গদেৱে জীয়েকৰ লগত সোণ কুৰি হাজাৰ, ৰূপ ছকুৰি হাজাৰ, বন্দী এশ আৰু বেটী এশ দিলে । ইয়াৰ বাহিৰেও স্বৰ্গদেৱে বছৰি পেচকচ্ হিচাপে ভালেমান টকা আৰু হাতী শোধাব লগীয়াত পৰিলে ।

মোগল সম্ৰাটলৈ দিয়া স্বৰ্গদেৱৰ কন্যাৰ নাম আছিল ৰমণী । পিচত ঔৰংজেৱৰ পুত্ৰ চুলতান আজমতৰাৰ লগত এওঁৰ বিয়া হৈ ৰমণী নামৰ সলনি এওঁৰ নাম ৰহমৎ বানু বেগম হিচাপে খ্যাত হৈ পৰিছিল । মীৰজুমলাই আহোমৰ ৰজাৰ বেলিকা অলপমানজনক সন্ধি কৰি গুচি যোৱাৰ পিচত অসমৰ ৰজা ডাডাঙৰীয়াই নিজৰ মান মৰ্যদা আৰু ৰাজ্য উদ্ধাৰ কৰিবৰ কাৰণে চাৰিবছৰ ধৰি যুদ্ধৰ আয়োজন কৰিলে । তাৰ





পাচত মোগলৰ বিৰুদ্ধে শৰাইঘাটত সংগ্ৰাম কৰি হেৰুৱা কামৰূপ ৰাজ্য উদ্ধাৰ কৰিলে । অসমে কামৰূপ ৰাজ্যৰ গুৱাহাটী উদ্ধাৰ কৰাৰ পাচত তাত আহোম ৰজাৰ বৰফুকনে সদৰ কাৰ্যালয় পাতি নামনি অসমৰ শাসন কৰিবলৈ ধৰিলে । তাৰ পাচতেই আকৌ অসমৰ কাৰণে দুৰ্দিন আহি পৰিল সেই দুৰ্দিনৰ সময়ছোৱা প্ৰায় আঠ বছৰ আছিল । এই সময়ছোৱাৰ ভিতৰতে ডেবেৰা বৰবৰুৱা নামে এজন স্বাৰ্থান্বেষী বিষয়াৰ ষড়যন্ত্ৰৰ ফলত ভালেমান ৰাজকোঁৱৰক হত্যা কৰা হ'ল। ডেবেৰা ইমান ক্ষমতাশালী হৈ উঠিছিল যে আনকি ৰজাকো ভঙা-পতা কৰিব পাৰিছিল । এইখিনিতে স্বাভাৱিকতে প্ৰশ্ন হয় যে ৰাজ্যত ক্ষমতাশালী তিনিজনা মন্ত্ৰী আৰু অন্য প্ৰধান বিষয়াসকল থাকোতে এক ডেবেৰাই কেনেকৈ ইমান প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল । তাৰ উত্তৰত ক'ব পাৰি যে যদিও অসমে মোগলৰ পৰা গুৱাহাটী উদ্ধাৰ কৰিলে তথাপি ৰাজ্যৰ মন্ত্ৰী বিষয়া সকলে সেনাপতিৰ বাবে লৈ মোগলৰ পুনৰ আক্ৰমণ ভেটিবৰ নিমিত্তে গুৱাহাটীত কোঠ প্ৰাঞ্চি কৰি সাজু হৈ থাকিব লগাত পৰিছিল ; আৰু তাৰ ফলত ৰাজধানী গড়গাঁৱত দ্বিতীয় খাপৰ বিষয়া সৰ্বেসৰ্বা হৈ উঠিছিল । এইসকলৰে মূৰব্বী হৈ ডেবেৰাই ৰজা ভঙা ৰজা পতা আদি নানা অকাৰ্যত লিপ্ত হৈছিল । ডেবেৰাই মোগল আক্ৰমণ ভেটিবৰকাৰণে গুৱাহাটীত কোঁঠ পাতি থকা সকলো বিষয়াকে মাৰিবলৈ ষড়যন্ত্ৰ কৰিছিল । কিন্তু তেওঁৰ ষড়যন্ত্ৰ ফলবতী হ'বলৈ নাপালে । গুৱাহাটীয়া বিষয়াসকলে ডেবেৰাৰ অত্যাচাৰৰ কথা জানিব পাৰি উজাই আহি ডেবেৰাক বধ কৰিলে । পিচে অসমৰ আভ্যন্তৰীণ বিপদ ডেবেৰাৰ মৃত্যুৰ লগে লগে অবসান নহ'ল । পুনৰ অন্য এক ডেবেৰাৰ আবিৰ্ভাৱ হ'ল । সেইজনেই আছিল গুৱাহাটীৰ বৰফুকন লালুকসোলা। লালুকে অসমৰ ৰজা হ'বৰ কাৰণে মোগলৰ লগত তলে তলে আলোচনা চলাবলৈ ধৰিলে । এই উদ্দেশ্যে তেওঁ অসমৰ ৰজাৰ বিৰুদ্ধে মোগলৰ সহায় খুজিলে আৰু তাৰ বিনিময়ত মোগলক গুৱাহাটী এৰি দিব বুলি মোগললৈ প্ৰস্তাৱ আগবঢ়ালে । সেই প্ৰস্তাৱ মতে মোগলে তেওঁক সহায় কৰিলে আৰু গুৱাহাটী মুছলমানৰ আকৌ অধীন হ'ল। মোগলৰ সহায়ত লালুকে দেশৰ ৰাজকীয় সৈন্যদলক পৰাস্ত কৰি গড়গাঁৱত ৰজাৰ দৰে ক্ষমতা চলাবলৈ ধৰিলে। কিছুদিনৰ পাচত লালুকৰো অপমৃত্যু ঘটিল । নগঞা ভোটাই ডেকাই লালুকক নিজৰ বাসভৱনৰ ভিতৰতে খুচি মাৰিলে । লালুকৰ মৃত্যুৰ পাচত অসমৰ আভ্যন্তৰীণ অৱস্থা পুনৰ ভালৰ ফাললৈ গতি কৰিলে ।

অসমৰ লগত মুছলমানৰ শেষ যুদ্ধ হয় স্বৰ্গদেও গদাধৰ সিংহৰ ৰাজত্ব কালত গুৱাহাটীৰ ওচৰৰ ইটাখুলিত ১৬৮২ চনত সেই যুদ্ধ হয় আৰু মুছলমান সৈন্যৰ পৰাজয় হয় । এই ৰণত হাৰি মুছলমানে অসম জয় কৰাৰ আশা একেবাৰেই ত্যাগ কৰিলে । আনহাতে ভাৰতৰ মোগল ৰাজ্য ঔৰংজেৱৰ পাচত ক্ৰমে দুৰ্বল হৈ অহাৰো ইয়াৰ অন্য কাৰণ বুলি ক'ব পাৰি ।

আহোম ৰজাৰ দিনত মুছলমানৰ লগত যিবিলাক সংঘৰ্ষ হৈছিল তাৰ ফল স্বৰূপেই অসমত মুছলমানৰ বসতি হ'বলৈ পালে । মীৰজুমলাৰ আক্ৰমণৰ আগতে হোৱা ৰণবিলাকত যিবিলাক মুছলমান সৈন্যক যুদ্ধ বন্দী হিচাপে অসমলৈ অনা হৈছিল তেওঁলোক হাড়ে-হিমজুৱে অসমীয়া হৈ পৰিছিল বুলি মীৰজুমলাৰ লগত অহা বুৰঞ্জীলিখক চাহাবুদ্দিনে লিখি গৈছে (১৪) । সেই সময়ত অসমীয়াই স্থায়ীভাৱে বসতি কৰা বিদেশী মুছলমানক আপোন কৰি ল'বলৈ কোনো কুণ্ঠাবোধ নকৰিছিল ; সেইদৰে সেই মুছলমান সকলেও অসমকে নিজৰ মাতৃভূমি বুলি মনেপ্ৰাণে ভাবিছিল । ইয়াৰ ফলতে আহোম ৰাজত্বত বহুতো মুছলমানে বৰা, শইকীয়া,

হাজৰীকা, বৰুৱা আদি বিষয় ৰজাঘৰৰ পৰা পাইছিল । অসমীয়া ভাষাত ব্যৱহৃত হোৱা ভালেমান ইচলামিক শব্দ আহোম যুগৰ পৰাই অসমত প্ৰচলিত হ'বলৈ ধৰে । অসমীয়া সংস্কৃতিৰ নতুন বিকাশৰ ক্ষেত্ৰত মুছলমান সকলৰ অসম আক্ৰমণে ভালেখিনি অৰিহণা যোগালে । গোৱালপাৰা, হাজো আদি ঠাই মছজিদ মুছলমানী কাৰুকাৰ্য্যৰ নিদৰ্শন, আহোম ৰজাৰ গড়গাঁৱৰ কাৰেংঘৰ আৰু ৰংপুৰৰ ৰংঘৰৰ ওপৰত মোগল শিল্প-ৰীতিৰ সাঁচ পৰিছে । ইয়াৰ বাহিৰেও প্ৰাচীন অসমীয়া পুথিত অঁকা ক্ষুদ্ৰ প্ৰতিকৃতিও মুছলমানী শিল্প-ৰীতিৰ আৰ্হিত অঁকা হৈছিল (১৫)। কেৱল কাৰুকাৰ্য্য আৰু চিত্ৰাঙ্কনতে ইছলামৰ সংস্কৃতি পৰ্যবসিত হোৱা নাই, অসমীয়া পোছাক-পৰিচ্ছদৰ ওপৰতো অসমীয়া-মুছলমান সংঘই ভালেখিনি প্ৰভাৱ পেলাই থৈ গ'ল ।

*বিঃ দ্ৰঃ - প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াদেৰৰ দ্বাৰা সম্পাদিত 'প্ৰবাহ' জানুৱাৰী ১৯৭০ শিৱসাগৰৰ পৰা প্ৰকাশিত আলোচনীৰ পৰা সংগ্ৰহিত আৰু পুনৰ মুদ্ৰিত ।*


- The History of Civilisation of the People of Assam : পৃঃ ৪৮৬
- Report on the District of Rangpur : পৃঃ ৮
- পুৰণি কামৰূপ ধৰ্মৰ ধাৰা ঃ ডঃ বাণী কাকতি । পৃঃ ১৪
- Early History of Kamrup : K. L. Barua, - পৃঃ ১৪৮
- Early History of Kamrup : K. L. Barua, পৃঃ ১৫০
- Early History of Assam : Early K. L. Barua পৃঃ ১৫৩
- A History of Assam : E. Gait পৃঃ ৩৮
- Annals of the Delhi Badshahate : S. K. Bhuyan পৃঃ ৩
- Early History of Kamrup : K. L. Barua, পৃঃ ১৭৮
- Annals of the Delhi Badshahate : Ed. S. K. Bhuyan পৃঃ ৮
- A History of Assam : E. Gait পৃঃ ৪৬
- অসম বুৰঞ্জী ঃ হৰকান্ত বৰুৱা । পৃঃ ২৮ ছেদ – ৭৫
- কামৰূপৰ বুৰঞ্জী ঃ পৃঃ ৬১ ।
- A History of Assam : E. Gait পৃঃ ১৫৩
- অসমীয়া ভাষা আৰু সংস্কৃতি – বিৰিঞ্চি বৰুৱা - পৃঃ ১৬২






# অসমত বৌদ্ধধৰ্ম

–বিৰিঞ্চি কুমাৰ বৰুৱা

বৌদ্ধসকলৰ আদি যুগৰ সাহিত্যত অসমৰ বিষয়ে একো উল্লেখ নাই, নাইবা খৃষ্টীয় শতাব্দীৰ আগ ডোখৰত অসমত বৌদ্ধধৰ্মৰ প্ৰভাৱ পৰাৰ অইন কোনো প্ৰমাণো পোৱা নাযায় । খৃষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা ক্ৰমান্বয়ে পিচৰ পিনে অসমত বৌদ্ধধৰ্ম সৰবৰহী হৈ উঠে । সেই সময়ৰ মুদ্ৰা আদি, নাইবা ঐতিহাসিক বিৱৰণসমূহলৈ লক্ষ্য কৰিলে এই কথাৰ সত্যতা ওলাই পৰে । চীন দেশৰ পৰ্যটক হিউৱেন চাঙৰ ভ্ৰমণ-বৃত্তান্তত কামৰূপৰ ব্ৰাহ্মণ এজনৰ উল্লেখ আছে । এওঁ লোকায়ত সম্প্ৰদায়ৰ মানুহ আছিল । ধৰ্ম সম্পৰ্কীয় বাদানুবাদৰ কাৰণে তেওঁ নলন্দালৈ আহিছিল । তাত তেওঁ বৌদ্ধ পণ্ডিতসকলৰ লগত তৰ্কত পৰাস্ত হয় আৰু শেষত চীন দেশীয় বৌদ্ধ তীৰ্থ পৰ্যটকৰ ওচৰত বৌদ্ধ ধৰ্ম দীক্ষা লয় । এই ব্ৰাহ্মণজনৰ খাটনিতে হিউৱেন চাং অসমলৈ আহিছিল । হিউৱেন চাঙৰ অসম ভ্ৰমণে আৰু ভাস্কৰ বৰ্মাই এই বিদ্বান পৰ্যটকজনক অসমত ৰাখিবলৈ আৰু তেওঁৰ সঙ্গ লাভৰ দ্বাৰা উপকৃত হ'বলৈ কৰা প্ৰবল আকাঙ্খাই অসমত বৌদ্ধধৰ্মৰ প্ৰচাৰ কাৰ্যত কিছু সহায় নিশ্চয় কৰিছিল । এই সম্পৰ্কে কামৰূপ ভ্ৰমণ কৰিবলৈ অহাৰ আগতে নালন্দা বিশ্ববিদ্যালয়ৰ আচাৰ্য্য শিলাভদ্ৰই হিউৱেনচাঙক কোৱা কথাখিন প্ৰণিধানযোগ্য । তেওঁ কৈছিল— "সেই ৰজাজনৰ (ভাস্কৰ বৰ্মা) বিষয়ে কথা হৈছে যে, ধৰ্ম সম্পৰ্কে তেওঁৰ মন বৰ বেয়াকৈ বান্ধ খাই আছে । এই বিষয়ত তেওঁ দুৰ্বল । তেওঁৰ ৰাজ্যত বৌদ্ধধৰ্মৰ বিশেষ প্ৰচাৰ হোৱা নাই । কিন্তু আপোনাৰ যশস্যামণ্ডিত নাম শুনাৰে পৰা তেওঁৰ আপোনাৰ প্ৰতি এক গভীৰ অনুৰাগ জন্মিছে । বোধ হয় এই সময়ত আপুনি তেওঁৰ পৰম বন্ধু হিচাপেই উপস্থিত হৈছেহি । এনে সময়ত আপুনি যথেষ্ট উৎসাহেৰে সৈতে কামত লাগক । আপুনি মানুহৰ (পৃথিৱীৰ) উপকাৰৰ কাৰণেই বৌদ্ধধৰ্ম গ্ৰহণ কৰিছে আৰু এয়ে আপোনাৰ প্ৰকৃত সুযোগ । (আৰু এটা কথা) । গছ এডাল নষ্ট কৰিব লাগিলে যেনেকৈ শিপাবোৰ কাটিলেই হয়, কাৰণ ঠাল-ঠেঙুলিবোৰ তেতিয়া আপোনা-আপুনি শুকাই যায়, সেইদৰে আপুনি সেই ৰাজ্যলৈ গৈ প্ৰথমে ৰজাৰ মনত ধৰ্ম (বৌদ্ধধৰ্ম) ভাবৰ উদ্ৰেক কৰক আৰু তেতিয়া প্ৰজাসকলে আপোনা আপুনিয়ে এই ধৰ্ম গ্ৰহণ কৰিব। আৰু যদি আপুনি অস্বীকাৰ কৰে আৰু নাযায়, তেনেহ'লে তাৰ পৰা অধৰ্ম দূৰ নহয় । গতিকে, এই সহজ কথাৰ পৰা পিচ হোঁহকিব নালাগে ।"

ভাস্কৰবৰ্মা সম্পৰ্কে চীনা পৰ্য্যটকে নিজেই কৈ গৈছে যে, যদিও বৌদ্ধধৰ্ম গ্ৰহণৰ প্ৰতি ৰজাৰ মন মুঠেই ঢাল খোৱা নাছিল, তথাপি বিদ্বান বৌদ্ধ শ্ৰমণসকলক তেওঁ বৰকৈ সন্মান কৰিছিল । হৰ্ষবৰ্দ্ধনে পতা কনৌজৰ বৌদ্ধ মহামেলত কুমাৰ ভাস্কৰ বৰ্মাই সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ইয়াৰ পৰাই তেওঁৰ যে বৌদ্ধধৰ্মৰ প্ৰতি গভীৰ শ্ৰদ্ধা আছিল তাক বুজিব পাৰি । চীনা গ্ৰন্থকাৰ হিউলিয়ে আকৌ কৈছে যে, প্ৰয়াগ মহামেলৰ কাম সমাধা

হলত হিউৱেন চাং নিজ দেশলৈ যাবলৈ ওলাল । এনেতে ভাস্কৰ বৰ্মাই নিজৰ দেশত এশটা বৌদ্ধমঠ সজাই দিয়াৰ প্ৰস্তাৱ কৰি কয় যে, "যদি পণ্ডিতপ্ৰবৰ মোৰ দেশত থাকিবলৈ মান্তি হয় আৰু পূজা গ্ৰহণ কৰে তেনেহ'লে তেখেতৰ সন্মানাৰ্থে মই এশটা মঠ সজাই দিয়াৰ প্ৰতিশ্ৰুতি দিলোঁ ।"

ৰাজতৰঙ্গিণীৰ লিখকে কামৰূপৰ ৰজা এজনক বৌদ্ধ শ্ৰাৱকসকলৰ পৃষ্ঠপোষক আছিল বুলি শলাগি গৈছে। সম্ভৱ তেওঁ খৃষ্টাব্দ ১ম শতিকাত ৰাজত্ব কৰিছিল । তিব্বতৰ লোহ ৰাজ্যৰ স্তাম্পে নামৰ বৌদ্ধ শ্ৰমণ এজনক তেওঁৰ ৰাজসভাত যথাযোগ্য সমাদৰ জনোৱাৰ কথা সেই কিতাপত পোৱা যায় ।

তিব্বতৰ বুৰঞ্জী[illegible]ৰানাথ ৰচিত বুদ্ধধৰ্মৰ বুৰঞ্জীত (১৬০৮ খৃঃত ) অসমত পিচৰ কাল ডোখৰত হোৱা বুদ্ধ ধৰ্মৰ প্ৰচলনৰ কথাৰ উল্লেখ আছে । তাৰানাথে লিখিছে যে, ধীতিক নামৰ বৌদ্ধ সন্ন্যাসী এজন বৌদ্ধধৰ্ম প্ৰচাৰৰ কাৰণে কামৰূপলৈ আহিছিল । তেওঁ অহাৰ আগেয়ে কামৰূপৰ মানুহবিলাক সূৰ্য্যৰ উপাসক আছিল । সূৰ্য্য উপাসনাৰ ঠাইত বৌদ্ধধৰ্ম প্ৰচলন কৰাই ধীতিকৰ উদ্দেশ্য আছিল । যিসকলে ধীতিকৰ শিষ্যত্ব গ্ৰহণ কৰিছিল তাৰ ভিতৰত সিদ্ধ নামৰ শিষ্য এজনে বৌদ্ধ শাস্ত্ৰৰ বহুল প্ৰচাৰৰ কাৰণে ডাঙৰ উৎসৱ পাতিছিল । তাৰানাথৰ কিতাপত অশ্বভৱ নামৰ মানুহ এজনে অসমত মহাযান পন্থা প্ৰচলন কৰা কথাৰো উল্লেখ আছে । অশ্বভৱে কামৰূপত ধৰ্ম বিস্তাৰ কৰা সম্পৰ্কে কাহিনী এটা এইদৰে কোৱা আছে যে, এদিনাখন তেওঁ শিষ্যসকলৰ লগত ধৰ্ম বিষয়ৰ আলোচনা কৰি থাকোতে ক'ৰবাৰপৰা এটা বিষাক্ত সাপ ওলাই চাৰিওপিনে তোলপাৰ লগালে । সাপটোৱে কেবাজন শিষ্যক খুঁটিলে আৰু তেওঁলোক তেতিয়াই মৰি থাকিল । কিন্তু গাত মন্ত্ৰপূত পানী ছটিয়াই দিয়া মাত্ৰকে আটাই কেইজন আকৌ উঠি বহিল । ঘটনাটো বেছ তাৎপৰ্য্যপূৰ্ণ । ই আমাক সেই সময়ত অসমত প্ৰচলিত বৌদ্ধ মত সম্বন্ধে কিছু আভাস দিয়ে । ৭ম শতিকাৰ শেষ ভাগৰ পৰা বৌদ্ধধৰ্মত নানা ৰকমৰ পৰিবৰ্তনে দেখা দিয়ে । ইয়াৰ ফলত বৌদ্ধধৰ্মৰ মাজত মন্ত্ৰযান, বজ্ৰযান, তন্ত্ৰযান আদি কেবাটাও ৰহস্যবাদী পন্থাৰ সৃষ্টি হয় । ভাৰতীয় আৰু তিব্বতীয় পুথি-পাঁজি আদিৰ পৰা জানিব যে সেই সময়ত অসমত বজ্ৰযান পন্থাৰ বৌদ্ধধৰ্মৰহে প্ৰচলন আছিল ।

যিসকল সন্ন্যাসীয়ে বজ্ৰযান পন্থাৰ অন্তৰ্গত নীতি-নিয়ম আৰু পদ্ধতিবোৰ প্ৰচাৰ কৰি ফুৰিছিল তেওঁলোকক সিদ্ধ বোলা হৈছিল । প্ৰবাদ আছে যে সৰ্ব্বমুঠ সিদ্ধ ৮৪ চন আছিল । সাধাৰণ বিশ্বাসমতে সৰহ, নাগাৰ্জুন, লুইপ আদি কেবাজনো প্ৰসিদ্ধ সিদ্ধ হয় অসমৰ আছিল বা অসমত তেওঁলোকে ধৰ্মমত প্ৰৱৰ্তন কৰিছিল । পাগ্-চন-জন-জাং (১৭৪৭ চনৰ) গ্ৰন্থত আছে যে, সৰহ বা ৰাহুল ভদ্ৰৰ জন্ম হৈছিল পূবপিনৰ ৰাজ্য এখনৰ ৰাজ্ঞী নামৰ নগৰত। তেওঁৰ বাপেক আছিল বামুণ আৰু মাক এজনী ডাকিনী । এই ৰাজ্ঞী নগৰখন বোধহয় ৰাণী নামে সৰু ৰাজ্যখন আছিল ( বৰ্তমান অসমৰ কামৰূপ গোৱালপাৰা জিলা) । ৰাণী এসময়ত আহোম ৰজাসকলৰ কৰতলীয়া ৰাজ্য আছিল । গ্ৰাণ ওৱেডেল আৰু টুচি দুয়োৰে মতে সৰহ কামৰূপৰ এজন শূদ্ৰ আছিল । সৰহৰ শিষ্য নাগাৰ্জুনৰ নাম কামৰূপ, নেপাল আৰু ভুটানত বৰ জনাজাত আছিল । লুইপ নামৰ





সিদ্ধজনো অসমৰ মানুহ আছিল । তিব্বতীয়, জনশ্ৰুতিমতে লুইপক মীননাথ বা মৎস্যেন্দ্ৰনাথ বুলি জনা যায়। 'কৌলজ্ঞান-নিৰ্ণয়'ৰ পাতনিত ড০ বাগচিয়ে লিখিছে যে, মীননাথৰ জন্ম হয় পূৰ্ব্বভাৰতৰ সাগৰৰ উপকূলৰ চন্দ্ৰদ্বীপ নামে দ্বীপ এটাত । শক্তিবাদৰ সংমিশ্ৰণত উদ্ভৱ হোৱা বৌদ্ধ ৰহস্যবাদ কৌল মতৰ প্ৰবৰ্ত্তক এই মীননাথেই । অভিনবগুপ্তৰ বিখ্যাত তন্ত্ৰালোকৰ টীকাত জয়ৰথে কৌলপন্থাৰ উৎপত্তি সম্পৰ্কে উল্লেখ কৰিছে । সম্ভৱতঃ কোনোবা এখন মূল তন্ত্ৰ গ্ৰন্থৰ পৰা পদ উদ্ধৃতি কৰি তেওঁ দেখুৱাইছে যে, প্ৰথমে ভীতিপ্ৰদ দেৱতা ভৈৰৱৰ পৰা ভৈৰৱীয়ে এই মত আয়ত্ত কৰে । ভৈৰৱীৰ পৰা এই মত কামৰূপ মহাপীঠৰ মহাপ্ৰাণ সিদ্ধ মচ্ছন মীনে গ্ৰহণ কৰে ।

এই মীননাথেই যোগিনীকৌল নামে পৰিচিত এই মত প্ৰবৰ্তন কৰে আৰু কামৰূপত ই জনপ্ৰিয় হৈ উঠে। বৌদ্ধ তন্ত্ৰ ব্ৰহ্মযামলৰ বশিষ্ঠ কাহিনীৰ পৰাও জানিব পাৰি যে কামৰূপ ব্ৰজযান পন্থাৰ নানা দেৱ-দেৱীৰ পূজাৰ কেন্দ্ৰ আছিল । বশিষ্ঠ আছিল ব্ৰহ্মাৰ পুত্ৰ । ব্ৰহ্মাৰ পৰা বশিষ্ঠই এটা মন্ত্ৰ লাভ কৰে আৰু এই মন্ত্ৰমতে তেওঁ বহুদিন তপস্যা কৰে । কিন্তু মন্ত্ৰৰ একো ফল নাপাই তেওঁ পিতাকক বেছি শক্তিশালী দ্বিতীয় মন্ত্ৰ এটা শিকাই দিবলৈ অনুৰোধ কৰিলে । ব্ৰহ্মাই তেতিয়া পুতেকক তপস্যাত বেছি দিনলৈ গভীৰভাৱে মনোনিবেশ কৰিবলৈ ক'লে আৰু বুদ্ধেশ্বৰী দেৱীৰ ধ্যান কৰিবলৈ ক'লে। তেতিয়া বশিষ্ঠ যথোচিত তপস্যাৰ কাৰণে কামাখ্যালৈ গ'ল । বশিষ্ঠই কৰা তপ-জপৰ কথাৰ তাৰাতন্ত্ৰত উল্লেখ আছে । তেওঁ তাৰাৰ উদ্দেশ্যেই মন্ত্ৰ জপ কৰিছিল । যোগিনী তন্ত্ৰয়ো (১৬০০ খৃঃ) এই মতকে সমৰ্থন কৰি কৈছে যে, কামাখ্যা পাহাৰেই বশিষ্ঠৰ তপস্যাৰ ঠাই আছিল । তাৰাৰ অৰ্থে কৰা তপস্যাৰ কাৰণে কামৰূপেই যে প্ৰশস্ত ঠাই আছিল মঞ্জুশ্ৰীমূলকল্পতো এই কথাৰ উল্লেখ আছে ।

অসমৰ পৰা এই মত তিব্বত আৰু ভুটান দেশলৈ প্ৰচাৰিত হৈছিল । আচৰিত কথা এয়ে যে, তিব্বত আৰু ভুটানৰ বৌদ্ধসকলে অসমৰ পশ্চিম পিনৰ চহৰ এখনকে বুদ্ধদেৱৰ তিৰোধানৰ ঠাই বুলি বিশ্বাস কৰে । আৰু তেওঁলোকে গুৱাহাটীৰ পৰা ১৫ মাইল দূৰত থকা হাজোৰ মন্দিৰকে এই ঠাই বুলি ঠাৱৰ কৰিছে । এই বিশ্বাসৰ বশবৰ্তী হৈয়ে সমগ্ৰ তিব্বত, ভুটান, আনকি লাদাক আৰু পশ্চিম চীনৰ পৰাও তীৰ্থযাত্ৰীসকল আজিকোপতি হাজোৰ মন্দিৰ দৰ্শন কৰিবলৈ আহে ।

বৈষ্ণৱ ধৰ্মৰ নৱজাগৰণৰ সময়তো অসমত বৌদ্ধধৰ্ম লোপ পোৱা নাছিল । বৈষ্ণৱ ধৰ্মৰ প্ৰবৰ্তক শঙ্কৰদেৱেও অলৌকিক শক্তি দেখুৱাই ফুৰা কিছুমান বৌদ্ধক (বৌদ্ধমতীয়) লগ পোৱাৰ প্ৰমাণ আছে । শঙ্কৰদেৱৰ শিষ্য বংশীগোপালদেৱে পূব অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি ফুৰোতে বহুতো বৌদ্ধৰ লগত বিৰোধিতা কৰিবলগীয়া হৈছিল । কোনো কোনো পণ্ডিতৰ ধাৰণা যে অসমৰ বৈষ্ণৱ সত্ৰবোৰত বৌদ্ধধৰ্মৰ প্ৰভাৱ পৰিছে । বিশেষকৈ বৌদ্ধ সঙ্ঘ, প্ৰব্ৰজ্যা (দীক্ষা- উৎসৱ) প্ৰাতিমোক্ষ (সদাচাৰ নীতি) আদিৰ প্ৰভাৱ বৈষ্ণৱসকলৰ নাম-ঘৰৰ সবাহ, শৰণ বা দীক্ষাপদ্ধতি আৰু বৈষ্ণৱ আচাৰ-বিচাৰৰ ওপৰত পৰিছে বুলি কয় ।

অসমীয়া সাহিত্যৰ আদি যুগত অপৰ্য্যাপ্ত মন্ত্ৰ ৰচিত হৈছিল । এই মন্ত্ৰবোৰতো পিচৰ কালৰ বৌদ্ধ বিশ্বাসবোৰৰ স্পষ্ট প্ৰভাৱ পৰা দেখা যায় এই মন্ত্ৰবিলাকত বৌদ্ধ দেৱ-দেৱীৰ নাম পোৱা যায় আৰু ইয়াৰ বেছিভাগেই সাপৰ বিহ বা অন্য ৰোগৰ প্ৰতিষেধক মন্ত্ৰ । এইবোৰ বৌদ্ধ সকলৰ ধৰণি সূত্তবোৰৰ শাৰীৰ । টাইজাতিৰ মানুহ আহোমসকল অসমলৈ অহাৰ পিচত বৌদ্ধ ধৰ্মই অসমত আকৌ নতুনকৈ জীপ পায় । এই টাই জাতিৰ বহুতো শাখা-প্ৰশাখা আছে আৰু তেওঁলোকৰ কোনো কোনোৱে বৌদ্ধধৰ্ম তেওঁলোকৰ নিজৰ ধৰ্ম হিচাপে গ্ৰহণ কৰে । সেই সম্প্ৰদায়বোৰ হ'ল শ্যান, আইটোনীয়া, ফাকিয়াল, টুৰাং (টাইৰাংটাই) আৰু খামটিসকল । ৰাজবংশৰ আহোমসকলে যদিও পি[illegible]ন্দু ধৰ্ম গ্ৰহণ কৰিলে তথাপি বুদ্ধদেৱৰ নীতিসমূহ এৰি দিয়া নাছিল । ব্যক্তিগত জীৱনত তেওঁলোকে বৌ[illegible]ৰ্মৰ বহুতো আচাৰ-বিচাৰ মানি চলিছিল । অসমত বসবাস কৰা টাইজাতিৰ অন্যান্য সম্প্ৰদায়বোৰে আজিকোপতি বৌদ্ধধৰ্মকে অৱলম্বন কৰি আছে। এওঁলোকে ভাৰতৰ এই উত্তৰ-পূব সীমান্তত বৌদ্ধধৰ্মতে জীৱন্ত বিশ্বাস ৰাখি চলি আছে ।

- *বুদ্ধ পৰিনিৰ্বাণ জয়ন্তী দিৱস উপলক্ষে ২৪/০৫/৫৬ তাৰিখে আকাশবাণী, গুৱাহাটী কেন্দ্ৰত দিয়া ইংৰাজী অনাতাঁৰ ভাষণৰ অসমীয়া অনুবাদ । অনুবাদক— অধ্যাপক শ্ৰীকমলেশ্বৰ শৰ্মা । (আকাশবাণী, গুৱাহাটীৰ সৌজন্যত)।*

*(অসম সাহিত্য সভাৰ পঞ্চদশ বছৰ তৃতীয় সংখ্যাৰ পৰা সংগ্ৰহিত আৰু পুনৰ মুদ্ৰিত)*





# দুলীয়াজান আৰু ইয়াৰ সমীপ অঞ্চলৰ সামাজিক ইতিহাস

—দুৰ্গা খাখলাৰী

*টোকা ঃ (লেখক কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক । ১৯৬৭ চনৰ ২১ এপ্ৰিলত কঠালগুৰি শাখা সাহিত্য সভাৰ নৱম বাৰ্ষিক অধিৱেশনত বুৰঞ্জী শাখাৰ সভাপতি হিচাপে তেখেতে পাঠ কৰা অভিভাষণটি তথ্যৰ সলনি নঘটোৱাকৈ সম্পাদিত ৰূপত প্ৰকাশ কৰা হ'ল । উক্ত অধিৱেশনৰ সভাপতি আছিল নাজিৰাৰ বিশিষ্ট সাহিত্যিক ভোলানাথ দত্তদেৱ । এই লেখাটি মহমাৰীৰ অৱসৰ প্ৰাপ্ত শিক্ষক শ্ৰীযুত জগত বৰুৱা দেৱৰ পৰা ইং ২০/৭/২০০৫ তাৰিখে পোৱা গৈছিল । ) — সম্পাদক*

যোৱা বছৰ বাৰ্ষিক অধিবেশনৰ আগে আগে কঠালগুৰি সাহিত্য সভাৰ এটি বুৰঞ্জী শাখা মুকলি কৰা হয় আৰু এই অভাজনৰ গাতে বুৰঞ্জী অনুসন্ধানত নেতৃত্ব কৰিবলৈ ভাৰ দিয়া হয় । কিন্তু এই গুৰু দায়িত্ব পালনৰ জোখাৰে সময় আৰু সামৰ্থ্য নথকাত আমি উল্লেখযোগ্যভাৱে কামত আগবাঢ়িব নোৱাৰিলোঁ । তথাপি ইতিমধ্যে দুই এটা বুৰঞ্জীমূলক তথ্যৰ লগত যোগাযোগ ঘটাৰ মাজেদি যি অভিজ্ঞতা হৈছে তাকে আনুষ্ঠানিকভাৱে তুলি ধৰি ভৱিষ্যতৰ কাৰণে নিবন্ধ কৰি ৰখাটো উচিত হ'ব বুলি ভাবি এই প্ৰতিবেদনখনি যুগুত কৰা হ'ল । ইয়াত আমি কোনো বিশেষ ধৰণৰ বুৰঞ্জীমূলক তথ্য প্ৰামাণিক নিদৰ্শনেৰে সৈতে দাঙি ধৰিব নোৱাৰিলোঁ । মাত্ৰ আচল অনুষ্ঠান, কিংবদন্তি ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি এটি অনুসন্ধানত সহায় কৰিব পৰা প্ৰকল্প ৰচনা কৰাই আমাৰ এই প্ৰতিবেদনৰ উদ্দেশ্য ।

কোৱা বাহুল্য যে আমাৰ এই অঞ্চল ক্ৰমে ঔদ্যোগিক অঞ্চলৰূপে বিকশিত হ'বলৈ ধৰাত ইয়াৰ আশে-পাশে থকা বুৰঞ্জীমূলক নিদৰ্শনবিলাক ভৱিষ্যতে নিশ্চিহ্ন হৈ যোৱাৰ সম্ভাৱনা আছে । গতিকে সময় থাকোতেই এইবিলাক স্মৃতি ৰক্ষাৰ কাৰণে স্থানীয় সাহিত্য সভাই মনোনিবেশ কৰিবলগীয়া হৈছে । তদুপৰি এই অঞ্চলত অনেক অনাবিষ্কৃত বুৰঞ্জীমূলক তথ্য লুকাই আছে বুলি মনে ধৰে । সেইবিলাক উদ্ধাৰ হ'লে আমাৰ বৰ্তমান চলি থকা বুৰঞ্জীমূলক ধাৰণা আৰু সিদ্ধান্ত বিলাকৰো আমূল পৰিবৰ্তন হোৱাৰ সম্ভাৱনা আছে । এই দুই কথা মনত ৰাখি আমাৰ পৰ্যালোচনা আৰম্ভ কৰো ।

প্ৰথমেই আমাৰ মনোযোগ আকৰ্ষণ কৰে এই অঞ্চলৰ ঠাইবিলাকৰ ইতিহাস বিজড়িত নামবিলাকে । যেনে ৰজাআলি নামটিয়ে এটা ৰজাদিনীয়া আলি এই ঠাইত থকাটো সূচায় । বুঢ়ালোকৰ মুখে শুনা যায় দুলীয়াজানৰ পৰা ৰজাআলি বাগিচালৈ যি আলি আছে সেই আলিয়েই আছিল এসময়ত শিৱসাগৰৰ লগত এই খণ্ডৰ যোগাযোগৰ প্ৰধান ৰাজপথ । এই পথ পূবে ভাদৈ নগৰেদি মাৰ্ঘেৰিটালৈ অৰ্থাৎ নৰাদেশলৈ গৈছিল ।

পশ্চিমে খেৰেমীয়াইদি টেঙাখাত হৈ শলগুৰি ওলাইছিল । এই আলিৰ নাম আছিল ভাঁদৈ আলি । এই আলিৰ দাঁতিতে চিৰিংখাত । ইয়াত ফুকনৰ ছঁ-অৰা পুখুৰী বুলিবৰ এলানি পুখুৰীৰ চিন কিছুদিনৰ আগলৈকে আছিল । কথিত আছে সেই পুখুৰী কোনোবা এজন ফুকনৰ ছঁঅৰা পুতেকৰ নামত খনা হৈছিল । এইজন ফুকন বুৰঞ্জীপ্ৰসিদ্ধ চিৰিংফুকনেই নেকি ? এইজন ফুকন মানৰ দিনত গুৱাহাটীৰ ফালে ভটিয়াই যোৱা বুলি প্ৰবাদ আছে । অৱশ্যে কছাৰীপথাৰ ওচৰৰ দিৰিয়াল গাঁৱত বৰ্তমানে গোহাঁই বুলি পৰিচয় দিয়া এটা ফুকন পৰিয়াল আছে । তেওঁলোকৰ মুখেই শুনা যায় তেওঁলোকৰ কোনোবা আত্মীয়ৰ ঘৰত তেওঁলোকৰ বুৰঞ্জী এতিয়াও আছে। এ[illegible] উদ্ধাৰ কৰিব পাৰিলে বহু তথ্য পোৱা যাব । টেঙাখাততো কেইবাখনো সাঁচিপতীয়া বুৰঞ্জী আছে ।

অসম বুৰঞ্জী লেখক গেইট চাহাবে চুকাফাৰ বিষয়ে লিখিছে এই বুলি । "টিপামৰ পৰা তেওঁ ১২৩৬ খৃষ্টাব্দত মুনক্লেং চেক্ৰৌলৈ যায় (অভয়াপুৰ) । তাত বহু বছৰ থাকে । জয়পুৰৰ ওচৰত এই অভয়াপুৰ এতিয়াও এই নামেৰেই বৰ্তমান । বান পানীয়ে উৎপাত কৰাত হেনো চুকাফাই অভয়পুৰ এৰি হাবুঙলৈ যায় ।"

মানৰ আক্ৰমণৰ পিছত এই অঞ্চল অৰণ্যময় হৈছিল । মাত্ৰ হাবিৰ মাজে মাজে কেইঘৰমান মানুহে বসতি খেৰেমীয়াত, কেইঘৰ মানে কছাৰীপথাৰত হাতী, বাঘ, ভালুকৰ লগত যুঁজ-বাগৰ কৰি কৰিছিল । কছাৰীপথাৰত বাস কৰা সেই পুৰণি মানুহ কেইঘৰ বৰ্তমান দুলীয়াগাঁৱত আছে । তেওঁলোক দোলাভাৰী কছাৰী মানুহ আছিল । এই কাৰণেই এতিয়া তেওঁলোক থকা গাওঁখনৰ নাম দুলীয়া হৈছে । (আৰু দুলীয়াজান চহৰ এই নামেৰেই নামকৰণ হৈছে) । এই কথা মই দুলীয়াৰ স্বৰ্গীয় গম্ভীৰ চন্দ্ৰ গাওঁবুঢ়াৰ মুখে শুনা । বৰ্তমান তেওঁলোকে নিজক আহোম বুলি চিনাকি দিয়ে । বৰ্তমানৰ কছাৰীপথাৰ গাওঁখনৰ নামো দুলীয়াৰ মানুহখিনিৰ বসতি থকা কাৰণেই হোৱা । কছাৰীপথাৰত বৰ্তমান বাস কৰা মানুহখিনি প্ৰকৃততে ভাটিৰ বড়ো কছাৰী । বৃটিছৰ পুলিচ মিলিটিয়া বিভাগৰ কনিষ্ঠবল স্বৰ্গীয় ভদীয়া খাখলাৰীয়ে পুতেক যদু কেৰেণীৰ সহযোগত এই গাওঁ প্ৰতিষ্ঠা কৰে । ইয়াৰ পূৰ্ব্বে তেওঁলোক জয়পুৰত আছিল । স্বৰ্গীয় যাদৱ চন্দ্ৰ খাখলাৰী দেৱ স্বৰ্গীয় যদুনাথ খাখলাৰীৰ কনিষ্ঠ ভাতৃ আছিল ।

বৰ্তমান চিৰিংখাত গাঁৱৰ প্ৰতিষ্ঠাতাজনৰ নাম ভোৱা শইকীয়া । তেখেত সোণোৱাল ফৈদৰ সদীয়াল কছাৰী মানুহ । চিৰিংখাতলৈ অহাৰ আগতে তেওঁলোক বেংমৰা অৰ্থাৎ তিনিচুকীয়াত আছিল । তেতিয়া সেই অঞ্চল ৰংপুৰীয়া মৌজাদাৰৰ উৎপাত সহ্য কৰিব নোৱাৰি ভোৱা শইকীয়াই কোনেও গম নোপোৱাকৈ চিৰিংখাতলৈ উঠি আহিছিল আৰু হাবিৰ মাজত কিছুবছৰ নিগমে বাস কৰি আছিল । তেতিয়া এই অঞ্চল টেঙাখাত মৌজাৰ অন্তৰ্গত আছিল । ক্ৰমে বসতি ঘন হৈ আহিব ধৰাত নতুনকৈ খেৰেমীয়া মৌজা খোলা হয় । এই খেৰেমীয়াৰ কাৰণে মৌজাদাৰ হ'বলৈ ভোৱা শইকীয়াই আবেদন কৰিছিল । জিলাৰ বৰ চাহাবে পুৱা ভাগতে মৌজা বিষয় দিম বুলি প্ৰতিশ্ৰুতি যি পিচদিনা আহিবলৈ কলে । ভোৱা শইকীয়াই সেইদিনা ডিবুৰুৰ ওচৰৰ





মানকটাত আত্মীয়ৰ ঘৰত আলহী হৈ থাকিলগৈ । ইফালে ৰংপুৰীয়া মৌজাদাৰে শইকীয়াই বিষয়া হ'বলৈ প্ৰয়াস কৰা বুলি জানি একে দিনাই পিচবেলা বৰচাহাবক লগ ধৰি খেৰেমীয়াৰ মৌজাদাৰীখনো তেওঁক দিবলৈ আৰ্জি দাখিল কৰিলে । চাহাবে ভোৱাক কথা দিয়া বুলি কোৱাত মৌজাদাৰে হেনো ক'লে "চাহাব, ভোৱাই চলাব নোৱাৰিম বুলি ভয় খা ঘৰলৈ গুচি গ'ল । মই বাটত লগ পাই আহিছোঁ ।" চাহাবে এই কথাতে বিশ্বাস কৰি সেই দিনাই মৌজাদাৰকে বিষয় দিলে । পিচ দিনা ভোৱা শইকীয়াই চাহাবক দেখা কৰিলত বিমুখ হৈ ঘূৰি আহিল । ইয়াৰ পিচত সবাহে মোৰোযাই লগ পালে শইকীয়াই মৌজাদাৰৰ ঠাট্টা মস্কৰা শুনিবলগীয়া হৈছিল ।

খেৰেমীয়াৰ বৰ্তমান বাসিন্দাসকল খেৰেম পথাৰ অৰ্থাৎ বৰ্তমান নামৰূপৰ য'ত 'থাৰমেল' আৰু 'ফাৰ্টিলাইজাৰ' কাৰখানা বহিছে– সেই ঠাইৰ পৰা অহা। উক্ত গাঁৱৰ স্বৰ্গাৰী পৰিয়ালটো সম্ভৱতঃ চৰগুৱা পৰা অহা । চৰগুৱা জয়পুৰ বা টিংখাং মৌজাৰ ভিতৰতে হ'ব লাগিব । বৃটিছৰ আমোলত এইসকল লোক খেৰেমীয়ালৈ আহে। খেৰেমীয়াৰ পুৰণি বাসিন্দাৰ ভিতৰত চুতীয়া মানুহ কেইঘৰ । তেওঁলোক আদি বাসস্থানৰ বিষয়ে আদি এতিয়াও নেজানো । যিমানদূৰ সম্ভৱ টেঙাখাত অঞ্চলেই তেওঁলোকৰ আদি বাসস্থান হ'ব । (খেৰেমীয়াত বাস কৰা বাকী কেইটা সোণোৱাল ফৈদৰ পৰিয়ালৰ নাম হৈছে, হাজাৰী, লুকৰি আৰু কলা খোৱাৰী। লুকৰি আৰু কলা খোৱাৰী নামৰ বৈশিষ্ট্য আছে ।)

বৰ্তমান পাভজান গাঁৱৰ মানুহখিনি ডাঙৰিৰ পৰা অহা । তেওঁলোক প্ৰথমে বেংমৰাত আছিল । পিচত ইয়ালৈ আহি পাভজান গাওঁ পাতে । তুলনামূলক ভাৱে এওঁলোক পিচত অহা মানুহ । পাভজনীয়াসকল সোণোৱাল ফৈদৰ কছাৰী মানুহ যদিও কছাৰীৰ চিন হিচাপে কেৱল কিছু দিনৰ আগলৈকে পুৰণি ধৰণৰ হুঁচৰি গাই আছিল । চিৰিংখাতত কিন্তু এতিয়াও বাথৌ সবাহৰ থান আছে । বাথৌ পূজা কছাৰী সকলৰ জাতীয় পৰ্ব। (পাভজানত বাস কৰা পৰিয়াল কেইটা হ'ল, কেকুৰাৰী, নাকৰী আৰু টেপাৰী) ।

চলাকটকী গাঁৱৰ ইতিবৃত্তি এতিয়াও আমাৰ হাতত পৰা নাই । ইয়াৰ কেইটামান পৰিয়াল পুৰণি বাসিন্দা হ'ব লাগিব । কেইঘৰ মান কিন্তু লাকুৱাৰ ফালৰ পৰা অহা । এই গাঁৱৰ নাম কিয় চলাকটকী হ'ল তাৰ বিষয়ে ভালকৈ জনা নাযায় । ('চলহ' শব্দ অৰ্থ প্ৰৱঞ্চনা বা চলকৰা– এতেকে চলাকটকী শব্দই কূটনৈতিক বিষয়া বা Political Agent ক বুজাব লাগে । সেয়ে হলে এই ঠাই নিশ্চয় কোনো এক ৰাজশক্তিৰ কূটনৈতিক যোগাযোগৰ ঠাই আছিল ।) চলাকটকীৰ গাতে লাগি আছে বৰাগাধৈ অৰ্থাৎ কোনোবা বৰাৰ বাসস্থান । গতিকে বুজা যায় এই ঠাই ঘনবসতিপূৰ্ণ আছিল । চলাকটকীত বহুতো ৰজাদিনীয়া পুৰণি বস্তু পোৱা গৈছিল বুলি শুনা যায় । এইবিলাক কাৰোবাৰ ঘৰত থাকিলে পোহৰলৈ উলিওৱা উচিত ।

বৰ্তমান 'টিপলিঙ'ৰ নাম ডিবুৰু দুৱাৰ । এই নাম বৃটিছে মহমাৰিয়েদি পোনাই ডিবুৰুলৈ এই আলিটো খোলোতে আৰম্ভ হ'ল । ওপৰত উল্লেখ কৰা 'ৰজা আলি'টো এৰি ডিবুৰুলৈ পোনাই এই আলিটো টিপলিঙৰ পৰাই নতুন কৰা হ'ল । ইয়াৰ পৰাই ডিবুৰুলৈ আলি আৰম্ভ হোৱা কাৰণে ডিবুৰু দুৱাৰ হ'ল । লক্ষ্মীমপুৰ

জিলাৰ সদৰ ঠাই পূৰ্বে জয়পুৰ আছিল । পিচতহে ডিবুৰুলৈ তুলি নিয়া হ'ল ।

বৰ্তমান মহমাৰী গাওঁখন একেবাৰে শেহতীয়াকৈ বহা গাওঁ । পূৰ্বে ইয়াত কুমাৰ কুঠি থকা চিন পোৱা যায়। বৰ্তমান ইয়াৰ বাসিন্দাসকল ডিব্ৰুগড়, টেঙাখাত, শিৱসাগৰ, যোৰহাট, গুৱাহাটী আদি বিভিন্ন ঠাইৰ পৰা আহি বহিছে । নাওশলীয়া নামটোৰ পৰা ইয়াৰ বাসিন্দাসকল ৰজাদিনীয়া নাওশালত কাম কৰা মানুহ বুলি ধৰা যায় । ক্ৰমে [illegible]ল চপাঁতালী, ফেকেলানী, শুকানি আদি গাঁৱত পুৰণি মানুহবিলাক বাস কৰে । এইবিলাক ঠাইত অনুস[illegible]ৰিলে বহু পুৰণি তথ্য ওলাব পাৰে ।

টিপাম পৰ্বতৰ টিঙত দেউচালি থান আছে । তাত এটা আঁঠ শিৰিয়া স্তম্ভ আছে বুলি কোৱা শুনা যায় । জয়পুৰ আৰু নামৰূপ বুৰঞ্জী প্ৰসিদ্ধ ঠাই । জয়পুৰত পোৱাল বৰবৰুৱাৰ কোঁঠ এতিয়াও আছে । এইজন বীৰ পুৰুষে মানৰ হাতত প্ৰাণ দিছিল । ভাদৈ নগৰৰ ভগ্নাশেষ এতিয়াও হাবিৰ মাজত আছে । নাহকটীয়া নামটোৱে এটা কাহিনী বহন কৰি আছে । নাহৰ নামৰ এজন থূলন্তৰ ডেকাৰ লগত কোনোবা এজন ৰজাৰ সৰু কুঁৱৰীৰ গুপ্ত প্ৰণয় থকা বুলি সন্দেহ কৰি মানুহ লগাই তেওঁক নাম চাঙলৈ বেপাৰ কৰিবলৈ ছকুৰি কুকুৰাৰে ভাৰ লৈ যাওঁতে এই নাহৰকটীয়াতে বধ কৰায় । সেয়ে এই ঠাইৰ নাম নাহৰকটীয়া । এই নাহৰডেকাৰ বংশধৰ এতিয়াও সেই অঞ্চলত আছে । নাহৰৰ গীত বুলি এফাকি গীতো মানুহৰ মুখে মুখে আছিল । কিন্তু এই গীত সংগ্ৰহ কৰিব পৰা হোৱা নাই । ডেকাসকলে গাওঁ ফুৰোতে এই গীত পালে সংগ্ৰহ কৰি আনি থ'ব লাগে ।

উল্লেখযোগ্য যে ভেকুলাজানৰ ওচৰত টিঙিৰি নৈৰ মুখত (চালি নাম টিংৰাই) অসমৰ প্ৰথম চাহ কুঠি (অৰ্থাৎ ফেক্টৰিটো) খোলা হৈছিল । গাঁৱৰ মানুহে বাৰীয়ে বাৰীয়ে চাহ খেতি কৰিছিল আৰু পাতবোৰ কোম্পানীয়ে কিনি লৈ টিঙিৰি মুখৰ কুঠিতে ভৰিৰে মৰাইছিল । সেই সময়ত চাহৰ পৰীক্ষা কাৰ্য্য চলি আছিল। গেইট চাহাবৰ বুৰঞ্জীত এই কথা উল্লেখ আছে ।

আন এটা উল্লেখযোগ্য কথা হ'ল জয়পুৰৰ নাম ফাকিয়াল গাঁৱত এটি বৌদ্ধ বিহাৰ বৰ্তমান । এই বিহাৰত অনেক পুৰণি তথ্য আছে । তাৰে এটি সেই গাঁৱৰে শিক্ষিত ডেকা শ্ৰীআইনিকেন– গোহাঁয়ে প্ৰকাশ কৰিছে । নৱযুগত প্ৰকাশ হোৱা এই প্ৰবন্ধটো এজন মান সৈনিকৰ বৈশালী (অসম) ৰাজ্যৰ বিষয়ে হুবহু বিৱৰণ । মানৰ চৰম অত্যাচাৰৰ স্বীকৃতি ইয়াত আছে । এই অঞ্চলৰ প্ৰাচুৰ্য্যৰ কথা এই বিৱৰণত আছে ।

সন্ধানীৰ মনোযোগ আকৰ্ষণ কৰা আন এটা দিক হ'ল এই অঞ্চলত চলি অহা কিংবদন্তিবিলাক । শুকানি গাঁৱৰ নিবাসী শ্ৰীলক্ষেশ্বৰ ফুকন দেৱৰ মুখত এটি মনোগ্ৰাহী কিংবদন্তি শুনিলোঁ । তেখেতে কয় আহোম ৰাজত্বৰ প্ৰতিষ্ঠাতা চুকাফাই বাহু বলেৰে ৰাজ্য জয় কৰা নাছিল । তেওঁ বৰাহী মৰাণ সকলক যুদ্ধত জিকিব পৰা নাছিল । বৰং তেওঁ বৰাহী ৰজা কুণ্টকৰ হাতত পৰাস্ত হৈ সসৈন্যে বন্দী হৈছিল । বৰাহী ৰজাৰ ৰাজধানী তিনিচুকীয়া অঞ্চলত আছিল আৰু তেওঁলোকৰ ৰাজ্য শিৱসাগৰ পৰ্য্যন্ত বিস্তৃত আছিল । ৰজা কুণ্টকৰ এজন





ভায়েক কুণ্ঠিকে শদিয়া শাসন কৰিছিল । চুকাফাকে টিপামত বন্দী কৰি থৈছিল । কুণ্টক অপুত্ৰক আছিল । মাত্ৰ এজনী কন্যা হে আছিল । এদিন ৰাজকন্যাই ঘোঁৰাত উঠি টিপামৰ ফালে ফুৰিবলৈ যাওঁতে বন্দী অৱস্থাত চুকাফাক দেখিলে আৰু প্ৰথম দৰ্শনতে ৰাজ কুমাৰৰ প্ৰতি তেওঁৰ অনুৰাগ উপজিল । ৰাজ কন্যা ঘৰলৈ উলটি ৰোহ ঘৰত সোমাল । ৰজাই কথাটো গম পাই জীয়েকক ৰোহপতাৰ কাৰণ সোধাত চুকাফা কোঁৱৰৰ প্ৰতি তেওঁৰ মনৰ ভাৱ প্ৰকাশ কৰে । আৰু তেওঁক স্বামীৰূপে পাবলৈ পিতাকক প্ৰাৰ্থনা জনায় । কুমাৰীৰ প্ৰাৰ্থনা মঞ্জুৰ হ'ল। চুকাফাৰ সৈতে তেওঁক বিয়া দিলে । চৰগোৱাত থাপিলে । চুকাফাক নামনি অংশৰ অৰ্থাৎ (শিৱসাগৰ অঞ্চলৰ) শাসন ভাৰ দিলে । চুকাফা ৰাজনীতিত বিচক্ষণ আছিল । সেয়ে তেওঁ ইতিমধ্যে দেশত প্ৰভাৱ বিস্তাৰ কৰি পেলাইছিল । কুণ্টক অপুত্ৰক গুণে কুঁৱৰীক পঠাই পিতাকৰ ৰাজ্যৰ সকলো সম্ভেদ আগৰে পৰা সংগ্ৰহ কৰিছিল । বৰাহী ৰজাৰ 'চোমদেউ' বিগ্ৰহ কুণ্টকৰ মৃত্যুৰ লগে লগেই হাত কৰি তেওঁ সিংহাসনৰ অধিকাৰ লাভ কৰে । গতিকে চুকাফাই বৰাহী ৰাজ্য জোঁৱায়েক হিচাপে উত্তৰাধিকাৰী সূত্ৰেহে পোৱা । এই কাহিনী প্ৰচলিত বুৰঞ্জীৰ লগত সম্পূৰ্ণ অমিল । ফুকনদেৱে এই কাহিনী যোগিনী তন্ত্ৰত থকা বুলি কয় আৰু তেখেতৰ গাঁৱত হেনো প্ৰাচীন অসমীয়া ভাষাত এখন যোগিনীতন্ত্ৰ আছে । কিন্তু সেইখন দেখাৰ ভাগ্য আমাৰ হোৱা নাই। এই বিষয়ে অনুসন্ধান কৰিব লাগিব । কথা যদি সঁচা হয় তেন্তে অসম বুৰঞ্জীৰ প্ৰচলিত সিদ্ধান্তৰ অনেক সাল-সলনি হ'ব লাগিব ।

বুৰঞ্জীত বৰাহী জাতিৰ কথা পোৱা যায় । কিন্তু এই জাতিৰ বহল বিৱৰণ কতো পোৱা নেযায় । আমাৰ এই অঞ্চলটো যে বৰাহী ৰাজ্যৰ মধ্যস্থল আছিল ই নিশ্চিত । ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেষ্টৰ শ্ৰীলক্ষ্মী প্ৰসাদ দত্তদেৱে তেখেতৰ এটা প্ৰবন্ধত বৰাহী ৰাজ্য জয়পুৰত উত্তৰ পাৰে বুলি লিখিছে । বৰাহী জাতিটো বড়ো জাতিৰে এটা ঠাল বুলি গেইট চাহাবে উল্লেখ কৰিছে । পুৰাণ প্ৰসিদ্ধ বৰাহ বিষ্ণুৰ লগত এই বৰাহীসকলৰ সম্বন্ধ থকা বুলি ভাবিবলৈ মন যায় । আন হাতে বিক্ৰমাদিত্যৰ ৰাজসভাৰ পণ্ডিত বৰাহৰ কথাও মনত পৰে । মন কৰিবলগীয়া বিক্ৰমাদিত্যৰ ৰাজধানী উজ্জয়নী । ই বিদৰ্ভৰ ৰাজধানী । শদিয়া অঞ্চলকেই দেখোন কিংবদন্তি মতে বিদৰ্ভ বুলি কয়। তেনেহলে উজনিত থকা কাৰণেই উজুয়নী নগৰ নাম পালে নেকি ? সেয়ে হ'লে বৰাহ বৰাহী মানুহ আছিল নিশ্চয় ? এনেয়েতো অসম জ্যোতিষ চৰ্চাৰ দেশ বুলি খ্যাত । এতেকে জ্যোতিষৰ বিদগ্ধ পণ্ডিত বৰাহ আৰু তেওঁৰ পুত্ৰ মিহিৰ আৰু বোৱাৰীয়েক খনা এই দেশৰে মানুহ হোৱাটো একো আচৰিত কথা নহয় । পম খেদি গ'লে নৰকাসুৰ ভগদত্ত বৰাহী ৰজাই হয়গৈ ।

গেইট চাহাবৰ বুৰঞ্জীয়ে কয় চুকাফা আহিবৰ সময়ত মৰাণ সকলৰ ৰজা আছিল বদৌচা আৰু বৰাহী সকলৰ ৰজা আছিল মাকুম থা । তেনেহলে এনেকুৱাও হ'ব পাৰে ফুকনদেৱে কোৱা কুণ্টক আৰু কুণ্টিক কোনোবা আৰ্য্য গোষ্ঠীয় ৰজা আছিল । তেওঁলোকে চুকাফা আৰু তেওঁৰ লগত অহা মানুহবিলাকক 'অসম' অৰ্থাৎ সম গোত্ৰীয় নহয় বুলি কৈছিল যাৰ কাৰণে তেওঁলোক অহম বুলি জনাজাত হ'ল । এই ধৰণৰ বহুতো কল্পনা মনলৈ অহাটো স্বাভাৱিক । এইবিলাক চালি জাৰি চাই তথ্য অনুসন্ধান কৰি অসমৰ হেৰুৱা ইতিহাস উদ্ধাৰ কৰাটো বাঞ্ছনীয় ।

এই মহকুমাৰ (ডিব্ৰুগড়) প্ৰায় নিশ্চিহ্ন হৈ যোৱা আন এটা জাতি হ'ল বিহিয়াসকল । এই বিহিয়াসকলে সোণোৱাল সকলৰদৰেই সোণ কমাইছিল বুলি গেইট চাহাবৰ বুৰঞ্জীত আছে । বিহিয়াসকলে বৰ্তমান নিজক কলিতা বুলিহে পৰিচয় দিয়ে । তেওঁলোকে ভূঞা উপাধি লিখে আৰু বুৰঞ্জী প্ৰসিদ্ধ বৰ বাৰভূঞা আৰু সৰু বাৰভূঞাৰ বংশধৰ বুলি পৰিচয় দিয়ে ।

এইবাৰ আহো এই অঞ্চলৰ লোকাচাৰ আৰু লোকবিশ্বাসলৈ । এই অঞ্চলত বৰ্তমান প্ৰধানকৈ বৈষ্ণৱ ধৰ্ম চলিছে । [illegible] মানুহৰ মনৰ পৰা এতিয়াও প্ৰাচীন ধ্যান ধাৰণা দূৰ হোৱা নাই । বৈষ্ণৱ পন্থাৰ লগতে অনেকে গোস[illegible]ূজাও কৰে । এই অঞ্চল প্ৰাচীন কালৰে পৰা তান্ত্ৰিক ধ্যান ধাৰণাৰ দেশ । ইয়াৰ প্ৰমাণ বাৰঘৰীয়া থান, দেউচালি থান, টিপাম ডাঙৰীয়াৰ থান, দেওশাল (হুগ্ৰীজানৰ ওচৰত) এইবিলাক তান্ত্ৰিক পূজা পাতলৰ স্থানবিলাক। এতিয়াও এইবিলাকত বলি বাহনেৰে পূজা চলি আছে । বেমাৰ আজাৰ হ'লে স্থানীয় লোকে এতিয়াও থানলৈ সোণ ৰূপৰ ফুল, হাঁহ, ছাগলী আগ কৰে । বসন্ত ওলালে মানুহে এতিয়াও আই মাতে। মহমাৰী গাঁৱত আজি কেইবছৰ মানৰ আগলৈকে পানীতোলা সবাহ কৰিছিল । এই পানীতোলা সবাহৰ কিবা বিশেষ গীত-মাত আছে নেকি নেজানো । থাকিলে সেইবোৰ সাহিত্য সভাই ৰক্ষা কৰিব লাগে । এই পানী তোলা সবাহ ডিব্ৰুগড় নগৰৰ খলিয়ামাৰীত পাতে । ডিব্ৰুগড়ৰ পৰাই ই মহমাৰীলৈ আহে । বাৰীত বজ্ৰপাত পৰিলে, কিম্বা ডাঙৰ বেমাৰ আজাৰ হ'লে আজিও মানুহে বৰসবাহ পাতে । এই বৰসবাহ হেনো ইন্দ্ৰ পূজা ! গতিকে বৰসবাহত গায়ন-বায়ন লাগিবই । প্ৰত্যেক গাঁৱতে একোটা নামঘৰ আছে । বিহুৰ সময়ত নামঘৰত ৰাজহুৱা নাম হয় আৰু তিথিয়ে পাৰ্বণে ভকত গোট খাই 'শৰাই ভাঙে ' ॥

পুৰণি লোক বিশ্বাসত মানুহে অনেক ভূতপ্ৰেত বিশ্বাস কৰিছিল । সেইবিলাকৰ নাম বাক্ যক্ষ বা যখ, বীৰা হাঁহ, পোৱালী ভুত, বিয়ৈ যখ, আলখনী, হাতী আলখনী, কণ, জ্ঞাতি ডাঙৰীয়া, চামুন ডাঙৰীয়া, জিগিনী, খেতৰ বা ক্ষেত্ৰ, ধন গুলৈ, কুবেৰ ইত্যাদি । এইবিলাকৰ ভিতৰত বীৰা (চুৰণী আৰু ডলুৱা) হাঁহ পোৱালীভুত এই কেইটা পোহনীয়া । কিছুমান মানুহে এইবোৰ ভূত পোহে বুলি এতিয়াও বিশ্বাস কৰা হয় । ভূত লগাই পঠাব বুলি এনে মানুহৰ ঘৰলৈ যাবলৈকে ভয় কৰা হয় ।

বৰ্তমান এই অঞ্চলত যি খন সমাজ গঢ়ি উঠিছে ই বৃটিছৰ আমোলত নতুনকৈ গঢ় লোৱা । মানৰ দিনত পূৰ্বৰ সমাজ তেনেই চেদেলি ভেদেলি হৈ পৰিছিল । সেই সময়তে আমাৰ সমাজৰ বহুতো ভাল আচৰণ নীতি হয়তো হেৰাই গ'ল । যি অলপ আছিল তাকো পশ্চিমীয়া সভ্যতাৰ আমদানিয়ে নোহোৱা কৰিবৰ উপক্ৰম কৰিলে । সময় থাকোতেই আমাৰ তেজ মঙহৰ লগত সম্বন্ধ থকা পুৰণি কৃষ্টি সভ্যতাক ৰক্ষা কৰিবলৈ কাম নকৰিলে আমাৰ ভৱিষ্যত ভাল নহ'ব । এতেকে বুলি নতুন যুগৰ কথাও মনত নেৰাখিলে নহ'ব । বৰ্তমান গণতান্ত্ৰিক যুগত অসমত নানা জাতিৰ মানুহ ভৰি পৰিলেহি । তেওঁলোকৰ লগত খিলঞ্জীয়া মানুহখিনিয়ে নিজৰ মৌলিক অধিকাৰবোৰ বজাই ৰাখি কেনেকৈ মিলেৰে থাকিব লাগিব তাক চিন্তা কৰা দৰকাৰ । এই কাৰণে প্ৰাচীন ভাৰতৰ লগত অসমৰ ঐতিহাসিক যোগাযোগবোৰৰ খা-খবৰ উলিয়াবলৈ যত্নপৰ হোৱাটো সকলোৰে কৰ্তব্য ।





অৱশেষত উপসংহাৰত আমাৰ বক্তব্য এই যে অসম বুৰঞ্জীৰ গৱেষণা আৰু অনুসন্ধান কোনো এটা অঞ্চলৰ ভিতৰত সীমাবদ্ধ হ'ব নোৱাৰে । একোটা অঞ্চলত লব্ধ তথ্যৰ অৰ্থভেদ কৰিবলৈ বিশ্ব ইতিহাসৰ সূত্ৰ ধৰিবলগীয়া হয় । গেইট চাহাবৰ অসম বুৰঞ্জীৰ এটা ঐতিহাসিক তথ্য উদাহৰণ স্বৰূপে দাঙি ধৰি এই কথাৰ যথাৰ্থ প্ৰকাশ কৰিবলৈ মন কৰিলোঁ । যেনে গেইট চাহাবৰ বুৰঞ্জীত আহোম ৰজাৰ 'চোম দেউ' সম্বন্ধে এটা টোকা দিয়া হৈছে । টোকাটোত লিখিছে "১৮১৯ চনত পুৰন্দৰ সিংহই বঙ্গদেশত আশ্ৰয় গ্ৰহণ কৰোতে তেওঁৰ হাতত তেতিয়াও চোম দেউ আছিল । ১৯১২ চনত তেওঁৰ (পুৰন্দৰ সিংহৰ) বংশধৰ যোৰহাটৰ কোঁৱৰ চন্দ্ৰ নাৰায়ণ সিংহৰ হাতত কৰ্ণেল পি, আৰ, গৰ্ডণে (চি অচ্ আই) এচলা দীঘলীয়া কিন্তু মূৰৰ ফালে ঘূৰণীয়া ধাতুৰ পাত পাইছিল । জোখ ৯-১/২-X৩-১/২-ঞ্চি আৰু আধা ইঞ্চি ডাঠ । সেইডোখৰ হেনো চোমদেউৰ খুৰা হিচাপে ব্যৱহাৰ হৈছিল । ওপৰৰ ফালে এটা বিন্ধা আছিল । শিঙৰি ঘৰত উঠাৰ সময়ত স্বৰ্গদেউ সকলৰ ডিঙিত ইয়াক ওলোমাই দিয়া হৈছিল । চোমদেউ এডোখৰ গোল আধাৰত বহুৱাই থোৱা হীৰা বুলি গৰ্ডনৰ আগত কোৱা হৈছিল আৰু ইয়াক পুৰন্দৰ সিংহৰ ভাগিনীয়েকে ধনৰ নাটনিৰ সময়ত কলিকতাত বিক্ৰি কৰিলে । আৰু কোৱা হৈছিল বোলে হেনো এটাৰ ভিতৰত আনটো সোমোৱাই থব পৰা সাতোটা সোণৰ পেতাৰি (য'ত চোম দেও আৰু ধাতুৰ পাত চটা ৰখা হৈছিল) বিকা গৈছিল । পাতচটাৰ পিঠি আগ আৰু ভিতৰফালে চীনা আখৰেৰে লিখা আছিল । সমুখৰ ফালে লিখা আছিল 'অধিকাৰে লিপি তাং ৫ম যুৱা লো বছৰ' (খৃঃ আঃ ১৪০৮) । পিঠি ফালে লিখা "মহামান্য সম্ৰাটৰ হুকুম মতে বৰ্ডৰ সভাপতিয়ে দুয়োটা অধাৰ্শ মিলাই চায় ।" বাওঁফালে লিখা "বিশ্বাসী হোৱা" সোঁফালে লিখা "শাসন কাৰ্যকৰী হওক থিমাচাৰ শান্তিৰ কাৰণে ৰাজকীয় আয়োগ।" সমুখ আৰু পিঠি ফালৰ লিখাখিনি সম্পূৰ্ণ । কিন্তু দাঁতিৰ লিখা খিনি মাত্ৰ আধা অংশহে ; বাকী অংশ তেনেধৰণৰ আন এচলাত লিখা থাকে যি চলা সেই কালৰ নিয়ম মতে চীনৰ ৰাজধানীত ৰাখিব লাগে । তলতীয়া শাসনকৰ্তাসকলে কৰ পঠালে লগত সেই পাতচলা পঠায় । চীনা বিষয়াই সেই পাত চলা তেওঁলোকৰ নিজৰ হাতত থকা চলাটোৰ সৈতে মিলাই চায় । দুয়ো চলা মিলিলে কৰ গ্ৰহণ কৰা হয় । থিমাছা ৰাজ্য উত্তৰ শ্যামৰ এখন প্ৰদেশ চিংমাই বুলি জনা গৈছে (এজন ইংৰাজ ঐতিহাসিকৰ মতে) । এই চিংমাই ১৬ শতিকাতে চীনৰ কৰতলীয়া আছিল । কিন্তু আহোম ৰজাসকলৰ হাতলৈ সেই পাতচলা কেনেকৈ আহিল আৰু কিয়নো তাক তেওঁলোকৰ দেৱতা চোমদেউৰ লগত ৰখা হৈছিল এইটো প্ৰশ্নহে মীমাংসা হ'বলৈ থাকিল ।"

এই আচৰিত তথ্যৰ ৰহস্য উদ্ঘাটন কৰিবলৈ চীন দেশৰ ইতিহাস, শ্যাম দেশৰ ইতিহাস অধ্যয়ন কৰিবই লাগিব । এইদৰে এখন দেশৰ ইতিহাসৰ লগত আন এখন দেশৰ সম্বন্ধ থাকে আৰু এই কাৰণেই বুৰঞ্জী অনুসন্ধানৰ কাম অতি দুৰূহ । এই কামে মুষ্টিমেয় লোকৰ দ্বাৰা সম্ভৱ নহয় । গতিকে আমাৰ প্ৰচেষ্টাত সামান্যতম বুৰঞ্জীমূলক তথ্য এটা সংগ্ৰহ কৰাতো প্ৰতিজন নাগৰিকৰ সহযোগিতা একান্ত বাঞ্ছনীয় ।

# পথৰুঘাটৰ ৰণ

--শিশিৰ কুমাৰ শৰ্মা

২৮ জানুৱাৰী। আজিৰ পৰা এশ বছৰ আগৰ এই ঐতিহাসিক দিনটোতেই 'পথৰুঘাট'ত হেজাৰ হেজাৰ হিন্দু-মুছলমান দৰঙী কৃষক প্ৰজাই একগোট হৈ সাম্ৰাজ্যলোলুপ বৃটিছ চৰকাৰৰ শোষণ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি কৃষক বিদ্ৰোহৰ সূচনা ক[illegible]। অকল সেয়ে নহয় বৃটিছৰ চিপাহীৰ গুলীত ১৪০ গৰাকী কৃষক শ্বহীদ হৈছিল আৰু শতাধিক কৃষক আহত হৈছি[illegible]ইসকললৈ শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি সুঁৱৰিছো।

ঐতিহ্যমণ্ডিত 'পথৰুঘাট' আজিৰ পাথৰিঘাট দৰং জিলাৰ সদৰ মঙলদৈ চহৰৰ পৰা ১৭ কিঃমিঃ পশ্চিমে ছিপাঝাৰ সমষ্টিৰ বইনাকুচি মৌজাৰ দ্বিগজ নামৰ সৰু নৈৰ খনিৰ পাৰত অৱস্থিত। মঙলদৈৰ ভিতৰত এডোখৰ প্ৰধান ঠাই বুলি জনাজাত। এশ বছৰ আগত এই ঠাইত ৰাজহ আদায় কৰা এটা তহচিল অফিচ আৰু এখন উচ্চ প্ৰাইমাৰী স্কুল আছিল। অধিবাসীসকলৰ ভিতৰত মুছলমান সংখ্যা গৰিষ্ঠ। এই পথৰুঘাটত স্বাধীনচিতীয়া দৰঙী প্ৰজাই স্বাধীনতাৰ অভিলেখ ৰচিছিল ১৮৯৪ চনত।

ঐতিহাসিক এই কৃষক বিদ্ৰোহৰ প্ৰধান কাৰণ আছিল সাম্ৰাজ্যলোলুপ বৃটিছ চৰকাৰৰ সাধাৰণ কৃষক প্ৰজাৰ ওপৰত চলোৱা শোষণৰ নীতি অৰ্থাৎ মাটিৰ খাজনা বৃদ্ধি আৰু নাঙলৰ ওপৰত লগোৱা কৰ। শাসনৰ অজুহাতত আৰু কৃষকসকলৰ পৰা যথাপৰিমিত খাজনা আদায় নকৰাৰ অজুহাতত বৃটিছ শাসক গোষ্ঠীয়ে অসমৰ কৃষক প্ৰজাৰ মাটিৰ ওপৰত ৭০-৮০ শতাংশ খাজনা বঢ়োৱাৰ সিদ্ধান্ত হৈছিল। ১৮৫৭ চনৰ প্ৰথম স্বাধীনতা আন্দোলন সংঘটিত হোৱাৰ বাবে ১৮৫৮-৫৯ চনত চৰকাৰৰ বাজেট ঘাটিৰ পৰিমাণ ১৪ নিযুত পাউণ্ড হৈছিল আৰু চৰকাৰী ঋণো প্ৰায় ৭০ নিযুত হৈছিল বুলি জনা যায়। এই ঘাটি পূৰণৰ বাবে বিভিন্ন কৰ বহুৱাৰ ব্যৱস্থাৰে ১৮৬০ চনত ভাৰতত আয়কৰ আৰোপ কৰি পিছৰ বছৰতে ইয়াক অসমলৈ সম্প্ৰসাৰিত কৰিছিল। ইয়াৰ ১৮৫৮ চনত অসমত ষ্টাপ কৰ আৰু কামৰূপ, দৰং আৰু নগাৱঁত আৱকাৰী কৰ বহুওৱা হৈছিল।

এনেদৰে বিভিন্ন কৰৰ বোজা অসমীয়া কৃষক প্ৰজাৰ ওপৰত পৰাৰ বাবেই ১৮৬১ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখে প্ৰায় এহেজাৰ নগাঁৱা প্ৰজাই সদৰ কাছাৰীত গৈ উপায়ুক্তৰ ওচৰত প্ৰতিবাদ কৰিছিল। এই প্ৰতিবাদৰ মুখ্য কাৰণ আছিল বৃটিছ চৰকাৰে আফিং খেতিৰ ওপৰত লগোৱা কৰ। প্ৰতিবাদৰ পিচদিনাই অৰ্থাৎ ১৮ চেপ্তেম্বৰ তাৰিখে নগাঁৱৰ ফুলগুৰিত বহা, বাৰপূজীয়া, ফুলগুৰি আদি ঠাইৰ কৃষকসকলে সমবেতহৈ এক বিপ্লৱৰ সূচনা কৰিছিল। বিপ্লৱী ৰাইজে জিলাধিপতি স্কন্‌চ চাহাবৰ প্ৰতিনিধি চোট চাহাব লেফ্‌টেনেণ্ট চিংগাৰক লাঠিৰে কোবাই মাৰি পেলাইছিল। ইয়াৰ ফলত বহুতৰে ফাঁচী আৰু বহুতৰে দীপান্তৰ হৈছিল।

১৮২২ চনত অসমৰ অন্যান্য প্ৰান্তৰ লগতে অতীতৰ গৌৰৱময় দৰঙী ৰাজ্যও মানৰ অধীনলৈ যোৱাৰ লগতে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্তানুসাৰে বৃটিছৰ অধীন হয়। বৃটিছৰ অধীনত থকা কালছোৱাত স্বাধীনমনা





দৰঙীপ্ৰজাই নিজৰ ৰাজনৈতিক সচেতনতাৰ নিদৰ্শন কেইবাবাৰো দাঙি ধৰিছিল। অৰ্থনৈতিক শোষণকেই মূল লক্ষ্য কৰি লোৱা বৃটিছ সকলে সঘনে মাটি পিয়ল কৰি ৰাজহৰ পৰিমাণ ক্ৰমান্বয়ে বঢ়াবলৈ আৰম্ভ কৰিছিল। ১৮৫৩ চনত বৃটিছ শাসনৰ বিষয়ে অনুসন্ধান কৰিবলৈ অহা কলিকতাৰ সদৰ দেৱানী আদালতৰ বিচাৰক এ-জে মোফাট মিল্‌চৰ প্ৰতিবেদনৰ পৰা দৰঙত ৰাজহ কি হাৰত বৃদ্ধি পাইছিল তাৰ স্পষ্ট ছবি এখন পাব পাৰি। ১৮৩২-৩৩ চনত ৪১,৫০৬ টকা, ১৮৪২-৪৩ চনত ১৩৫,৪৫৪ টকা, ১৮৫২-৫৩ চনত ১৫৭, ৭৯৫ টকা।

এইদৰে প্ৰতি দহবছৰে খাজনাৰ হাৰ বৃদ্ধি পাবলৈ ধৰাত স্বাধীনচিতীয়া দৰঙী প্ৰজাৰ মনত বিদ্ৰোহে ঠাই লয়। ১৮৪১ চনত দৰঙী কৃষকৰ নাঙলখনে প্ৰতি তিনি টকাকৈ কৰ লগোৱাত, কৃষক ৰাইজে কৰ নিদিয়াৰ সিদ্ধান্ত কৰি প্ৰতিবাদ জনাই কৰ বন্ধ কৰিছিল। আকৌ ১৮৬৮ চনত বৰ্দ্ধিত হাৰত খাজনা আদায় দিবলৈ চৰকাৰ আদেশ অহাত প্ৰজাৰ মনত আগৰে পৰা উমি উমি জ্বলি থকা বিদ্ৰোহে প্ৰথমবাৰৰ বাবে আত্ম প্ৰকাশ কৰিছিল এই পথৰুঘাটতে। পথৰুঘাটৰ লগতে সেই একে সময়তে (পথৰুঘাটৰ ৰণৰ কেইদিনমান পিছতে) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী আৰু উত্তৰ কামৰূপৰ ৰঙিয়া, লাচিমাটো কৃষক বিদ্ৰোহ সংঘটিত হৈছিল।

১৮৯৪ চনত বৃটিছ চৰকাৰে পুনৰ ৰাজহ বৃদ্ধি কৰাত দৰঙীপ্ৰজা তথা কৃষক ৰাইজ পুনৰ জকি উঠিল। ২৬ জানুৱাৰী তাৰিখ দেওবাৰে (?) পথৰুঘাটত বৃহত্তৰ অঞ্চলৰ ৰাইজৰ মেল বহে দ্বিগজনদীৰ পাৰৰ মুকলি পথাৰত আৰু সভাৰ সিদ্ধান্ত অনুসৰি বৰ্দ্ধিত হাৰত খাজনা দিয়া নহয় বুলি তহচিলদাৰ ভবানী চৰণ ভট্টাচাৰ্য্যক জনাই দিয়ে। তহচিলদাৰৰ পৰা প্ৰজাৰ মনোভাৱ বুজিব পাৰি নিৰ্দিষ্ট দিনত জিলাধিপতিয়ে মহকুমাধিপতিৰ সৈতে প্ৰজাৰ অভিযোগ শুনিব বুলি তহচিলদাৰৰ জৰিয়তে ৰাইজক জনাই দিয়ে।

২৮ জানুৱাৰী, ১৮৯৪ চন, মঙলবাৰ (কোনোৰ মতে বৃহস্পতি বাৰ ?)। বৰচাহাব (জিলাধিপতি) জে, ডি এণ্ডাৰচন, মহকুমাধিপতি ৰেমছন আৰু মহকুমা পুলিচ বিষয়া মিষ্টাৰ বেৰিংটনে বাৰজন সশস্ত্ৰ চিপাহী আৰু ১৯জন বন্দুকধাৰী পুলিচলৈ বিদ্ৰোহী প্ৰজাক এশিকনি দিয়াৰ আশা পাণ্ডি পথৰুঘাটৰ ডাক বঙলাত (?) আহি উপস্থিত হয়। সেই ঠাইতে দৰঙৰ বিভিন্ন ঠাইৰ পৰা অহা হেজাৰ হেজাৰ হিন্দু-মুছলমান কৃষক প্ৰজাই বিক্ষোভ প্ৰদৰ্শন কৰিবলৈ নিৰস্ত্ৰ ভাৱে উপস্থিত হৈছিল।

নৰোত্তম নামৰ (ছদ্ম নাম ?) প্ৰত্যক্ষদৰ্শী এজনে পথৰুঘাটৰ ৰণৰ বৰ্ণনা কৰি গোৱা পদ্যৰ মুখে মুখে বাগৰি অহা উক্ত পদ্যৰ ভিত্তিত সংকলিত 'দলি পুৰাণ'ৰ ভাষাৰে -

*- কোন কিমান মানুহ গে'ল তাৰ সীমা নাই।*
*কৰ পৰা কোন গে'ল সীমা সংখ্যা নাই"*
*-যিদৰে দেখিলো মই সিদৰে লিখিলো।*
*নাম নজনাৰ দোষে কিছু বাদ দিলো।*

হেজাৰ -হেজাৰ হিন্দু-মুছলমান কৃষক ৰাইজৰ অনুৰোধ অমান্য কৰি এণ্ডাৰছন আৰু ৰেমছনে নিষ্ঠুৰ ভাৱে

ঘোষণা কৰিলে যে বৰ্দ্ধিত খাজনা ৰেহাই দিব নোৱাৰি। হুকুম হুকুমেই । ইয়াৰ সলনি নহ'ব।

এনে নিষ্ঠুৰ বাক্য শুনি ৰাইজৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গ'ল। মৰণক শৰণ কৰি হিন্দু মুছলমানে একেলগে "হৰি-ব'ল" আৰু "আল্লা-হো আকবৰ" ধ্বনি তুলি ইংৰাজ চাহাবৰ টেটু চেপি মাৰিবলৈ আগবাঢ়িল। কৃষক ৰাইজৰ ফৰ্মুটিত ইংৰাজ চাহাবৰ মূৰৰ টুপী ছিটিকি পৰিল। লগে লগে বৰ চাহাবৰ আদেশত উত্তেজিত ৰাইজৰ গালৈ ওপৰা-ওপৰি গুলী বৰ্ষণ কৰিলে। নিৰস্ত্ৰ ৰাইজে পথাৰত থকা কুঁহিয়াৰৰ খৰি, পকা দলি চপৰা, কাৰোবাৰ হাতৰ লাখুটিৰেই পুলিচৰ ওপৰত আক্র[illegible]। কিন্তু বন্দুকৰ গুলীৰ আগত সকলো বিফল। হত্যাকাৰী বৃটিছ চন্তৰীৰ হাতত দুমহু শৰ্মা, বৰলিকিৰা শ্বেখ, প্ৰাণহাৰ শৰ্মা, কাটাশ্বেখ, ঘনদেউ শৰ্মা, বলীশ্বেখ, বকুল কোঁচ, শিশুৰাম আদি অগণন হিন্দু-মুছলমান প্ৰজা কান্ধত ধৰা ধৰিকৈ ঢলি পৰিল পথৰুঘাটৰ পথাৰত। পথৰুঘাটত স্বদেশপ্ৰেমী, নিৰ্ভীক দৰঙী প্ৰজাৰ বুকুৰ কেঁচা তেজে স্বাধীনতা প্ৰীতিৰ এক নতুন ইতিহাস ৰচনা কৰিছিল। "দলি পুৰাণ"ৰ ভাষাৰে -

কোন কিমান কত মৰিল তাৰ সীমা নাই।
খেদা খোৱা ৰাইজৰ অশেষ বিলাই॥
কপালত পৰি আঠিয়াৰ দেৰি হ'ল তেজ ।
কান্ধত গুলী পৰি মৰিল সৰু বাপু বেজ॥
ৰতিমনৰ হাতত পৰিল ভাল হোৱা টান ।
লোক্ৰাই গেঞা হলি মৰিল চিঙি গেল কাণ॥
ভাঠি ৰায় গাওঁবুঢ়াৰ চিঙি গ'ল গোৰা।

০০০০০০০০

তপধন ডেকাৰ গুলী পৰি বাহিৰ হল নাড়ী।
বাগৰু কোঁচ পৰি আছে থিপিত থিপতি কৰি॥
চাউল গেল চৰু গেল আৰু গেল চিৰা।
পেটত গুলী পৰি মৰিল মিঞা বৰলিকিৰা॥
কতোৰ ভাঙিলেক হাত কতোৰ যে ভৰি ।
কতো কতো থাকিলেক অচেতন হৈ পৰি॥

এইদৰে সম্প্ৰীতিৰ মহা মিলনৰ সেতু ৰচনা কৰি দৰঙী কৃষক ৰাইজৰ বুকুৰ তেজেৰে পথৰুঘাটৰ কলা মাটি ৰাঙলী হৈছিল। পথাৰৰ পকা দলিচপৰাত তেজৰ চেকুৰা। বন্দুকৰ গুলীত ১৪০ জন হিন্দু মুছলমান কৃষক শ্বহীদ হৈছিল আৰু আহত হৈছিল প্ৰায় ১৫০ জনমান। চৰকাৰী বিৱৰণী মতে (অসম ডিষ্ট্ৰিক্ট গেজেট, ভলিউম-৫) এই ৰণত মাত্ৰ ১৫ জন লোক নিহত আৰু ৩৭ জন আহত হৈছিল। আনহাতে বুৰঞ্জীবিদ স্বাধীনতা সংগ্ৰামী স্বৰ্গীয় দীনেশ্বৰ শৰ্মাৰ 'পথৰুঘাটৰ ৰণ' নামৰ কাব্যপুথিত ৪০ জন শ্বহীদৰ নাম উল্লেখ কৰি গৈছে। পথৰুঘাটৰ ৰণৰ শ্বহীদ সকলক চিপাহীয়ে নি পথাৰৰ





মাজৰ দ খাল এটাত পেলাই থৈ দিয়ে। সেয়েই আজিৰ 'সমাধিতীৰ্থ'। পথৰুঘাটৰ ৰণৰ শতাব্দীজোৱা চিহ্ন হিচাপে ৰিঙিয়াই আছে প্ৰায় দুই কঠা মান মাটিৰ হাবিয়নী ডৰাই। ঐতিহাসিক দিশৰ পৰা চাই এই বিষয়ে যথেষ্ট অনুসন্ধান আৰু গৱেষণা কৰাৰ প্ৰয়োজন আছে। 'পথৰুঘাটৰ ৰণ' বিষয়ক প্ৰায়বোৰ লিখনিত ৰণ খন দ্বিগজনদীৰ পাৰৰ ডাক বঙলাটোৰ সমুখত হোৱা বুলি উল্লেখ কৰি আহিছে । প্ৰশ্ন হয় ৰণত নিহত ১৪০ গৰাকী কৃষকক চিপাহীয়ে নিচেই ওচৰতে থকা দ্বিগজ নৈৰ বুকুত কিম্বা তাৰ কাষৰ হাবিয়নীৰ গাঁতত নেপেলাই বঙলাৰ পৰা এক ফাৰ্লং দূৰৰ গাঁত এটিত কিয় পেলালে? সেই সকলৰ কি প্ৰয়োজন আছিল দূৰলৈ নি এঠাইত পেলাবলৈ ? সেই ফালৰ পৰা চাবলৈ গ'লে ৰণৰ থলী বঙলাৰ সন্মুখ নাছিল যেন লাগে। ইয়াৰ ভিত্তিত এইটো জনা যায় যে, 'সমাধিতীৰ্থৰ ওচৰতে তহচিল অফিচ আছিল আৰু এই অফিচৰ সন্মুখতহে ৰণখন হৈছিল। বৰ্ত্তমানৰ ৰাস্তাটোৰ এফালে (উত্তৰ দিশত) অফিচটো আছিল। আনফালে দখালটো সহ পথাৰখন। কোনো কোনোৰ মতে ১৯১৯ চন মানতহে ডাক বঙলাটো সাজে। তহচিল অফিচটো ৰণৰ পিচত মঙলদৈলৈ উঠাই দিয়ে। তেওঁলোকৰ মতে তহচিল অফিচৰ কাষৰ পকা কুঁৱাটো এতিয়াও মহঃ মহীবুল্লা আলিৰ চোতালত পোত খাই আছে। এনে ভালেমান তথ্য পোৱাৰ সম্ভাৱনা আছে। আনহাতে দৰঙৰ এগৰাকী সিংহ পুৰুষ ঁচণ্ডীনাথ শৰ্ম্মাৰ জন্ম তাৰিখ বাৰৰ পৰা (১৮৯৪, ১৪ জানুৱাৰী, শুক্ৰবাৰ) হিচাপ কৰিলে পথৰুঘাটৰ ৰণ'ৰ বাৰ মংগলবাৰৰ পৰিবৰ্তে শুক্ৰবাৰ হ'ব লাগে)।'

হিন্দু মুছলমানক একেলগে সমাধিস্থ কৰাৰ নিদৰ্শন সম্ভৱতঃ পৃথিবীৰ ক'তো বিচাৰি পোৱা নাযাব। বৰ্তমানেও ঐতিহাসিক পথৰুঘাটৰ সেই কবৰটোৱে ৰিঙিয়াই আছে। ১৪০ গৰাকী হিন্দু মুছলিম বীৰ কৃষক শ্বহীদ সেই কবৰটোত একেলগে গলত ধৰাধৰিকৈ শুই থাকি সোঁৱৰাই কৈছে - "আমাৰ সাতামপুৰুষীয়া সংহতি, সমন্বয় জাউতি যুগীয়া ।" কিন্তু এনে এটা আদৰ্শনীয় তথা শতাধিক শ্বহীদৰ সমাধিস্থলী আজিও অৱহেলিতহৈ থকাৰ লগতে এই বিদ্ৰোহে ভাৰত বুৰঞ্জীত স্থান নোপোৱাটো বৰ পৰিতাপৰ কথা। কিন্তু সময়ত যে এই কাহিনী দেশৰ বুৰঞ্জীত সোণালী আখৰেৰে লিপিবদ্ধ হ'ব তাত সন্দেহ নাই। বুৰঞ্জীবিদসকলে ইয়াৰ প্ৰকৃত বুৰঞ্জী উদ্ঘাটন কৰিবলৈ আগবাঢ়ি অহাৰ প্ৰয়োজন আছে আৰু ই এক মহান দায়িত্বও ।

ঐতিহাসিক পথৰুঘাটৰ ৰণক লিপিবদ্ধ তথা স্মৰণীয় কৰিবলৈ চলোৱা শতাব্দী জোৰা প্ৰচেষ্টা সমূহৰ চমু আভাষ দাঙি ধৰিলো ঃ- ১৮৯৪ ৰ পৰা ১৯৪৬ চনলৈকে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল বিতং জনা নাযায় যদিও সাধাৰণ ভাৱে বাৰ্ষিকী পালন কৰা বুলি জনা যায়। ১৯৪৭ চনৰ স্বাধীনতা দিৱসৰ দিনা এক সমাৰোহ উদ্‌যাপন কৰিছিল এই পথৰুঘাটত । ইয়াত মঙলদৈৰ সংগ্ৰামী পুৰুষ বিপিন মেধি, কুমুদ বৰা আদিয়ে আগভাগ লোৱাৰ কথা পোৱা যায়। ১৯৪৮ চনত পাথৰিঘাট হাইস্কুল স্থাপন হোৱাৰ পাচত হাইস্কুল চৌহদত বিশিষ্ট সমাজ সেৱী সংগ্ৰামী ভুৱন চন্দ্ৰ ডেকাৰ দানেৰে এটি শ্বহীদ স্তম্ভ নিৰ্মাণ কৰে আৰু ইয়াৰ আধাৰ শিলা স্থাপন কৰে ১৯৫২ চনৰ ১২ জানুৱাৰীত তেতিয়াৰ গভৰ্ণৰ জয়ৰাম দাস দৌলত ৰামে। ১৯৫২ চনৰে পৰা ১৯৮১ চনলৈকে অনুষ্টুপীয়াকৈ "কৃষক শ্বহীদ দিৱস" পালন কৰি আহিছে। ১৯৮২ চনত দৰঙী ৰাইজ আৰু কৃষক সভাৰ উদ্যোগত বিস্তৃত ভাৱে পালনৰ দিহা কৰে। ১৯৮৭ চনৰ পৰা সদৌ অসম ছাত্ৰ সন্থাই যোগদান কৰে আৰু ১৯৮৯ চনৰ পৰা সন্থাই নিজাকৈ বহল ভাৱে পালন কৰি আহিছে দৰঙী কৃষক সভা আৰু স্থানীয় ৰাইজৰ সহযোগত। শতবৰ্ষ পূৰ্ত্তি উপলক্ষে সদৌ অসম ছাত্ৰ সন্থাই তিনিদিনীয়া কাৰ্যসূচীৰে

কৃষক শ্বহীদ দিৱসৰ আয়োজন কৰিছে। পথৰুঘাটৰ ৰণৰ ইতিহাসক পোহৰলৈ অনাত ছাত্ৰ সন্থা আৰু অগপ চৰকাৰৰ অৱদান যথেষ্ট। উল্লেখযোগ্য স্থানীয় ৰাইজে ভূৱন ডেকা দেৱে দান দিয়া দুই কঠা মাটিত এটি শ্বহীদ ভৱন নিৰ্মাণৰ বাবে ১৯৭২ চনত মহেন্দ্ৰ মোহন চৌধুৰী দ্বাৰা আধাৰশিলা স্থাপন কৰাইছিল যদিও সময়ত আধাৰশিলাও নোহোৱা হ'ল। উক্ত মাটি যিখিনিত বৰ্ত্তমানে পঞ্চায়তৰ কমিডিনিটি গৃহ স্থাপন হৈছে। অৱশ্যে ইয়াৰ লগত এখন শ্বহীদ উদ্যানৰ প্ৰস্তাৱ কৰিছে। ১৯৯০ চনৰ ২ চেপ্তেম্বৰত অগপ মন্ত্ৰী স্থানীয় বিধায়ক জয়নাথ শৰ্মাই পাথৰিঘাট মজলীয়া বিদ্যালয় প্ৰাঙ্গণত আধাৰশিলা স্থাপন কৰা শ্বহীদ ভৱন (প্ৰেক্ষাগৃহ) টি সম্পূৰ্ণ হোৱাৰ পথত। ইয়াৰ উপৰিও পাথৰিঘাট অঞ্চলৰ ৰাইজে ১৯৮৪ চনত এখন কৃষক শ্বহীদ স্মৃতি প্ৰাঃ বিদ্যালয় স্থাপন কৰে আৰু একমাত্ৰ প্ৰাঃ বিদ্যালয় খন আজিও চৰকাৰী কৰণ হোৱা নাই। ১৯৯১-৯২ বৰ্ষত এখন মহাবিদ্যালয় আৰম্ভ কৰিছিল যদিও মৃত্যু মুখত পৰে । সদৌ অসম ছাত্ৰ সন্থাই নিৰ্মাণ কৰা সমাধিতীৰ্থ বেদীৰ উন্মোচন কৰে ১৯৮৭ চনত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই। এই বেদী, ৰণৰ সমাধি চিহ্ন হাৰিয়নীৰ ওচৰতে নিৰ্মাণ কৰিছে।

পথৰুঘাটৰ ৰণৰ ওপৰত এখন শুদ্ধ ইতিহাস আজিলৈ ৰচনা হোৱা নাই যদিও স্বাধীনতাৰ পিচৰে পৰা ইয়াক বিভিন্ন ধৰণে লিপিবদ্ধ কৰাৰ প্ৰয়াস কৰি আহিছে। পথৰুঘাটৰ ৰণৰ এজন প্ৰত্যক্ষদৰ্শী ব্যক্তি নৰোত্তমৰ দ্বাৰা ৰচিত পদ সমূহ মৌখিক ভাবে বিভিন্ন অঞ্চলৰ মানুহৰ মুখে মুখে সিঁচৰতি হৈ থকা মঙলদৈ বামুনপাৰাৰ শ্ৰীপ্ৰসন্ন কুমাৰ শৰ্মা আৰু শ্ৰীহৰেন্দ্ৰ শৰ্মাই সংগ্ৰহ কৰি "দলি পুৰাণ" নামে এখনি কাব্য গ্ৰন্থ প্ৰকাশ কৰে। বুৰঞ্জীবিদ দীনেশ্বৰ শৰ্মাইও সেই একেসময়তে "পথৰুঘাটৰ ৰণ" নামৰ কাব্য পুথি এখনি ৰচনা কৰি প্ৰকাশ কৰে (বৰ্ত্তমানে দুষ্প্ৰাপ্য)। দলি পুৰাণ' খন ১৯৮৪ চনত শ্ৰীপ্ৰসন্ন কুমাৰ শৰ্মাই (অৱসৰ প্ৰাপ্ত আই এ-এচ) পুনৰ প্ৰকাশ কৰে। পথৰুঘাট ৰণৰ ওপৰত বিষয়া ৰচিত মঞ্চ সফল নাট নাট্যকাৰ দেবেশ শৰ্মাৰ "১৮৯৪", লক্ষী কোঁৱৰৰ "পথৰুঘাটৰ ৰণ (অনাতাঁৰ নাট), অধ্যাপক পৰমানন্দ ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ" (মঞ্চ অনাতাঁৰ)। অপ্ৰকাশিত অৱস্থাত থকা 'পথৰুঘাটে কিয় ৰিঙিয়াই" নামৰ এখন ইতিহাস গ্ৰন্থও আছে লিখক শ্ৰীআনন্দ দাসৰ। ইয়াৰ উপৰিও দৰঙৰ বিভিন্ন আলোচনীৰ পাতত অসমৰ আগশাৰীৰ বিভিন্ন বাতৰি কাকতত উচ্চ মানদণ্ডৰ প্ৰবন্ধ বিভিন্ন লেখকৰ প্ৰকাশ পাইছে। দৰঙৰ "ফিৰিঙিতি"ত শ্ৰীৰাজেন ডেকাৰ "দ্বিগজৰ পাৰে পাৰে" নামৰ এখনি উপন্যাসিকও প্ৰকাশ পাইছে.

শতাব্দী জোৰা প্ৰচেষ্টাৰ এক উল্লেখযোগ্য সাফল্য হ'ল নাট্যকাৰ দেবেশ শৰ্মাৰ কাহিনীৰে, ৰাজেন ৰাজখোৱা পৰিচালিত আৰু জে, এছ প্ৰডাক্‌চনৰ দ্বাৰা প্ৰযোজিত গুৱাহাটী দূৰদৰ্শনৰ ১৯৯২ চনৰ এখন সফল ঐতিহাসিক ধাৰাবাহিক "পথৰুঘাটে ৰিঙিয়াই" । পথৰুঘাটৰ সেই পথাৰতে বচা বচা ন-পুৰণি শিল্পীয়ে অভিনয় কৰি পথৰুঘাটক জীৱন্ত কৰি তুলিছে। ইয়াৰ উপৰিও অধ্যাপক ৰাজবংশীৰ নাঙল, মাটি আৰু মানুহ নামৰ নাটখনি গুৱাহাটী দূৰদৰ্শন যোগে প্ৰচাৰিত হৈছে।

"পথৰুঘাটৰ ৰণ"ৰ এটা সুকীয়া গুৰুত্ব আছে, সেয়া হ'ল হিন্দু-মুছলমানৰ একতাৰ অপূৰ্ব নিদৰ্শন। কোনো ধৰ্মীয় অনুভূতিয়ে বৰ্ত্তমানৰ দৰে এই বিদ্ৰোহত ইন্ধন যোগোৱা নাছিল। ফমূৰ্টি পকা দলিচপৰাৰে সশস্ত্ৰ বৃটিছ চিপাহীৰ লগত যুঁজদিবলৈ আগবাঢ়ি যোৱাটো নিশ্চয় দৰঙী ৰাইজৰ চূড়ান্ত স্বাধীনতা প্ৰেমৰেই নিদৰ্শন। কেৱল ঐতিহাসিক দিশৰ পৰাই নহয়, অসমৰ সাম্প্ৰতিক পৰিস্থিতিত তথা অদূৰ ভৱিষ্যতেও "পথৰুঘাটৰ ৰণ"ৰ ত্যাগ, সম্প্ৰীতি, সাহস প্ৰেৰণা আৰু আদৰ্শৰ তাৎপৰ্য্য আছে আৰু থাকিব। নিজ নাঙল, মাটি আৰু দেশৰ বাবে আত্মোৎসৰ্গৰ এনে উদাহৰণ ভাৰতৰ ইতিহাসতেই নহয় বিশ্বৰ ইতিহাসটো বিৰল। সেয়ে পথৰুঘাটে চিৰদিন ৰিঙিয়াই থাকিবই। (১৯৯৪ চনৰ ২৮ জানুৱাৰীৰ দৈনিক জনমভূমি কাকতৰ পৰা সংগ্ৰহিত) ●●





# অসমৰ বৈচিত্ৰ্যপূৰ্ণ শিল্পকলা

-মাধৱ বৈশ্য

অসমৰ গাৱেঁ-ভূঞে প্ৰচলিত আৰু বংশানুক্ৰমে চলি অহা শিল্পকলা সকলোৰে আদৰৰ বস্তু। ইয়াৰ অসাধাৰণ নৈপুণ্যতাৰ বৰ্ণ, গীতিছন্দ আৰু জীৱনছন্দৰ প্ৰকাশভঙ্গি লক্ষ্য কৰিবলগীয়া। দেশৰ নিৰ্য্যাতিত, নিষ্পেষিত, নিৰক্ষৰ গাৱঁলীয়া ৰাইজৰ মাজত এই শিল্পকলা সুন্দৰকৈ প্ৰৱৰ্তি আছে আৰু তাৰ নিদৰ্শনবোৰ অসমৰ বিভিন্ন ঠাই আৰু ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। এই শিল্পকলাই অতীত অসমৰ সাংস্কৃতিক জাতীয় জীৱনৰ উচ্চ মানদণ্ড উন্নত কৰি ৰাখিব। আজি কালিৰ শিক্ষিত অৰ্ধশিক্ষিত লোকসকলৰ হাতত পৰি এই শিল্পকলা লুপ্ত প্ৰায় হৈছে যদিও দেশৰ গাৱেঁ-ভূঞে কম পৰিমাণে হলেও জীয়াই আছে। অসমৰ বিভিন্ন জিলাৰ পৰম্পৰা এই শিল্পকলা বেলেগ বেলেগ মাধ্যমত দেখিবলৈ পোৱা যায় আৰু লগতে এইবোৰে অসমীয়া শিল্পৰ উৎকৃষ্ট অৰিহণা যোগাইছে। কিন্তু পশ্চিমীয়া শিল্পৰ প্ৰভাৱে বংশানুক্ৰমে চলি অহা থলুৱা ৰাইজৰ দৈনন্দিন জীৱনৰ শিল্পকলাক নষ্ট কৰি পেলাইছে যদিও ই আকৌ আমাৰ মাজলৈ আহি উচ্চ পৰ্য্যায়ৰ বুলি আজি পৰিগণিত হৈছে। যিদৰে কুৰি শতিকাৰ পাশ্চাত্যৰ পৃথিৱী বিখ্যাত শিল্পী পাব্‌লো পিকাচোই উত্তৰ আফ্ৰিকাৰ নিগ্ৰোসকলৰ অতীত কালৰ শিল্পৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈ 'কিউবিজিম'ৰ (Cubism) সৃষ্টি কৰিলে ঠিক সেইদৰে আমাৰ অসম দেশৰ আধুনিক যুগৰ শিল্পীসকলেও পৰম্পৰা জীৱন্ত এই শিল্পকলাৰ আদৰ্শকে লৈ ন-ন ভাবেৰে নানা পদ্ধতিত শিল্পকলাৰ বিকাশ সাধন কৰিছে।

অসম প্ৰকৃতিৰ ৰম্যভূমি । ইয়াৰ চাৰিওফালে শাৰী শাৰীকৈ থকা শৈল শিখৰে অসমী আইৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। অসমৰ পৰ্বতে কন্দৰে-ভৈয়ামে বাস কৰা নগা, আবৰ, মিৰি, মিচিমি, খামতি, অকা, দফলা, ভূটীয়া, আপাতানী, খাচিয়া, জয়ন্তীয়া, মিকিৰ, লুচাই, কুকি, কছাৰী, গাৰো আদি জনজাতিসকলৰ মাজত তেওঁলোকৰ নিজস্ব শিল্পকলা দেখিবলৈ পোৱা যায়। প্ৰত্যেকৰে দোৱান, সংস্কৃতি, ৰীতি-নীতি, সাজপাৰ, অলংকাৰ, আদি পৃথক পৃথক। তেওঁলোক শিল্পসুলভ গুণৰ অধিকাৰী বুলি জনা যায়। অসমৰ জনজাতিসকলৰ শিল্পকলাৰ একো একোটি মৌলিকতাৰ বৈশিষ্ট্য দেখা যায়। দৈনন্দিন ব্যৱহাৰ নানা বিষয় প্ৰসঙ্গলৈ শিল্পসুলভ অলংকাৰৰ দ্বাৰা তেওঁলোকৰ নৈপুণ্যতা বিকাশ হয়। তেওঁলোকে জকমকীয়া উজ্বল ৰঙৰ সাজপাৰ পৰিধান আৰু শৰীৰ বিভিন্ন অংগ নানা অলংকাৰেৰে ভূষিত কৰে।

জনজাতিসকলে গছৰ পাত, কাঠ, হাতী দাঁত, বাঁহ, বেত, নানা ধাতু আদিৰে সজা বিচিত্ৰ অলংকৰণৰ বস্তু কান্ধত পিন্ধে। দৈনন্দিন ব্যৱহাৰ কৰা দাৰ ফাক আদিত অঁকা জন্তু বিশেষৰ ছবিও দেখা যায়। কাঠত বিশেষকৈ জন্তু জনোৱাৰ আৰু উদ্ভিদৰ নক্সা আঁকে। মেথন শিঙেই সংকেত দিয়ে শ্ৰেষ্ঠ শক্তিশালী আৰু উগ্ৰ জন্তু বুলি সুৰাৰ পিয়লাত খোদিত কৰা ঈগল চৰাইৰ মূৰ্তি, ধপাত খোৱা কাঠৰ নলীৰ মুখত জোঙা নাকৰ মানুহৰ মূৰ্তি, মেথনৰ শিঙত জ্যামিতিক অলংকৰণ, কাকৈ ফণিবোৰত দেৱ-দেৱীৰ মূৰ্তি, জুৰিৰ পৰা পানী অনা ডাঙৰ ডাঙৰ বাঁহৰ চুঙাবোৰত চৰাই চিৰিকটিৰ মূৰ্তি খোদিত আৰু অঙ্কিত কৰা দেখা যায়। এওঁলোকে ভৈয়ামবাসীৰ দৰে কাঠৰ নানা ধৰণৰ পুতলা সাজি ৰঙেৰে ৰঞ্জিত

কৰে আৰু ঘৰৰ বেৰত আঁৰি শোভাবৰ্ধন কৰে।

জনজাতিসকলে হালধীয়া, ৰঙা, কলপতীয়া, ক'লা, সেউজীয়া ৰঙৰ সূতাৰে মোনাত বছা বিভিন্ন চৰাই, লতা-ফুল, গছ-গছনি, ঘৰ-দুৱাৰ, জীৱজন্তু আদি অতি মনোৰম আৰু আকৰ্ষণীয়। এওঁলোকে হাতীদাঁত, কাঠ, হাড় আৰু আন আন বস্তুৰ পৰাও নানা তৰহৰ অসংখ্য মূৰ্তি সাজে। বিশেষকৈ কোনো মানুহ মৰাৰ পিছত নিপুণ কাৰিকৰৰ হতুৱাই গাৰোসকলে মৃতকৰ মূৰ্তি এটি কাঠত কটাই দেশীয় বীজ ৰঙেৰে বোলাই লয়। মূৰ্তিৰ চকু, চেলাউৰি, চকুৰ মণি, চুলি দাঁত আদি ক'লা ৰঙেৰে ৰঞ্জিত কৰে। তেওঁলোকৰ বিশ্বাস এই মৃতকৰ আত্মা পৰিয়ালৰ মাজত সদায় থাকি যায়। সেই বাবেই তেওঁলোকে এই কাঠৰ মূৰ্তিটো ঘৰৰ ঠিক সন্মুখতে ৰাখে।

অসমৰ ভৈয়ামবাসীৰ মাজতো প্ৰচলিত হস্ত-শিল্প আৰু লোকশিল্পত সুকুমাৰ ক'লাৰ নিদৰ্শন পোৱা যায়। লোকশিল্পৰ প্ৰাচীন নিদৰ্শন হ'ল সৰ্বাঙ্গসুন্দৰ মৃৎশিল্প। এই মৃৎশিল্প দৈনন্দিন জীৱনপ্ৰৱাহৰ অপৰিহাৰ্য্য অঙ্গ। মাটিৰে নিৰ্মিত ঘট-পট, বন্তি, থাল, বাতি, কলহ, লোটা, ঘটী, ধূপ-ধূনাৰ পাত্ৰ আদিৰ প্ৰচলন বৈদিক যুগৰে পৰা চলি আহিছে। ইয়াৰ ওপৰত অঁকা ৰংবিৰঙৰ নানা চৰাই-চিৰিকটি, প্ৰাকৃতিক দৃশ্য, জীৱ, জন্তু, গছ-গছনি, ফুলপাত, পদুম, গোলাপ আদি বিভিন্ন ফুলৰ অলংকৰণ সুশোভিত। জ্যামিতিক অলংকৰণো ইয়াৰ যথেষ্ট পৰিমাণে নিহিত হৈ আছে। এই মৃৎশিল্পৰ অঙ্কন কাৰ্য্য, স্থান বিতৰণ, উজ্বল সম্বাদী আৰু বিবাদী ৰঙৰ ব্যৱহাৰ চকুত লগা। গোৱালপাৰৰ বাঘাপাৰা, শিৱসাগৰৰ দৌল দেৱালয় আৰু তাহানিৰ শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰত প্ৰাচীন যুগৰ কেইখনমান মৃন্ময় ভাস্কৰ্য্য পোৱা হৈছে। গোৱালপাৰাৰ অন্তৰ্গত বাঘাপাৰাৰ মৃন্ময় ভাস্কৰ্য্যসূহ নৃত্যভঙ্গীমাৰ নাৰীমূৰ্তি, দণ্ডায়মান পুৰুষমূৰ্তি, ৰাজহংস, সিংহ, হৰিণ আদি জীৱজন্তু আৰু আন আন প্ৰাকৃতিক অলংকৰণেৰে পৰিদৃষ্ট। নাৰী-পুৰুষৰ সাজপাৰ অলংকাৰ পাতিত প্ৰাচীন অসমীয়া সংস্কৃতিৰ প্ৰভাৱ পৰা দেখা যায়।

শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ টেৰাকোটাসমূহত ঘোঁৰাযুক্ত ৰথ সমন্বিতে গতিশীল সূৰ্য্য দেৱতা শিৱৰ বক্ষস্থলত চৰণ পেলাই জিভা কামুৰি থকা অৱস্থাৰ কালীমূৰ্তি, গণেশ মূৰ্তি, ঠোঁটত ফুল এপাহ লৈ থকা ভাটো চৰাই ময়ূৰ-ময়ূৰী, পত্ৰ পুষ্প পৰিপূৰ্ণ ঘট, বিকশিত শতপত্ৰ, জ্যামিতিৰ সহায়েৰে অঁকা চাৰিপহীয়া, আঠপহীয়া ফুল, বৰ্গক্ষেত্ৰৰ কৰ্ণ দুডাল যোগ কৰি অঁকা চাৰি খিলা গছৰ পাত, পদ্মপত্ৰ সম ধৰ্মচক্ৰ, সুসজ্জিত হাতী-ঘোঁৰা, সাজপাৰ আৰু অলংকাৰেৰে বিভূষিতা নৃত্য পটিয়সী, আদি দেখিবলৈ পোৱা যায়। এই টেৰাকোটাসমূহত প্ৰাচীন শাক্ত ধৰ্মৰ প্ৰভাৱ পৰা যেন লাগে। শিৱসাগৰৰ দৌল দেৱালয়ৰ কাষত পোৱা টেৰাকোটা সমূহ - নাৰী পুৰুষৰ মূৰ্তি, গছ গছনি জীৱ, জন্তু, আৰু আন আন অলংকৰণেৰে মিশ্ৰিত। এই প্ৰাচীন ফলক সমূহ উচ্চ পৰ্য্যায়ৰ নহলেও মৃৎশিল্পৰ সৃজনী শক্তিত ফুটি উঠিছে মানৱ আৰু প্ৰকৃতিৰ মাজত থকা নিবিড় সম্বন্ধৰ ব্যঞ্জনাখিনি।

নিত্য ব্যৱহাৰৰ বস্তুৰ বাহিৰেও গাৱঁৰ মৃৎশিল্পীসকলে পূজা-পাতল সবাহ, আনন্দ উৎসৱ আদিৰ কাৰণে অসংখ্য দেৱ-দেৱীৰ প্ৰতিমাও গঢ়ে। এইবোৰ উজ্বল ৰঙেৰে বোলাই শেষত চকচকীয়া এবিধ পনীয়া আঠা লগাই দিয়ে। অসমৰ কোনো কোনো ঠাইত দৰা, কন্যা সাজি পুতলা বিয়া পাতে। কামৰূপৰ নলবাৰী, পলাশবাৰী, বামদিয়া, তেজপুৰৰ মদাগুৰি সত্ৰৰ আৰু উজনি অসমৰ কোনো কোনো ঠাইত মাটিৰে ৰাধা কৃষ্ণ আৰু গোপীসৱৰ মূৰ্তি সাজি শ্ৰীকৃষ্ণৰ





ৰাসলীলা উৎসৱ পাতে। তাহানিৰ শৰাইঘাটত আহোম সেনাসকলে ৰণতৰীৰে মোগলৰ লগত ৰণ দি অসমী আইৰ বিজয় কীৰ্তি অক্ষুন্ন ৰাখি শত্ৰু সৈন্যক পৰাজয় কৰিছিল। এই ৰণতৰীবোৰ নানা ৰঙৰ লতা, ফুল, মাছ, মগৰ, পদুম আদিৰ নক্সা অঁকা। খেলনাওবোৰ হেঙুল হাইতালেৰে ৰঞ্জিত কৰা নানা অলংকৰণৰ।

গাৱঁলীয়া নামঘৰবোৰৰ ভিতৰত থকা - গুৰু সিংহাসন, ঠগী, থাপনা, গছা, ঘূৰণীয়া খুটা দুৱ[illegible]ৈত বিবিধ মূৰ্তি, জীৱজন্তু, লতা-ফুল কটা থাকে। ইয়াৰ বাহিৰে গৰুড় পক্ষী, দুৱৰী, জয়, বিজয়, সিংহ, হাতী, হনুমান, ধ্ৰুৱ, প্ৰহ্লাদ, বিষ্ণুমূৰ্তি, অনন্ত নাগ আদিৰ মূৰ্তি খোদিত কৰি হেঙুল হাইতালেৰে বোলই ধুনীয়াকৈ ৰাখে। কোনো কোনো নামঘৰৰ প্ৰৱেশদ্বাৰৰ চৌকাঠৰ ওপৰত কটা ভগবান বিষ্ণুৰ অনন্ত শয্যা, কালীয় দমন, বৈকুণ্ঠৰ অন্তেষপুৰত চাৰিসিদ্ধৰ নাৰায়ণ সাক্ষাৎ ইত্যাদি বিষয় প্ৰসঙ্গ - ৰঙা, নীলা, হালধীয়া, বগা ক'লা আদি ৰঙৰ সংমিশ্ৰণ দেখা যায়। কামৰূপ জিলাৰ অন্তৰ্গত শুৱালকুছি গাঁৱৰ মহাপুৰুষীয়া শ্ৰীশ্ৰীঈশ্বৰহাটি সত্ৰৰ বেৰত এলানি কাঠত খোদিত কৰা সৰু সৰু মূৰ্তি আছে। ই দীঘলে ৫০ ফুট আৰু বহলে ডেৰ ফুটমান হ'ব। ইয়াৰ বিষয় প্ৰসঙ্গ হ'ল ভাগৱত পুৰাণৰ কাহিনী। অৰ্থাৎ ভগৱান শ্ৰীকৃষ্ণৰ জন্মৰ পৰা বৈকুণ্ঠ মহাপ্ৰয়াণলৈকে সমস্ত কাহিনী সুন্দৰৰূপে ক্ৰমাগত কটা আছে। ইয়াত শিল্পীসকলে ৰঙা, নীলা, বগা, হালধীয়া, ক'লা, গুলপীয়া, সোণালী, ৰূপালী, কলপতীয়া, সেউজীয়া আৰু বেঙুনীয়া ৰং ব্যৱহাৰ কৰিছে। বিশেষকৈ শ্ৰীকৃষ্ণৰ শৰীৰত নীলা ৰং ; পিন্ধা বস্ত্ৰ ফুলবচা হালধীয়া ৰঙৰ ; গাৰ চাদৰখনি কোনো ঠাইত গুলপীয়া, কোনো ঠাইত পাতল সেউজীয়া আৰু কোনো ঠাইত শ্বেতবৰ্ণ ব্যৱহাৰ কৰিছে। গোপীসৱে ৰিহা-মেখেলা বস্ত্ৰ পৰিধান কৰিছে আৰু লগতে অসমীয়া আৰ্হিৰে গঢ়া গহনা-গাঠৰিৰে শৰীৰৰ বিভিন্ন অঙ্গ বিভূষিত কৰি তুলিছে। মুঠতে মূৰ্তি সমূহৰ প্ৰকাশভঙ্গীত শিল্পীৰ নৈপুণ্যতা ফুটি উঠিছে।


মহাভাৰতৰ যুগৰে পৰা চলি অহা হাতীদাঁতৰ শিল্প কাৰ্য্যই অসমৰ শিল্প সৌন্দৰ্য্যতকৈ প্ৰাচীন সংস্কৃতিৰহে মানদণ্ড বজাই ৰাখিছে। ইয়াৰ উদাহৰণ স্বৰূপে অসমীয়া পুৰণি সাহিত্যত আমি দেখিবলৈ পাওঁ - প্ৰাচীন কামৰূপৰ অন্তৰ্গত প্ৰাগজ্যোতিষৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই থানেশ্বৰৰ পুষ্যভূতি বংশৰ হৰ্ষবৰ্ধন শিলাদিত্যলৈ পঠিওৱা উপঢৌকনৰ ভিতৰত হাতীদাঁতৰ বিচিত্ৰ অলংকৰণৰ কুণ্ডৰ অন্যতম। অসমত আহোম ৰজাসকলে ৰাজত্ব কৰা সময়ত হাতীদাঁতৰ কাৰুকাৰ্য্য বিশেষ প্ৰচলন আছিল। নানা অলংকৰণৰ হাতীদাঁতৰ কাকৈ-ফণী, অস্ত্ৰ-শস্ত্ৰৰ নাল, ৰঙা, নীলা বাখ[illegible] আঙঠি, লতাফুল কটা কুণ্ডল, তামোল, ধপাত খোৱা টেমা, মগৰ, সিংহ, হাতীৰ মূৰ্তি কটা লাখুটিৰ মূৰৰ অংশ, [illegible], পদুমৰ নক্সা কৰা খাৰু আদি আজিও বিশিষ্ট পৰিয়ালৰ ঘৰত দেখা যায়। হাতীদাঁতৰ নানা অলংকৰণৰ বিভিন্ন সামগ্ৰীৰ প্ৰচলন কামৰূপৰ বৰপেটা আৰু অসমৰ আন আন ঠাইত এতিয়াও জীয়াই আছে।

অসমৰ পাট-মুগা বয়ন শিল্পৰ প্ৰচলন আৰ্য্যসকলৰ দিনৰে পৰা আজিলৈকে আমাৰ মাজত প্ৰৱৰ্তি আছে। আহোম ৰজাসকলৰ দিনত মেজাংকৰী, কিংখাপ, ৰূপালী-সোণালী গুণাৰ কাম কৰা নানা অলংকৰণৰ সাজপাৰ ব্যৱহৃত হৈছিল। সেইবাবে ইয়াৰ সমাদৰ আজিও আমাৰ মাজত বৈ আছে। অসমীয়া শিপিনী জীয়ৰী-বোৱাৰীয়ে ৰিহা-মেখেলা, চেলেং-চাদৰ, গামোচা আদিত নিজ হাতেৰে ফুল বাছি সৌন্দৰ্য্য প্ৰীতিৰ চিনাকি দিয়াৰ বাহিৰেও তেওঁলোকে প্ৰকৃতিৰ বুকুত থকা জোন, বেলি, তৰা, গছ, ফুল, পাত, জীৱজন্তু, মানুহৰ মূৰ্তি, দেৱদেৱীৰ মূৰ্তি, জ্যামিতিৰ ত্ৰিকোণ, বক্ৰৰেখা,

বৰ্গক্ষেত্ৰ, আয়তক্ষেত্ৰ, সৰলৰেখা আদিৰ মনোৰম বিচিত্ৰ অলংকৰণ অনায়াসে কাপোৰত বাছিব পাৰে। বিশেষকৈ শুৱালকুছি সুনিপুণ শিপিনীয়ে মুগাপাট, এড়ি কাপোৰত লতাফুল বছাৰ বাহিৰেও কাজিৰঙাৰ গড়, নামৰূপৰ হাতী, আৰু নানা ঠাইৰ ঘোঁৰা, গৰু, ম'হ, হৰিণ, সত্ৰীয়া নৃত্য আদি তোলে।

হিন্দুসকলৰ মহাকাব্য মহাভাৰতত প্ৰচীন কামৰূপৰ বাণ ৰজাৰ জীয়ৰি ঊষা আৰু দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কুমাৰৰ কাহিনী আমি দেখিবলৈ পাওঁ। এই প্ৰসঙ্গত ঊষাই নিশা সপোনত অনিৰুদ্ধ দিব্যকুমাৰক দেখা পালে আৰু সখী চিত্ৰলেখাক সপোনৰ সকলো কথা বিবৰি ক'লে। চিত্ৰলেখায়ো কল্পনাৰে ত্ৰিজগতৰ দেৱতা, গন্ধৰ্ব, কিন্নৰ যদুবংশৰ সকলোকে আঁকি ঊষাক দেখুৱালে। ইয়াৰ মাজত ঊষাই সপোনৰ দিব্যকুমাৰ অনিৰুদ্ধক বিচাৰি পালে আৰু চিত্ৰসখীৰ সহায়ত তেওঁক লাভ কৰিলে। ইয়াৰ পৰাই ভালকৈ জানিব পাৰি যে সেই সময়ত প্ৰাচীন কামৰূপতো চিত্ৰ - শিল্পৰ চৰ্চা আৰু প্ৰচলন আছিল। চিত্ৰ-শিল্পৰ ক্ৰমবিকাশৰ লগে লগে অসমীয়া চিত্ৰশিল্পতো আধ্যাত্মিক আৰু দাৰ্শনিক ভাৱ পৰিস্ফুট হোৱা দেখা যায় । কাৰণ প্ৰচীন অসমত জ্যোতিষ আৰু দৰ্শনৰ চৰ্চা বহুলৰূপে হৈছিল। গতিকে ইয়াৰ ছাপ অসমীয়া চিত্ৰশিল্পত পৰাটো একো অস্বাভাৱিক নহয়। প্ৰাগজ্যোতিষৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ সৈতে মিত্ৰতা পাতি পঠিওৱা উপ-ঢৌকনৰ লগতে কামৰূপী সংস্কৃতিৰ এখনি ৰঙীন চিত্ৰও দিয়া কথা আমি প্ৰাচীন পুথিত পাওঁ।

মোগল সম্ৰাট জাহাঙ্গীৰৰ দিনত উত্তৰ ভাৰতত চিত্ৰশিল্পৰ বহুল প্ৰচাৰ হৈছিল। আমাৰ দেশৰ মহাৰাজ নৰনাৰায়ণ আৰু পৰৱৰ্তী কোচ ৰজাসকলৰ দিনত অঙ্কিত চিত্ৰশিল্পত পাৰ্থিৱ সুখ-সম্ভোগ আৰু বাস্তৱতাক লৈয়ে সৃষ্ট। কিন্তু হিন্দু আৰু বৌদ্ধ চিত্ৰশিল্প ভাৰতৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনৰ বিকাশৰ চূড়ান্ত নিদৰ্শন। ১৬ শ শতিকাৰ আমাৰ দেশৰ চিত্ৰসমূহত ৰাজপুতৰ প্ৰভাৱ পৰা বুলি বহুতে অনুমান কৰে যদিও ইয়াৰ জীৱজন্তু, গছ-লতিকা কুঞ্জ, গিৰি-গুহা, নদ-নদী আদিৰ চিত্ৰসমূহ সম্পূৰ্ণ কামৰূপী প্ৰভাৱ আৰু বৈশিষ্ট্যতাৰে পৰিপূৰ্ণ। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে চিহ্ন যাত্ৰাৰ উদ্দেশ্যে অঁকা বৈকুণ্ঠৰ পট, বৰপেটাৰ পাটবাউসীত বোৱা বৃন্দাবনী কাপোৰ, পুৰণি সচিত্ৰ সাঁচিপাতত লিখা আদ্য দশম স্কন্ধ ভাগৱত, হস্তীবিদ্যাৰ্ণৱ, ধৰ্মপুৰাণ আদি পুথিত থকা চিত্ৰসমূহ কামৰূপীয় চিত্ৰৰ উৎকৃষ্ট নিদৰ্শন। আদ্য দশমস্কন্ধ ভাগৱত অতি পুৰণি । এই পুথিখনিৰ চিত্ৰ আৰু পদ ৰচনাৰ সময় ১৫৩৯ খৃষ্টাব্দ বা ১৬ শতিকাৰ বুলি শাস্ত্ৰত উল্লেখ আছে । কেইখনিমান চিত্ৰৰ বৰ্ণনা তলত দিয়া হ'ল ঃ



নন্দৰ গৃহত পুতনাৰ প্ৰৱেশ
(চিত্ৰ-ভাগৱত)



সিংহ হস্তী মূৰ্তি (অসমৰ মহাপুৰুষীয়া নামঘৰৰ ভিতৰত থকা সিংহাসনৰ একাংশ)

মহাৰাজ পৰীক্ষিতে পৰম বৈষ্ণৱ শুকদেৱৰ মুখৰ পৰা ভাগৱত শুনিবলৈ বৰকৈ ইচ্ছা কৰিছিল যদিও ব্ৰাহ্মণৰ শাপত বিনাশ হ'ব বুলি ভাবি ত্ৰাস পাইছিল। শেষত ব্ৰহ্মাৰ আদেশত শুকদেৱৰ ওচৰলৈ ভয়ে ভয়ে আহি আঁঠু লৈ কৰযোৰে ভাগৱত শুনাবলৈ মিনতি জনাইছে। শুকদেৱেও মহাৰাজ পৰীক্ষিতক অভয় প্ৰদান কৰি ভাগৱত শুনাবলৈ আৰম্ভ কৰিছে।





ছবিখনিৰ সোঁফালে ওখ সিংহাসনত শুক্দেৱ আৰু বাওঁফালে মহাৰাজ পৰীক্ষিতে আঁঠু লৈ কৰযোৰে নিম্ন আসনত বহিছে। শুকদেৱৰ সমস্ত শৰীৰ নীলা ৰঙৰ। তেওঁ নগ্ন অৱস্থাৰে বাওঁ আঠুৰ ওপৰত সোঁ ভৰি তুলি বহিছে। বাওঁহাতখনিৰে বাওঁভৰিত ধৰি আছে আৰু সোঁহাতখনি অভয় মুদ্ৰাত দেখা গৈছে। শুক্দেৱৰ চুলি দীঘলীয়া বৈ পৰা । লগতে নীলবৰ্ণ কলেবৰত শুক্লবৰ্ণৰ লগুণদালি জিলিকি উঠিছে। সিংহাসনৰ সন্মুখৰ দুয়োফালে হালধীয়া [illegible] খীয়ে বহি থকা অৱস্থাৰ দুটা সিংহ।

বাওঁফালে থকা মহাৰাজ পৰীক্ষিতৰ গাৰ বৰণ পাতল ৰঙা। চুলি আৰু চকুৰ ৰং ক'লা; চাদৰ, মুকুট আৰু ধূতিৰ ৰং হালধীয়া ; ৰঙা ৰঙেৰে সীমাৰেখা দিয়া । কাণ, হাত, ডিঙি নানা অলঙ্কাৰেৰে পৰিপূৰ্ণ। পটভূমিৰ মধ্য অংশ গাঢ় ৰঙা ৰঙেৰে সামৰণি মাৰিছে। মহাৰাজ পৰীক্ষিতৰ মুখখনিত এটি ত্ৰাস আৰু আগ্ৰহৰ ভাৱ ফুটি উঠিছে।

ইয়াৰেই বিখ্যাত এখনি ছবি হ'ল - 'গোকুলত পুতনাৰ প্ৰৱেশ।'

এই চিত্ৰখনিৰ সোঁহাতে সুন্দৰী নাৰী বেশত পুতনাই শয়নকক্ষত প্ৰৱেশ কৰিছে। পুতনাৰ গাৰ ৰং পাতল ৰঙা। শুভ্ৰ পুষ্প মাল্যৰে কবৰী বন্ধা। কাণপুল, বালা, বাজু, ডিঙিত মণিহাৰ আৰু পাতল হালধীয়া বস্ত্ৰ পৰিধান কৰিছে। সোঁহাতত এটি শ্বেতপদ্ম । শয়নকক্ষৰ খাটত শুভ্ৰ বস্ত্ৰৰ ওপৰত শ্ৰীকৃষ্ণই বাওঁভৰিখনি ওপৰলৈ তুলি হাত দুখনি মেলি থকা অৱস্থাত দেখা গৈছে। খাটখনি হালধীয়া ৰঙৰ আৰু নানা অলংকৰণৰ কাৰুকাৰ্য্যৰে পৰিপূৰ্ণ। শ্ৰীকৃষ্ণৰ দেহৰ বৰণ নীলা। কুণ্ডল, কংকন, কিঙ্কিনী, নুপুৰ আৰু মণিহাৰ বিচিত্ৰ অঙ্গত জলমলাই আছে। শয়ন কক্ষৰ খাটখনিৰ সন্মুখৰ খুটাৰ মাজৰ ঠাইখিনি নীলা ৰঙেৰে বোলোৱা। পটভূমিৰ মধ্যভাগ গাঢ় টীয়াঁ পাখীয়া ৰঙেৰে ৰঞ্জিত কৰা।

ইয়াৰ বাহিৰেও, হস্তীবিদ্যাৰ্ণৱ চিত্ৰপুথিত আহোম ৰজাসকলৰ দৈনন্দিন জীৱন প্ৰৱাহৰ কাৰ্য্যকলাপ সুন্দৰকৈ চিত্ৰিত কৰা আছে। ৰাজকাৰেঙৰ বিশদ বিৱৰণ, হাতীত উঠি শোভাযাত্ৰা কৰি আনন্দ উৎসৱত যোগদান কৰা, ম'হ যুঁজ, কুকুৰা, শেনযুঁজ আদি চাই ৰং-ৰহস্যত মনপ্ৰাণ সপি দিয়া সকলো কাৰ্য্যৰ ঘটনাৱলীৰে এই পুথিখনি পৰিপূৰ্ণ। আহোম ৰজাসকলে তেওঁলোকৰ শৌৰ্য্য-বীৰ্য্য, বল-বিক্ৰমৰ কথা চিৰস্মৰণীয় কৰি ৰাখিবৰ কাৰণেই বিশিষ্ট শিল্পীৰ হতুৱাই এই কাৰ্য্য সম্পাদন কৰিছিল।

মুঠতে প্ৰাচীন অসমৰ শিল্পকলাই অসমীয়া জাতীয় সংস্কৃতিৰ মেৰুদণ্ড হৈ অসমীয়া জাতিক জীয়াই ৰাখিছে।

# দাম্ভিক সম্ৰাজ্ঞী নুৰজাহান

--ধান কেচৱাণী

মোগল ৰাজত্বৰ বুৰঞ্জীত নুৰজাহানৰ দৰে 'ৰোমান্স' আৰু কিম্বদন্তিৰে ভৰা এটি দ্বিতীয় চৰিত্ৰ নোলাব। এই বিখ্যাত মাইকী গৰাকীৰ সম্ৰাট জাহাঙ্গীৰৰ মনৰ ওপৰত ইমান গভীৰ প্ৰভাৱ পৰিছিল যে সম্ৰাটৰ ৰাজত্বৰ ঘটনা বহুল শেহৰ চৈধ্য বছৰকাল ৰাজদণ্ড প্ৰকৃতপক্ষে তেওঁৰ হাততে আছিল বুলিব পাৰি। এনে এগৰাকী বিশিষ্টা নাৰীৰ জীৱনৰ আগছোৱাক লৈ ৰূপকথা আৰু কাহিনী পুঞ্জীভূত হোৱাটো একো আচৰিত কথা নহয়। পৰৱৰ্ত্তী লেখকসকলৰ লেখনীত কাব্যিক কল্পনাৰ বেছি আড়ম্বৰ হোৱাৰ কাৰণে তেওঁৰ জীৱনৰ প্ৰকৃত তথ্য আৰু ঘটনাৱলী অনেক ক্ষেত্ৰত তল পৰি গৈছে। তেওঁৰ জীৱন-কাহিনীক কেন্দ্ৰ কৰি স্তূপীকৃত হোৱা সত্যাসত্য ঘটনা-বিৱৰণীৰ মাজেদি চাই পঠিয়ালে ইতিহাসৰ বিস্তৃত পটভূমি পোহৰাই তোলা এগৰাকী মহিলাৰ আকৰ্ষণীয় জীৱ-বৃত্তান্ত উপলব্ধি কৰাত সহায় হ'ব।

পাৰস্য দেশৰ ভদ্ৰবংশ-জাতা নুৰজাহানৰ জন্ম আৰু তেওঁৰ পৰৱৰ্ত্তী জীৱন যেন কেতবোৰ বিপৰীতধৰ্ম্মী ঘটনাৰহে সমন্বয়। দৰিদ্ৰতাৰ তোঁতাত জুৰুলা হোৱা তেওঁৰ পিতাক মিৰ্জ্জা গিয়াচ বেগক (Mirza Ghiyas Beg) সুদূৰৰ এক সমৃদ্ধিশালী দেশৰ বতৰাই উতলা কৰি তুলিছিল। সেই দেশ তথা হিন্দুস্থানৰ উৰ্ব্বৰা ভূমিৰ আকৰ্ষণে তেওঁক অনুৰ্ব্বৰা, মৰুময় মাতৃভূমি পৰিত্যাগ কৰিবলৈ উদ্গনি দিলে। লাম্‌লাকতি যি আছিল তাকে বুকুত বান্ধি, প্ৰচলিত জল পথৰ পম খেদি, পত্নী আৰু এহাল পুত্ৰ কন্যাক বুকুত বান্ধি মিৰ্জ্জা গিয়াচ বেগে হিন্দুস্থান অভিমুখে হেজাৰ হেজাৰ মাইলৰ এক দুৰ্গম যাত্ৰা আৰম্ভ কৰিলে। এই দুৰ্ব্বহ যাত্ৰাৰ মাজতে এটি কন্যা সন্তানৰ জন্মই তেওঁৰ কষ্ট আৰু দুশ্চিন্তা দুগুণে বঢ়ালে। এই কন্যাটিয়েই সময়ত ৰাইজৰ মন মুহিলে। তেওঁৰ বিদ্যুৎ-সম ব্যক্তিত্বই সমসাময়িক প্ৰাচ্যজগত বিমুগ্ধ কৰি ৰাখিছিল। তেওঁৰ পৰৱৰ্ত্তী জীৱনৰ কাৰ্য্যকলাপে বিশাল মোগল সাম্ৰাজ্যৰ ভেটি থৰকবৰক কৰিছিল।

যাত্ৰাৰ মাজত পৰিয়ালটিৰ এনে দুৰৱস্থা হোৱা দেখি কুমাৰ মালিক মচুদ নামৰ সদাগৰজনৰ সহানুভূতি উপজিল। গোটেই পৰিয়ালটোৰ দায়িত্ব তেৱেঁই গ্ৰহণ কৰিলে। নৱজাত শিশুটিয়ে পাবলগীয়া যতনৰ অকণো ত্ৰুটি নহ'ল। এই সূত্ৰে গিয়াচ বেগ আৰু সদাগৰৰ মাজত প্ৰগাঢ় বন্ধুত্ব গঢ়ি উঠিল। ১৫৭৭ চনত দিল্লীত উপস্থিত হ'লত সদাগৰে গিয়াচ বেগক নি ফটেহপুৰ চিক্ৰিত সম্ৰাট আকবৰৰ আগত হাজিৰ কৰালেগৈ। ইতিমধ্যে সম্ৰাট আকবৰে সদাগৰৰ পৰা মিৰ্জ্জা বেগৰ সততা আৰু অন্যান্য গুণাৱলীৰ পৰিচয় পাইছিল। এই পৰিচয়েই মিৰ্জ্জা বেগৰ ভাগ্য মুকলি কৰি দিলে। তেওঁ সম্ৰাটৰ অধীনত কামত সোমাল আৰু নিজ বিদ্যা-বুদ্ধিৰ বলত অচিৰে খ্যাতিমন্ত আৰু ক্ষমতাশালী হৈ উঠিল।

জন্মৰ পিচতেই নুৰজাহানক পেলাই থৈ অহা আৰু পিছত আকৌ বুটলি অনা বুলি যিবিলাক কাহিনী প্ৰচলিত আছে সেইবোৰে আমাৰ ৰোমাণ্টিক বা মানৱোচিত অনুভূতি পূৰণ কৰিলেও আচলতে সিবিলাকৰ ঐতিহাসিক সত্যতা নাই।

মৰুভূমিজাত এই শিশুটি - যাৰ কাৰণেই আকস্মিকভাৱে এজন ক্ষমতাশালী সদাগৰৰ শুভ দৃষ্টি গোটেই





পৰিয়ালটোৰ ওপৰত পৰিল - এতিয়া সেই সময়ৰ এখন মহানগৰীত। মাক-বাপেকৰ স্নেহ প্ৰাচুৰ্য্যতা আৰু নিৰাপত্তাৰ পৰিবেশত তেওঁ বাঢ়ি আহিবলৈ ধৰিলে। শিশুটিৰ নাম ৰখা হৈছিল মেহেৰ্-উন্-নিচা (Mehr-Un-Nisa, নাৰীৰ ভিতৰত সূৰ্য্য)। শৈশৱ অৱস্থাত তেওঁ এই নামৰ সাৰ্থকতা প্ৰমাণ কৰিছিল। সেই সময়ত শিকিব লগা আটাই কেউবিধ কলা আৰু বিদ্যাকে মেহেৰক ঘৰতে শিকোৱা হৈছিল আৰু অচিৰে তেওঁ মোগল সম্ৰাটকো সম্মোহ কৰিব পৰা অতুলনীয় ৰূপ-গুণৰ অধিকাৰিণী হ'ল। এনে এটি নাৰী-ৰত্নই সাধাৰণ অৱস্থাৰ মাজেদি ডাঙৰ দীঘল হোৱা হ'লেও মানুহৰ চকুত পৰিলহেঁতেন। কিন্তু সাম্ৰাজ্যৰ প্ৰথম প্ৰজাজনৰ (first subject) জীয়েকে পোৱা সুবিধা প্ৰাচুৰ্য্যৰ ফলত তেওঁৰ আকৰ্ষণ আৰু বৃদ্ধি পালে।

সম্ৰাটৰ হেৰেমলৈ মাজে-সময়ে মাকৰ লগত মেহেৰ-উন্নিচাও গৈছিল; তেওঁলোকৰ হেৰেমলৈ অবাধ গতি আছিল। তেওঁৰ সদ্য বিকশিত যৌৱন আৰু ৰূপে হয়তো সোতৰ বছৰ বয়সীয়া ৰাজকুমাৰ চেলিমৰ (Salim) মন আকৰ্ষণ কৰিছিল। সম্ৰাট আকবৰে অন্য এজনৰ লগত মেহেৰ-উন্নিচাৰ পূৰ্ব্বতে হৈ থকা বিয়াৰ বন্দৱস্ত ভাঙিবলৈ অমান্তি হোৱা বুলি যি প্ৰবাদ চলি আহিছে তাক সত্য যেন নালাগে, কিয়নো সেই সময়ত বুৰঞ্জীত তেনে কথাৰ ক'তো উল্লেখ নাই। সম্ভৱ এই কথা তেওঁৰ (মেহেৰ-উন্নিচাৰ) প্ৰতিপত্তি বঢ়াৰ বহুত পাচৰ সৃষ্টি।

১৫৯৪ চনত সোতৰ বছৰত ভৰি দিয়াৰ লগে লগে মেহেৰৰ বিয়া হয় আলি কুলি ইষ্টাজিলো (Ali Quli Istajlu) নামেৰে এজন পাৰস্য দেশৰ ভাগ্যান্বেষণকাৰী ডেকাৰ সৈতে। তেওঁ ছেৰ আফগান (Sher Afghan) নামেৰে অধিক জনাজাত। এই ডেকাজনে সম্ৰাট আকবৰৰ থাট্টা অভিযানৰ (Thattah Champaign) সময়ত বীৰত্ব আৰু সাহসৰ পৰিচয় দি বিখ্যাত হৈ উঠে। ১৫৯৯ চনত যেতিয়া ৰাজকুমাৰ চেলিমক মেৱাৰ অভিযানলৈ পঠোৱা হৈছিল তেতিয়া তেওঁ ৰাজকুমাৰৰ সহকাৰী বিষয়াসকলৰ মাজত অন্যতম আছিল। সেই সময়ত বোধহয় তেওঁলোকৰ মাজত কোনো ঈৰ্ষা-অসূয়াৰ ভাব নাছিল। আলি কুলিৰ বীৰত্ব আৰু অদম্য সাহসে চেলিমৰো মন মুগ্ধ কৰিছিল। সেই সময়তে অকলে এটা বাঘ বধ কৰি তেওঁ চেৰ আফগান (বাঘ-পেলোৱা) উপাধি লাভ কৰে। ইয়াৰ পিছতে সম্ৰাট আৰু ৰাজকুমাৰৰ মাজত দুৰ্ভাগ্যক্ৰমে বিবাদৰ সৃষ্টি হয় আৰু এই বিবাদত ছেৰ আফগানে সম্ৰাটৰ পক্ষ লয়। দুয়োজনৰ মাজত এই নিমিত্তে নিশ্চয় বৰ বেচি মনোমালিন্য হৈছিল; কিন্তু চেলিমে তেওঁৰ প্ৰতি বিদ্বেষ পোষণ কৰি থকাৰ প্ৰমাণ নাই, কাৰণ ১৬০৫ চনত ৰাজপাটত উঠাৰ পিছত চেলিমে তেওঁক অকল ক্ষমা কৰাকে নহয়, বৰ্দ্ধমানৰ জায়গীৰো দান কৰিলে।

১৬০৭ চনত বঙ্গদেশৰ ঠায়ে ঠায়ে পশ্চাদ্ঘাতী কাৰ্য্যকলাপ আৰু ছেগা-চোৰোকাকৈ বিদ্ৰোহো চলিছিল। তেনে অৱস্থাত স্বাভাৱিকতে সেই কামত ছেৰ আফগানৰো হাত আছে বুলি জাহাঙ্গীৰে সন্দেহ কৰিছিল। জাহাঙ্গীৰে বঙ্গদেশৰ শাসনকৰ্ত্তা তেওঁৰ তোলনীয়া ভায়েক কুতুবুদ্দিনক ছেৰ আফগানক ৰাজধানীলৈ পঠাবলৈ আদেশ দিলে। এই কামত আপত্তি কৰিলে উপযুক্ত শাস্তিৰ বিধান কৰিবলৈকো কুতুবুদ্দিনক কোৱা হ'ল। আদেশ পালন কৰিবলৈ যাওঁতে কুতুবুদ্দিন আৰু ছেৰ আফগান দুয়ো মৃত্যুৰ মুখত পৰিল। সম্ৰাটৰ আদেশ অনুযায়ী ছেৰ আফগানৰ বিধৱা পত্নী আৰু জীয়েকক ৰাজধানীলৈ পঠাই দিয়া হ'ল।

সম্ভৱ ইয়াৰ পাচতেই জাহাঙ্গীৰ মেহেৰ-উন্নিচাৰ প্ৰণয়-প্ৰাৰ্থী হ'ল। শোকসন্তপ্তা মেহেৰ-উন্নিচাই অৱশ্যে বহুত দিনলৈকে সম্ৰাটৰ প্ৰেম-নিবেদন উপেক্ষা কৰিয়েই আছিল। বিধৱা বেশেৰে চাপি থকা কাল কটোৱাৰ পিচতহে

১৬১১ চনত তেওঁ সম্ৰাটৰ প্ৰধান মহিষী হ'বলৈ মান্তি হ'ল। ইমান দিনে তেওঁ ৰাজমাও সম্ৰাজ্ঞী চেলিমা বেগমৰ পৰিচাৰিকা হিচাপেহে দিন কটাইছিল।

মেহেৰ-উন্নিচা আৰু জাহাঙ্গীৰৰ বিয়াৰ পূৰ্ব্বলৈকে ঘটা ঘটনাৱলীৰ প্ৰকৃত বিৱৰণ ইমানেই। গোটেই কাহিনীটোৱেই 'ৰোমান্টিক' ৰূপ ললে পৰবৰ্ত্তী লেখকৰ হাততহে আৰু অষ্টাদশ শতিকাতহে ই নাটকীয় কথাবস্তুৰ দৰে হৈ পৰিল। আকবৰৰ জীৱিতাৱস্থাতে মেহেৰ-উন্নিচাই জাহাঙ্গীৰৰ হৃদয় কাঢ়ি নিয়া, সম্ৰাট আকবৰে দুয়োৰে বিধিপথালি দি ছেৰ আফগানৰ সৈতে মেহেৰ-উন্নিচাৰ বিয়া পাতি দিয়া, হতাশ প্ৰেমিক জাহাঙ্গীৰে এঘাৰবছৰ ধৰি মনৰ আৱেগ মনতে পুহি ৰখা, আৰু ৰাজপাট পাই ষড়যন্ত্ৰ কৰি ছেৰ আফগানক হত্যা কৰোৱা, আৰু মেহেৰ-উন্নিচাই দ্বিতীয় বিবাহ হোৱালৈকে উদ্ধত ভাবে চাৰিবছৰ কাল জাহাঙ্গীৰৰ প্ৰেম নিবেদনৰ প্ৰতি ভ্ৰূকুটি দেখুৱা ইত্যাদি কথাবোৰ সমসাময়িক ঐতিহাসিকৰ লেখনীত পোৱা নাযায়। ৰাজ-পৰিয়ালৰ কেলেঙ্কাৰীপূৰ্ণ কথাৰ ভুলৈ ফুৰা বিদেশী ভ্ৰমণকাৰী সকলৰো এইবোৰ কথাৰ উল্লেখ কতো পোৱা নাযায়। যদিও বহুতে দুয়োৰে পাৰস্পৰিক আকৰ্ষণ আৰু গভীৰ ভালপোৱাৰ কথা উল্লেখ কৰিছে তথাপি কোনেও পৰোক্ষভাৱেও জাহাঙ্গীৰৰ আগ-জীৱনৰ প্ৰণয় বা তাৰ ফলস্বৰূপে ছেৰ আফগানৰ হত্যাৰ বিষয়ে লিখা নাই।

৩৪ বছৰ বয়সত মেহেৰ-উন্নিচাৰ দ্বিতীয় বিবাহ উপলক্ষে ৰাজপ্ৰাসাদত হোৱা জাকজমকতাৰ তুলনা মোগল ৰাজসভাৰ ইতিহাসত পাবলৈ নাই। বিয়াৰ পিচত হেৰেমৰ পৰিচাৰিকা অকল ৰাজমহিষীয়েই নহয়, সম্ৰাজ্ঞীও হ'ল অৰ্থাৎ সম্ৰাটৰ সৈতে একেলগে বহি সাম্ৰাজ্য পৰিচালনা কৰিবৰ ক্ষমতাও লাভ কৰিলে। এতিয়াৰ পৰা তেওঁ 'নুৰমহল' (বা ৰাজপ্ৰাসাদৰ জ্যোতি) বা 'নুৰজাহান' (পৃথিবীৰ জ্যোতি) উপাধিৰে বিভূষিত হ'ল। তেওঁৰ প্ৰতিষ্ঠা আৰু ক্ষমতা যাতে মানুহে উপলব্ধি কৰে তাৰ কাৰণে জাহাঙ্গীৰে নতুন মুদ্ৰাত তেওঁৰ নাম এইদৰে সন্নিবেশ কৰালে ঃ সম্ৰাট জাহাঙ্গীৰৰ আদেশ অনুযায়ী নুৰজাহানৰ নাম থকা স্বৰ্ণমুদ্ৰাৰ মূল্য এশ গুণ বাঢ়িল।

ৰাজপৰিয়ালত অন্তৰ্ভুক্ত হোৱাৰ লগে লগে তেওঁ প্ৰতিপত্তি বৃদ্ধিৰো সূচনা হ'ল আৰু এনে স্থলত তেওঁৰ পিতৃৰ পৰিয়ালৰ ক্ষমতা বৃদ্ধি হোৱা অতি সাধাৰণ কথা। তেওঁৰ পিতাক, পূৰ্ব্ববৰ্ত্তী পমুৱা গিয়াচ বেগ, অচিৰেই ইট-মদ-উদ-দৌলা পদলৈ উঠিল, আৰু তেওঁৰ বিশ্বাসী পৰামৰ্শদাতা ভাতৃ আচফ খাঁ উচ্চতম বিষয়াৰ শাৰীলৈ উন্নীত হ'ল। পিচত সিংহাসনৰ উত্তৰাধিকাৰী লৈ লগা খৰিয়ালত এওঁৰ প্ৰভাৱো কম নাছিল।

সুৰা আৰু কানিসেৱী স্বেচ্ছাচাৰী জাহাঙ্গীৰৰ ওপৰত নুৰজাহানৰ অসীম প্ৰভাৱ আছিল। মানৱীয় সহানুভূতি আৰু কৌশলেৰে নুৰজাহানে সম্ৰাটৰ খামখেয়ালী আৰু নিষ্ঠুৰ স্বভাৱ যথেষ্ট কোমল কৰি পেলাইছিল। সম্ৰাটৰ অপৰিমিতাচাৰী স্বভাৱৰ সংশোধন কৰিব নোৱাৰিলেও অন্ততঃ দিনৰ ভাগত তেওঁক সুস্থভাৱে থাকিবলৈ বাধ্য কৰিছিল। সম্ৰাটে তেওঁৰ জীৱনৰ ওপৰত নুৰজাহান আৰু তেওঁৰ পৰিয়ালৰ সু-প্ৰভাৱ পৰা বুলি তেওঁৰ আত্মজীৱনীত অন্তস্পৰ্শী ভাষাৰে উল্লেখ কৰিছে, আৰু তেওঁৰ সমৃদ্ধি আৰু প্ৰাচুৰ্য্য তেওঁলোকৰ সুপৰামৰ্শৰ ফল বুলিও কৈছে। তেওঁৰ জীৱনী-লেখকে উল্লেখ কৰিছে যে সম্ৰাটে নিজে কৈছিল বোলে তেওঁক এগিলাচ মদ আৰু আধাসেৰ মাংসৰ বাহিৰে আন একো নালাগে বুলিয়েই নুৰজাহানৰ হাতত ৰাজদণ্ড এৰি দিছিল।





নুৰজাহান আছিল প্ৰকৃতিদত্ত সৰ্ব্বগুণৰ আধাৰ স্বৰূপা। তেওঁৰ পাৰস্যদেশীয় সৌন্দৰ্য্য প্ৰায় শেষ বয়সলৈকে অম্লান হৈ আছিল। তেওঁক সেই যুগৰ সৰ্ব্বগুণসম্পন্না নাৰী বুলি নিঃসন্দেহে কব পাৰি। আৰৱী আৰু ফাৰচী সাহিত্যত তেওঁৰ ব্যুৎপত্তি আছিল; আৰু নিজেও সুন্দৰ আৰু ৰসাল কবিতা ৰচনা কৰিব পাৰিছিল। তেওঁৰ কাব্য-প্ৰতিভাত সম্ৰাট জাহাঙ্গীৰো মুগ্ধ হৈছিল। পিচে, তেওঁৰ ৰাজনৈতিক অভিলাষ, আকাঙ্ক্ষা অতি প্ৰৱল আছিল। তেওঁ স[illegible]ৰাজকীয় ক্ষমতা নিজৰ হাতলৈ নিবলৈ চেষ্টা কৰিছিল ; আৰু পিছত গোটেই সাম্ৰাজ্য উত্তৰাধিকাৰীৰ যুদ্ধত লিপ্ত হৈ পৰিছিল।

১৬১৩ চনৰ জানুৱাৰী মাহত চুলতানা চেলিমা বেগমৰ (Sultana Salim Begum) মৃত্যু হোৱাত নুৰজাহান 'পাদচাহ বেগম' বা সাম্ৰাজ্যৰ 'প্ৰথম মহিলা' পদলৈ উঠিল। তেওঁ হ'ল মহিলা সমাজৰ আৰু তেওঁলোকৰ চালচলন, লাহবিলাহৰ পথ-প্ৰদৰ্শিকা আৰু হেৰেমৰ মুখ্য গৃহিণী। তেওঁৰ মাৰ্জ্জিত ৰুচিয়ে মোগল প্ৰাসাদলৈ নতুন ৰূপ আনি দিলে। তেওঁৰ চেষ্টাতে প্ৰাসাদৰ অপৰিমিত ব্যয় সঙ্কোচ হ'ল, প্ৰাসাদৰ আচবাব আদিৰ অৱস্থা উন্নত হ'ল আৰু মহিলাসকলৰ সাজ-পাৰ আগতকৈয়ো ধুনীয়া আৰু সুৰুচিপূৰ্ণ হ'ল। তেওঁ ৰেচম আৰু কপাহী কাপোৰৰ বৈচিত্ৰ্যপূৰ্ণ চানেকি আৰু আ-অলঙ্কাৰতো অভিনৱ আৰ্হিৰ সূচনা কৰিলে। গোলাপী আতৰৰ বাবে তেওঁৰ মাতৃ আৰু তেওঁৰ ওচৰত ভাৰতবাসী ঋণী। তেওঁৰ নৈতিকতাপূৰ্ণ প্ৰভাৱত মোগল ৰাজসভা ঐশ্বৰ্য্য আৰু আড়ম্বৰৰ উচ্চ শিখৰত উপনীত হৈছিল।

তেওঁৰ মন যেনে সুৰুচিপূৰ্ণ তেনে উদাৰ আছিল। এই দেশৰ অলেখ দুখীয়া অসহায়া ছোৱালীৰ তেওঁ আশ্ৰয় আৰু জিৰণি ঠাই আছিল। জাহাঙ্গীৰৰ জীৱন-বৃত্তান্ত সংগ্ৰাহক মুহম্মদ হাদিয়ে (Muhammad Hadi) কৈছে, "তেওঁ পীড়িত লোকৰ কথা শুনিলে তেওঁলোকৰ দুখ মোচন কৰিছিল। অনাথ ছোৱালীৰ কথা শুনিলে তেওঁ বিয়াৰ খৰচ বহন কৰিছিল।" ক্ষমতাত অধিষ্ঠিত থকা ১৬ বছৰৰ ভিতৰত তেওঁ পাঁচশৰো অধিক ছোৱালীৰ বিয়া আৰু যৌতুকৰ খৰচ বহন কৰিছিল।

নুৰজাহানে মোগল হেৰেমৰ সেই সময়ৰ বাধা-নিষেধ আৰু অনুশাসন দলিয়াই পেলাই পৰ্দ্দাৰ (জানানা) বাহিৰলৈ ওলাল। তেওঁ বিনা দ্বিধাই ওৰণি গুচাই সম্ৰাটৰ সৈতে একেলগে বহি জনসাধাৰণৰ আগত দেখা দিলে। তেওঁ ৰাজকাৰ্য্যৰ আলোচনাত ভাগ লৈছিল; আৰু অন্ধবিশ্বাস, ঐতিহ্য আৰু কৌটিকলীয়া ৰীতিৰ ওপৰত সৌন্দৰ্য্য, বুদ্ধি আৰু তীব্ৰ ইচ্ছাৰ বিশিষ্ট নিদৰ্শন দেখুৱালে। তেওঁ তীক্ষ্ণ বুদ্ধিৰ প্ৰশাসনত ভাগ ললে আৰু অতি জটিল ৰাজনৈতিক সমস্যাবিলাকো বিনা পৰিশ্ৰমে বুজিব পাৰিলে। তেওঁ ইমান নিয়াৰিকৈ ৰাজকাৰ্য্য পৰিচালনা কৰিছিল যে নিতান্ত সৰুসুৰা কথাবিলাকো তেওঁৰ সৰ্ব্বদা সজাগ দৃষ্টিৰ অগোচৰ নহৈছিল। প্ৰথমৰ পৰাই জাহাঙ্গীৰে তেওঁৰ পৰামৰ্শ নোলোৱাকৈ কোনো কাম হাতত নোলোৱা হ'ল; পিচলৈ সকলো কামকে নুৰজাহানৰ হাতত এৰি দিলে আৰু সম্ৰাজ্ঞীৰ ইচ্ছাই আইনত পৰিণত হ'ল।

তেওঁৰ শাৰীৰিক শক্তি আৰু কৌশলো ব্যক্তিগত সৌন্দৰ্য্য বা মানসিক শক্তিৰ সমকক্ষ আছিল। জাহাঙ্গীৰ চিকাৰলৈ যাওঁতেও তেওঁ লগত গৈছিল। চিকাৰত তেওঁ হিংস্ৰ জন্তু গুলীয়াই মাৰিছিল। তেওঁৰ সাহস দেখি মুগ্ধ হৈ জাহাঙ্গীৰে এবাৰ তেওঁক এযোৰ হীৰাৰ বাজু উপহাৰ দিছিল। বিপদৰ সময়তো কৌশলৰ অভাৱ নহৈছিল।

দিন অতিবাহিত হোৱাৰ লগে লগে সম্ৰাট জাহাঙ্গীৰো ক্ৰমে আৰাম আৰু এলাহৰ দাস হৈ পৰিল। শাসন সংক্ৰান্ত কিবা সমস্যা উপস্থিত হলেই তেওঁ তাৰ ভাৰ কৰ্ম্মপটু মহীয়সী আৰু উপদেষ্টাসকলৰ হাতত এৰি দিবলৈ ধৰিলে। খুতবাত (Khutba, শুকুৰবাৰৰ উপাসনা) নুৰজাহানৰ নাম নাছিল সঁচা কিন্তু প্ৰকৃততে তেৱেঁইহে সাম্ৰাজ্যৰ

ধৰণী স্বৰূপা আছিল। সম্ৰাটৰ সকলো ফৰমানতে নুৰজাহানৰো একেলগে চহী আছিল। অপৰিসীম ক্ষমতা হাতলৈ আহিলে মানুহ সাধাৰণতে নষ্ট হয়। নুৰজাহানৰ বেলিকা সেয়ে হবলৈ বেছি পৰ নালাগিল; প্ৰভূত ক্ষমতাৰ অধিকাৰিণী হৈ ক্ষমতালিপ্সাৰ কাৰণে তলেতলে তেওঁ কূট বুদ্ধি আৰু চক্ৰান্তৰ আশ্ৰয় ললে।

নুৰজাহানৰ ভাগ্যৰৱি উদয় কালক দুই ভাগত ভগাব পাৰি। প্ৰথম ডোখৰত, অৰ্থাৎ ১৬১১ চনৰ পৰা ১৬২২ চনলৈকে তেওঁ আৰু ৰাজকুমাৰ খুৰামে একগোট হৈ কাম কৰিছিল। খুৰামৰ বিভিন্ন ঠাইৰ বিজয়ৰ কৃতিত্বৰ কাৰণে তেওঁ ছাহজাহান উপাধি পাইছিল আৰু দৰবাৰত তেওঁ সম্ৰাটৰ কাষতে স্থান পাইছিল। দ্বিতীয় ডোখৰত অৰ্থাৎ ১৬২২ চনৰ পৰা ১৬২৭ চনত ইমান দিনে কৃতকাৰ্য্যতাৰে সাম্ৰাজ্য চলাই অহা এই গোটটো ভাঙি পৰাৰ উপক্ৰম হ'ল। নুৰজাহান আৰু ছাহজাহানে শক্তিৰ প্ৰতিযোগিতা কৰিবলৈ সাজু হ'ল। সাম্ৰাজ্যত দলাদলিয়ে দেখা দিলে, আৰু শোণিতৰ ধাৰা ববলৈ ধৰিলে।

১৬২০ চনৰ একাৱন্ন বছৰ বয়সত জাহাঙ্গীৰৰ স্বাস্থ্য ভঙ্গ হ'ল। নুৰজাহানে ইয়াকে দেখি শঙ্কাবোধ কৰিলে জানোচা সম্ৰাটৰ মৃত্যুৰ লগে লগে তেওঁৰো ক্ষমতা লুপ্ত হয়! সন্মুখত তেওঁৰ দুটাই পথঃ ক্ষমতাৰ মঞ্চৰ পৰা একেবাৰে নামি অহা নতুবা ছাহজাহানক ওফৰাই তেওঁৰ সিংহাসনত ছাহজাহানৰ পৰিবৰ্ত্তে এনে এজনক বহুওৱা যি তেওঁৰ হাতৰ পুতলা হৈ থাকিব। ৪৪ বছৰতো তেওঁৰ শাৰীৰিক আৰু মানসিক শক্তি অটুত আছিল; বুদ্ধিদীপ্তা নুৰজাহানে যে পিচৰ পথটোকে বাছি লব সেইটো জলজল পট পট কথা। তেওঁৰ স্বভাৱজাত সাহস আৰু দৃঢ়তাৰে নুৰজাহানে জাহাঙ্গীৰৰ নুমলীয়া পুত্ৰ ছাৰিয়াৰৰ (Shahryar) পক্ষ ললে। ছাৰিয়াৰৰ উপনাম আছিল নচৌদানি (Nashudani) বা অকৰ্ম্মণ্য - নুৰজাহানৰ হাতৰ পুতলা হবৰ সম্পূৰ্ণ লায়েক। নুৰজাহানৰে দুৰ্ভাগ্য যে এই অভিসন্ধি সিদ্ধি কৰিবৰ সময়ত তেওঁ পিতৃমাতৃৰ সজ পৰামৰ্শ আৰু ভায়েক আচফখাঁৰ (Asaf Khan) দৰে লোকৰ বিচক্ষণ বুদ্ধিৰ সহায় নাপালে। কাৰণ, আচফখাই তেওঁৰ আপোন জোঁৱায়েক; মমতাজ মহলৰ স্বামী ছাহজাহানৰ স্বাৰ্থলৈহে চকু দিলে।

সুচতুৰ ছাহজাহানে নুৰজাহানৰ ব্যৱহাৰত তেওঁৰ প্ৰতি শতুৰালি, আৰু জাহাঙ্গীৰৰ খামখেয়ালি স্বভাৱৰ কথা বুজিবলৈ সৰহ পৰ নালাগিল। যি গৰাকীৰ চেষ্টাত তেওঁৰ সিংহাসনৰ বাট মুকলি হৈছিল আজি সেই ব্যক্তিয়েই তেওঁৰ সিংহাসন লাভত বাধাৰ সৃষ্টি কৰিলে। ইয়াৰ প্ৰথম সঙ্কেত ছাহজাহানে পালে ১৬২০ চনত যেতিয়া ছেৰ আফগানৰ ঔৰসজাত নুৰজাহানৰ জীয়েক লাদিলী বেগমক (Ladili Begum) ছাৰিয়াৰলৈ দিয়া হ'ল।

নুৰজাহানে এতিয়া অপূৰ্ব্ব কৌশলেৰে তেওঁৰ অভিসন্ধি পূৰণ কৰাত লাগিল। মোগল সাম্ৰাজ্যৰ ভাগ্য দোদুল্যমান অৱস্থাৰ সময়ত কান্দাহাৰ (Quandhar) দুৰ্গ অৱৰোধৰ মুক্ত কৰিবৰ উদ্দেশ্যে ছাহজাহানক বাহিৰত ৰাখিবৰ কাৰণে মূৰকত এটা সুযোগ ওলাল। ছাহজাহানে দেখাদেখিকৈ ঘৃণাৰে সৈতে এই অভিযানত যাবলৈ অস্বীকাৰ কৰিলে। ছাহজাহানৰ আচৰণক নুৰজাহানে জাহাঙ্গীৰক এনে ধৰণে বুজাই দিলে যে অচিৰেই ছাহজাহান সম্ৰাটৰ বিৰাগ ভাজন হ'ল। এতিয়াৰ পৰা ছাহজাহানৰ কথা ওলালেই সম্ৰাটে তেওঁক 'বিদৌলত' (দুৰ্ভগীয়া) বুলি অভিহিত কৰিবলৈ ধৰিলে। ছাহজাহানে অনেক চেষ্টা কৰিও পিতাকৰ মানসিক ধ্যান-ধাৰণা সলনি কৰিব নোৱাৰিলে। বৃদ্ধ সম্ৰাটে যেতিয়া ছাহজাহানৰ পৰা হিছাৰ ফিৰোজৰ (Hissar Firoz) জায়গীৰ কাঢ়ি আনি ছাৰিয়াৰক দান কৰিলে, ছাহজাহানে সম্ৰাটৰ বিৰুদ্ধে বিদ্ৰোহৰ নিচান তুলিলে। পৰৱৰ্ত্তী সংঘৰ্ষ বৰ যাতনা-দায়ক।





এই ৰাজনৈতিক সঙ্কতৰ সময়ত নুৰজাহানে বিচক্ষণতাৰে কাম কৰিলে। ভায়েক আচফ খাঁৰ সামৰিক প্ৰতিজ্ঞা নাইবা সমৰ্থনৰ ওপৰত বিশেষ আস্থা নাৰাখি তেওঁ মহাবত খাঁ (Mahabat Khan) নামৰ এজন বিখ্যাত মোগল সেনাপতিৰ ওচৰ চাপিল। আচফখাঁৰ ভাগ্য-ৰৱি উদয়ৰ লগে লগে মহাবতখাঁৰ প্ৰাধান্য ক্ৰমাৎ ... আহিল। এইবাৰ নুৰজাহানে তেওঁকে ছাহজাহানৰ বিৰুদ্ধে পঠালে। মহাবত খাঁই ছাহজাহানৰ পানীত হাঁহ নচৰা ... কৰিলে। শেষত ছাহজাহানে ১৬২৫ চনত সম্ৰাটৰ শৰণ ললে - তেওঁ পুতেকক সম্ৰাটৰ ওচৰত ৰাখিবলৈ আৰু আচিৰ (Asir) আৰু ৰোহটাচ (Rohtas) দুৰ্গ এৰি দিবলৈ বাধ্য হ'ল।

ইপিনে নুৰজাহানৰ ক্ষমতা লিপ্সাই এদল নতুন শত্ৰুৰ সৃষ্টি কৰিলে। মহাবত খাঁৰ বাঢ়ি অহা শক্তি আৰু জাহাঙ্গীৰৰ দ্বিতীয় পুতেক মদাহী পাৰভেজৰ (Parvez) সৈতে তেওঁৰ হলি গলি দেখি নুৰজাহানৰ চকুত টোপনি নোহোৱা হ'ল। সাম্ৰাজ্যৰ উত্তৰাধিকাৰী কোন হব সেইবিষয়ে নুৰজাহানৰ সৈতে মহাবত খাঁৰ মতবিৰোধ ঘটিল। তদুপৰি মহাবত খাঁই প্ৰকাশ্যভাৱে সম্ৰাটক তিৰোতাৰ শাসন-কৱলৰ পৰা মুক্ত হবলৈ কোৱাত এইবাৰ নুৰজাহান আৰু মহাবত খাঁৰ মাজত বিৰোধ ভাৱ প্ৰকট হৈ উঠিল।

পাৰভেজৰ পৰা মহাবত খাঁক আঁতৰাই আনিবলৈ নুৰজাহানে তেওঁৰ ওপৰত নিষ্পেষণ আৰু দুৰ্নীতিৰ অভিযোগ তুলি বিচাৰৰ কাৰণে দৰবাৰলৈ মতালে। এই চক্ৰান্তমূলক অভিযোগৰ প্ৰকৃত ৰূপ উপলব্ধি কৰিবলৈ মহাবত খাঁৰ বেছি সময় নালগিল। সম্ৰাটক বন্দী কৰি তেওঁ নুৰজাহানৰ ওপৰত প্ৰতিশোধ ললে। সম্ৰাটক মুকলি কৰিবলৈ বৃথা চেষ্টা কৰি নুৰজাহান নিজেও বন্দিনী হ'ল। য'ত বল নাখাটে ত'ত বুদ্ধিয়ে কাম দিলে। নুৰজাহানৰ কৌশলত মহাবত খাঁৰ এশ দিনীয়া ৰাজত্বৰ সামৰণি পৰিল।

আকৌ এবাৰ ছাহজাহানৰ ভাগ্য-ৰৱি উদয় হ'ল। বিদ্ৰোহী মহাবত খাঁ আহি ১৬২৭ চনৰ অক্টোবৰ মাহত তেওঁৰ লগ ললেহি। খবৰ পাই নুৰজাহানে ভয় খালে যদিও তেওঁৰ কৰিবলৈ একো নাছিল।

ইতিমধ্যে ৰাজসভাৰ ঘটনাৱলীয়ে আকস্মিকভাৱে নতুন গতি ললে। মহাবত খাঁৰ কৱলৰ পৰা মুকলি হৈ লাহোৰৰ নিদাঘৰ তাপ সহিব নোৱাৰি, সম্ৰাট জাহাঙ্গীৰে কাশ্মীৰলৈ যাত্ৰা কৰিলে। কিন্তু কাশ্মীৰত পুৰণি 'হাপানি' ৰোগ বৃদ্ধি পোৱাত তেওঁ জীৱনৰ আশা একপ্ৰকাৰ এৰি দিয়াৰ নিচিনাই হ'ল। শেষত তেওঁক লাহোৰলৈ অনাটোক ঠিক হ'ল, কিন্তু এনেতে ১৬২৭ চনৰ ২৮ অক্টোবৰত তেওঁৰ সেই একে ৰোগতে মৃত্যু হ'ল।

উত্তৰাধিকাৰৰ যুদ্ধ এতিয়া চূড়ান্ত পৰ্য্যায় পালেগৈ । এইবাৰ সংঘৰ্ষ হ'ল দুজনৰ ভিতৰত ছাহজাহান আৰু ছাৰিয়াৰৰ। এবছৰৰ আগতে ইতিমধ্যে পাৰভেজৰ সুৰাপানত অকালতে মৃত্যু হৈছিল। জাহাঙ্গীৰৰ জ্যেষ্ঠপুত্ৰ খুচৰোক (Khusrau) ছাহজাহানৰ উষ্ণাণিত ১৬২১ চনত দাক্ষিণাত্যত হত্যা কৰোৱা হৈছিল। নুৰজাহানৰ (Sahdara) চাহদাৰাৰ দিলখুচ (Dilkhusha) উদ্যানত সম্ৰাটৰ মৃতদেহ কবৰ দিয়াৰ আগতেই দুয়োপক্ষ সংঘৰ্ষৰ কাৰণে সাজু হ'ল। নুৰজাহান আৰু তেওঁৰ ভায়েক আচফ খাঁৰ মাজত উমি উমি জলি থকা বিৰোধৰ জুই কুৰা ভমক কৰে জ্বলি উঠিল। নুৰজাহানে ক্ষমতা হাতত ৰাখিবৰ কাৰণে শেষ চেষ্টা কৰি চালে। তেওঁ লৰালৰিকৈ জোঁৱায়েকক ৰাজদণ্ড হাতত লবলৈ আৰু আচফ খাঁকো গ্ৰেপ্তাৰ কৰিবলৈ বাতৰি পঠিয়ালে। আচফ খাঁক ক'ত গ্ৰেপ্তাৰ কৰিব। তেৱেঁইহে নুৰজাহানৰ গতি-বিধিৰ ওপৰত চোকা নজৰ ৰাখিবলৈ ধৰিলে, আৰু ছাহজাহানলৈ বাতৰি আৰু নিজৰ নামাঙ্কিত আঙঠি পঠিয়াই ইতিমধ্যে খুচৰোৰ দুৰ্ভগীয়া পুতেক ডাৱৰ বক্সক (Dawar Baksh) অস্থায়ী সম্ৰাট পাতি স্বয়ম্ভু ৰজা ছাৰিয়াৰৰ বিপক্ষে যুদ্ধ ঘোষণা

কৰিলে। যুদ্ধত ছাৰিয়াৰ বেয়াকৈ হাৰিল। তেওঁক পাচত চকু কাঢ়ি বধ কৰোৱা হ'ল।

নুৰজাহানে ভাগ্যক ধিয়াই ক্ষমতাৰ মঞ্চৰ পৰা নামি আহিল। তেওঁৰ 'ৰোমান্টিক' জীৱনৰ ইও এক ডাঙৰ ভাগ্য বিপৰ্য্যয় । তেওঁৰ ক্ষমতা একেবাৰে লুপ্ত হ'ল। যদিও তেওঁ ছাহজাহানৰ দুৰৱস্থাৰ ঘাই কাৰণ আছিল তথাপি ছাহজাহানে অতীতৰ কথা পাহৰি তেওঁক ততালিকে মুকলি কৰি দিবলৈ আদেশ দিলে, আৰু বছৰি দুই লাখ টকাৰ এটা পেন্সনেৰে লাহোৰ চহৰৰ এটা প্ৰাসাদত থাকিবলৈ দিলে। ৰাজপ্ৰাসাদৰ পৰা একেবাৰে নিলগত, তেওঁৰ বাসস্থানৰ প্ৰাসাদ আৰু উদ্যানৰ মাজত জীয়েকৰ সৈতে তেওঁ জীৱনৰ শান্ত বিয়লি বেলা অতিবাহিত কৰিলে।

চিৰ সন্তপ্তাজনৰ শুভ্ৰবেশ ধাৰণ কৰি তেওঁ দান-দক্ষিণা আৰু কলা-সুলভ কামৰ মাজেৰে অৱসৰ সময় কটাবলৈ ধৰিলে। হুলস্থুলৰ মাজত ইমান দিনে জাহাঙ্গীৰক উপযুক্তভাৱে কবৰ দিয়া হোৱা নাছিল। তেওঁৰ প্ৰেমিকাই দেখুৱা ঠাইত তেওঁক কবৰ দিয়া হ'ল। তেওঁৰ বিধৱা পত্নীয়ে তেওঁৰ সমাধিৰ ওপৰত এটা ধুনীয়া স্মৃতি সৌধ নিৰ্ম্মাণ কৰাই দিলে। জাহাঙ্গীৰৰ শেষ ইচ্ছা অনুসাৰে সৌধৰ ওপৰত কোনো বিশেষ গম্বুজ সজোৱা নহ'ল। সম্ৰাটে প্ৰকৃতিৰ সৈতে মুকলি আকাশৰ তলত শুই থাকিবলৈ ইচ্ছা কৰিছিল।

স্বামীৰ মৃত্যুৰ পিচতো আৰু ওঠৰ বছৰ কাল নুৰজাহান জীয়াই আছিল। ১৬৪৫ চনৰ ৮ ডিচেম্বৰত ৭২ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ পিছত তেওঁক জাহাঙ্গীৰৰ কাষতে কবৰ দিয়া হ'ল। এই নিৰাড়ম্বৰ কবৰটোৱে যেন তেওঁৰ শেষ বয়সৰ দুৰৱস্থাৰ কথাকে সূচনা কৰে।

- এই প্ৰবন্ধটোৰ কিছু অংশ বাদ দি হিন্দুস্থান টাইমচত প্ৰকাশিত হৈছিল; সম্প্ৰতি মূল প্ৰবন্ধটো অধ্যাপক শ্ৰীসুনীল কুমাৰ বৰঠাকুৰ এম-এ দেৱে অনুবাদ কৰিছে। - সম্পাদক

অসম সাহিত্য সভা পত্ৰিকা একবিংশ বছৰ প্ৰথম সংখ্যাৰ পৰা সংগ্ৰহ কৰা হৈছে।





# আহোম যুগীয় ৰাজহ ব্যৱস্থা

--ৰমেশ চন্দ্ৰ কলিতা

সম্প্ৰতি অসমক আমি এখন দুখীয়া দেশ হিচাপে গণ্য কৰোঁ। অকল সেয়েই নহয়, দেশখনৰ লগত 'নুমলি', 'নিচলা' আদি বিশেষণ সংযুক্ত কৰি আৰু বেছি হেয় ভাবাপন্ন কৰি দেখুৱাবলৈও কুন্ঠাবোধ নকৰোঁ। ইংৰাজ শাসন কালৰ দেশখনৰ অৰ্থনৈতিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত এনেবোৰ বিশেষণ মনৰ মাজলৈ অহাতো স্বাভাৱিক। প্ৰকৃতাৰ্থত অসম এখন পুৰণি উন্নত দেশ। মানে থানবান কৰাৰ পিছৰ পৰা হোৱা অসমৰ 'নিচলা' ৰূপটো এটি মাথো সাময়িক অৱস্থা। প্ৰাচীন কামৰূপৰ গৌৰৱোজ্জ্বল অসমৰ অৱস্থালৈ যাবই নালাগে, মাথো প্ৰায় ডেৰশ বছৰ আগলৈকে থকা স্বাধীন অসমৰ অৱস্থালৈ লক্ষ্য কৰিলেই দেখা যায় যে, দেশখনে সেই সময়লৈকেই এখন ঐশ্বৰ্যশালী দেশ হিচাপে দেশী-বিদেশী লোকৰ শ্ৰদ্ধা আৰু প্ৰশংসাৰ স্থলী হিচাপে জিলিকি আছিল। চাৰ এডৱাৰ্ড গেইটে তেখেতৰ অসমৰ বুৰঞ্জীত এই বিষয়ে মতামত দি কৈছে "Under the Ahom rulers the country was on the whole prosper- ous. It had developed a good system of agriculture, industry and trade. The existance of a strong and well organised central authority contributed not a little to make the country rich and self sufficient." প্ৰকৃততে ইংৰাজে দেশখন লোৱাৰ আগলৈকেই অসম যে ধন-ঐশ্বৰ্য্যেৰে ভৰা আছিল তাৰ সাক্ষী ইতিহাসত অলেখ। অসমৰ উৰ্বৰ ভূমিত লাগতিয়াল সকলো খেতিয়েই উৎপাদিত হৈছিল ; লগতে আছিল মূল্যবান খনিজ আৰু বনজাত সম্পদ। তেতিয়াৰ শৃঙ্খলাৱদ্ধ আৰু কৰ্মঠ অসমীয়া সমাজে অসমৰ সম্পদেৰেই গঢ়ি তুলিছিল ঐতিহ্যপূৰ্ণ কৃষি শিল্প আৰু বাণিজ্য ; যাৰ ফলত অসমীয়া লোকে বিদেশী অৰ্থাৎ তেতিয়াৰ অসমৰ বাহিৰৰ কোনো বস্তুৰ ওপৰতেই নিৰ্ভৰশীল নাছিল। অকল যে আত্মনিৰ্ভৰশীল হৈ থাই লৈয়ে আছিল তেনে নহয়, অসমৰ ৰাজকোষো ধন-সোণে পূৰ্ণ কৰি ৰাখিছিল, যাতে ভীষণ ৰাষ্ট্ৰীয় দুৰ্যোগৰ সময়তো পাছিয়ে পাছিয়ে দিয়া ধন-সোণৰ বিনিময়ত হ'লেও স্বাধীনতাৰ বন্তি জ্বলাই ৰাখিবলৈ সমৰ্থ হয়। এনে দৃষ্টান্ত বুৰঞ্জীত আমি বহুতেই পাইছো। আক্ৰমণকাৰী মিৰ্জুমলাই অসম অধিকাৰ কৰাত, তেওঁক খেদি স্বাধীনতা ৰক্ষা কৰিবলৈ দিব লাগিছিল তিনি লাখ টকা, নৱৈটা হাতী। অকল সেয়েই নহয়, জীয়েক ৰমণী গাভৰুক ঔৰঙ্গজেৱৰ পুতেকলৈ বিয়া দি লগত যৌতুক স্বৰূপেই দিছিল ধন-ঐশ্বৰ্যত অভিমানী আহোম ৰজাই বিশ হাজাৰ তোলা সোণ, বাৰ হাজাৰ তোলা ৰূপ আৰু তাৰ লগত আছিল অনেক মূল্যবান অলংকাৰ । উল্লেখযোগ্য যে ৰজা তেতিয়া পলৰীয়া অৱস্থাত আছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত মোৱামৰীয়াসকলে গঢ়ি তোলা গৃহযুদ্ধৰ সময়টোও আমাৰ বাবে এক ভয়াবহ সময়। সেই সময়ত হোৱা দুৰ্যোগতো ইন্দ্ৰবংশী আহোম স্বৰ্গদেৱৰ হাতৰ পৰা সিংহাসন পিচলি গৈছিল। পিচলি পৰা সিংহাসন পুনৰ হাতত তুলি ল'বলৈ প্ৰয়োজন হৈছিল ইংৰাজ বাহিনী এটাৰ। ইয়াৰ বাবে খৰচৰ বন্দবস্ত আছিল তিনি লাখ টকা। অকল যে এই বন্দবস্ততেই ইংৰাজসকল সীমাৱদ্ধ আছিল তেনে নহয়। ১৭৯৪ খৃঃৰ ১৮ মাৰ্চৰ দিনা ৰংপুৰ সোমায়েই হস্তগত কৰি পোৱা বহু সম্ভাৰ বিক্ৰী কৰি ১,১৭,৩৩৪ টকা তেওঁলোকৰ মাজত বিতৰণ কৰি লয়। বিদ্ৰোহীক দমন কৰি তেওঁলোকে মে মাহত ৰাজধানী ৰংপুৰ এৰিছিল। এৰাৰ

সময়ত নাওত বোজাই কৰি লৈ গৈছিল চাৰি লাখ ভাল সোণৰ অলঙ্কাৰ, চাৰি লাখ ৰূপৰ অলঙ্কাৰ, দুই কোটি টকাৰ
সোণ, চাৰি হাজাৰ হিলৈ আৰু মুঠ নাওৰ সংখ্যা আছিল দুই হাজাৰখন (তুংখুঙ্গীয়া বুৰঞ্জী, পৃঃ ১২৯)। সেই সময়ত
অসমত সোণ - ৰূপ ইমান প্ৰচুৰ আছিল যে হাজাৰাসিং নামৰ সেনাধ্যক্ষ এজনে মোৱামৰীয়া দমন কৰি যোৱাৰ সময়ত
অকল কামাখ্যা আৰু মাপৰৰ মন্দিৰৰ পৰাই ষাঠি হাজাৰ টকাৰ সোণ-ৰূপ সংগ্ৰহ কৰিছিল। এনেদৰে বৃহৎ পৰিমাণৰ
ধন - সোণ বাহিৰলৈ যোৱাতো অসমৰ অৰ্থনৈতিক মেৰুদণ্ড ভাঙি পৰা নাছিল। অসমৰ প্ৰচুৰ সম্পদে ইয়াক সম্ভৱ কৰি
তুলিছিল। মোৱামৰীয়া দমন কৰাৰ বাবে স্বৰ্গদেউ গৌৰীনাথ সিংহই অসমলৈ অনা ইংৰাজ সেনাদলৰ নেতৃত্ব দি অহা
কেপ্টেইন ৱেল্‌চে সেই সময়ৰ অসমৰ অৱস্থা দেখি শুনি লিখা টোকাত এই বিষয়ে উল্লেখ কৰিছে "The resources
of the country were such that Gaurinath was able to offer a large subsidy for retention of
British troops." মানৰ আক্ৰমণে দেশ থানবান কৰাৰ পাছতো বহু টকা দি তেওঁলোকক বিদায় দিয়া উল্লেখ বুৰঞ্জীত
আছে। প্ৰকৃততে এনেকৈ সেই সময়ৰ লক্ষ লক্ষ টকা খৰচ কৰি বৰ্তি থকাটো এখন অত্যন্ত ধনবান দেশৰ বাবেহে
সম্ভৱপৰ। কাৰণ সেই সময়ৰ অৰ্থাৎ বৃটিছসকলে দেশ লোৱাৰ আগলৈকে এটি টকা গোটোৱাটোৱেই ধনবান লোকৰ
কাম। বয়বস্তু তেতিয়া প্ৰচুৰ। এটি টকাৰে বহু বস্তু কিনিব পৰা হৈছিল। এই সম্পৰ্কে পোৱা তথ্যমতে দেখা যায় সেই
সময়ত অৰ্থাৎ ওঠৰ শতিকাত ধান টকাত প্ৰায় ৭ মোন, গুৰ মোনত ২ ১/২ অনা, মাটিকলাই ৫ অনা, ঘি মোনত দহ
অনা, তেল ৩ ১/৩ অনা, মাটিৰ কলহ টকাত ২২৪টা, পাণ অনাত ২০ মুঠাৰ পৰা ৪০ মুঠালৈ, ছাগলী ১ টকা, হাঁহ এক
অনা, পাৰ ১ পইছা, ধূতি খনে ৫ অনা, গামোচা খনে ৬ পইচাকৈ পোৱা গৈছিল। (History of Assam P. 222
foot-note দ্ৰষ্টব্য)।

মিৰ্জুমলাৰ লগত অহা টোকাকাৰ চিহাবউদ্দিনে লিখি গৈছে "If this country were administered
like the Imperial dominions, it is very likely that forty to forty five lakhs of rupees would be
collected from the revenue paid by the ryots, the price of elephants cought in the jungles
and other sources. উল্লেখযোগ্য যে সেই সময়ত অৰ্থাৎ আহোম ৰাজত্ব কালত প্ৰজাই ব্যৱহাৰ কৰা মাটিৰ বাবে
ৰাজকৰ নাছিল। মাটিৰ নিচিনাকৈয়ে প্ৰজাকো ৰাষ্ট্ৰৰ সম্পত্তি হিচাপে পৰিগণিত কৰিছিল। তেতিয়াৰ দিনত 'খেল' প্ৰথা
বৰ্তমান আছিল। অৰ্থাত একে বৃত্তিৰ তিনিৰ পৰা ছয় হাজাৰ লোকৰ সমষ্টিৰে একোটা খেল হৈছিল। প্ৰতি খেলৰ
চাৰিজনৰ (পিছলৈ তিনিজন) একোটি গোট পাইক হৈছিল। এজন মানুহ সম্পূৰ্ণ নহয়, এপোৱাহে। এজন মানুহে বছৰত
তিনিমাহ (পিছলৈ চাৰিমাহ) নিজৰ বৃত্তি অনুযায়ী ৰাষ্ট্ৰৰ হকে নিজৰ সেৱা আগবঢ়াব লাগিছিল। এই কামৰ বাবে কোনো
বেতন নাপাইছিল। নাগৰিক হিচাপে এয়া আছিল ৰাষ্ট্ৰৰ প্ৰতি দায়িত্ব। বিনিময়ত খেতি কৰি খাবলৈ খাজনাবিহীন মাটি
দুপুৰাকৈ পাইছিল; কিন্তু এই মাটিৰ ওপৰত কোনো পাইকৰে স্বত্ব নাছিল। গতিকে উত্তৰাধিকাৰী সূত্ৰে এই মাটি
নাপাইছিল। পাইকৰ শ্ৰেণীভুক্ত হ'লেই যি কোনো লোকেই নিজৰ বাবে ব্যৱহাৰ কৰিবলৈ মাটি পাইছিল। অকল ৰোপিত
মাটিয়েই নহয়; প্ৰতিজন পাইকে বস্তিৰ মাটিও পাইছিল। এই মাটিহে উত্তৰাধিকাৰী সূত্ৰে ভোগ কৰিছিল। যদিও মাটিৰ
বাবে ৰাজকৰ লোৱা হোৱা নাছিল, তথাপি অসমৰ বিত্তীয় পৰিস্থিতি উৎসাহজনক হিচাপে ৰাখিবলৈ অনেক সম্পদ
অসমৰ আছিল। এই সম্পদবোৰৰ ভিতৰত কৃষিজাত, খনিজাত, শিল্পজাত আৰু বনজাত সম্পদ আছিল প্ৰধান। এই
সম্পদবোৰক ভেটি কৰি ৰাষ্ট্ৰীয় উপাৰ্জন বৃদ্ধি কৰিবলৈ গঢ়ি তুলিছিল ব্যৱসায় আৰু উদ্যোগ।

অসমৰ উৰ্বৰ মাটিত লাগতিয়াল সকলো খেতিয়েই উৎপাদন হৈছিল। ডেভিদ স্কট চাহাবে এই সম্পৰ্কে
অধ্যয়ন কৰি লিখিছে "The land throughout the division was fertile and produced far more luxuri-
ant crops than any part of Bengal. তেতিয়াৰ অসমীয়া লোকে বিদেশক হাত নপতাকৈ চলিব পৰাৰ ওপৰতেই





গুৰুত্ব দিছিল আৰু সেয়ে সকলো লাগতিয়াল বস্তু নিজে উৎপাদন কৰি লৈছিল। চাৰ এডৱাৰ্ড গেইটে এই কথা তেখেতৰ
অসম বুৰঞ্জীত স্পষ্ট কৰি উল্লেখ কৰি কৈছে "The ryots grew nearly every article of domestic con-
sumption from their own field and live in ease and comfort." অকল যে নিজক লগা বস্তুখিনিয়েই
উৎপাদন কৰিছিল তেনে নহয়; বিদেশত বজাৰ থকা অন্যান্য সামগ্ৰীও উৎপাদন কৰিছিল। এই সামগ্ৰীসমূহৰ ভিতৰত
কপাহ, সৰিয়হ, জালুক, পিপেলী আৰু লা প্ৰধান আছিল। এই সামগ্ৰীসমূহ বিদেশলৈ অৰ্থাৎ অসমৰ বাহি[illegible] ৰপ্তানি
কৰি বহু পৰিমাণৰ ধন অৰ্জন কৰিছিল। অসমৰ পশ্চিম সীমা হাদিৰাত ইয়াৰ বাবে এজন বৰুৱাৰ অধীনত [illegible] ডাঙৰ
চকী সদায় ব্যস্ত হৈ আছিল। এই চকীয়ে অসমৰ বাহিৰলৈ বস্তু যোৱা আৰু বাহিৰৰ পৰা অহাটো নিয়ন্ত্ৰণ কৰিছিল আৰু
বিক্ৰীমূল্যৰ ওপৰত শতকৰা দহভাগ কৰ সংগ্ৰহ কৰিছিল। ফ্ৰেন্সিছ হেমিলটনে তেওঁৰ An Account of Assamত
এইভাৱে সংগ্ৰহ কৰা ধনৰ পৰিমাণ বছৰি ৪৫,০০০ হাজাৰ বুলি দেখুৱাই কৈছে "The Baruyas pay annually
45,000 rupees to the king and aught to levy only the levy very moderate duty of ten percent
on export and import (P.42)। তেখেতে অসমৰ প্ৰধান ৰপ্তানি বস্তুৰ বিষয়ে অধ্যয়ন কৰি, ৰপ্তানি বস্তুৰ পৰিমাণ
আৰু প্ৰাপ্ত মূল্যও দেখুৱাই গৈছে। সেইমতে প্ৰধান বস্তুৰ ভিতৰত আছিল লা দহ হাজাৰ মোন - মূল্য ৩৫,০০০ টকা;
কপাহ সাত হাজাৰ মোন - মূল্য ৩৫,০০০ টকা; সৰিয়হ পোন্ধৰ হাজাৰ মোন - মূল্য ২০,০০০ টকা; জালুক পঞ্চাশ
মোন - মূল্য ৫০০ টকা ইত্যাদি।

খাদ্য বস্তুৰ ভিতৰত সকলো বস্তু নিজে উৎপাদন কৰি ল'লেও, এটি অপৰিহাৰ্য বস্তুৰবাবে অসমে বাহিৰলৈ
হাত মেলিব লাগিছিল। এই বস্তুটো হ'ল লোণ। লোণ আনিছিল বঙ্গদেশৰ পৰা। তাকো অনা হৈছিল সোণৰ বিনিময়ত।
হেমিলটনৰ An accounts of Assamত দেখুৱা হিচাপ মতে প্ৰতিমোন ৫ ১/২ টকা দৰে মুঠ ১,৯২,৫০০ টকা
লোণৰ বাবে অসমে বাহিৰলৈ ধন দিব লাগিছিল। এয়া আছিল সৰ্বনিম্ন মূল্য। কাৰণ লোণৰ মূল্য ৫ টকাৰ পৰা ১০
টকালৈ কম বেছি হৈ থকাটো অন্যান্য তথ্যত পোৱা যায়। বাহিৰৰ লগত অসমৰ বাণিজ্যিক সম্পৰ্ক লোণক কেন্দ্ৰ কৰিয়ে
গঢ়ি উঠিছিল। চিহাবুদ্দিনৰ টোকাত এই বিষয়ে আছে "Formerly once a year, by order of the Raja, a
party use to go for trade to their frontier near Gauhati. They gave gold, musk, aloe wood,
pepper spikenard and silk cloth in exchange for salt, sulphur and certain other product.
তেতিয়াৰ দিনত লোণৰ বাবে সোণ দিবলৈ অসমৰ ৰাজ ভঁৰাল সমৰ্থ আছিল। কাৰণ অসমত প্ৰচুৰ সোণ উৎপাদন
হৈছিল। ১৮৯২ খৃঃৰ প্ৰশাসনীয় টোকা এটিৰ ভেটিত গেইট চাহাবে তেওঁৰ বুৰঞ্জীত এই বিষয়ে উল্লেখ কৰিছে যে দৰং
আৰু লক্ষীমপুৰ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ কূলত, ব্ৰহ্মপুত্ৰৰ উজনি অংশত, দিহিং, বুঢ়ীদিহিং, তিপাম পাহাৰৰ পৰা আহি
বুঢ়ীদিহিং নদীত পৰা সৰু নদী জগলে, শিৱসাগৰ জিলাৰ ধনশিৰি, দৰং জিলাৰ ভৰলু, দিকৰং আৰু শোৱণশিৰি নদীত
সোণ পোৱা গৈছিল (p. 272)। ১৮০৮ খৃঃৰ ভিতৰত অসমৰ অৱস্থাৰ বিষয়ে লিখি হেমিলটনে এই বিষয়ত জনাই
গৈছে যে শোৱণশিৰি, দিখৌ, দিহিং, ভৰলু, ধনশিৰি আদি নদীত সোণ পোৱাৰ উপৰিও কাছাৰৰ সোনাইত সোণ পোৱা
গৈছিল। লগতে পাকেৰ গুৰি নামৰ ঠাইত সোণৰ খনি থকাৰ কথাও উল্লেখ কৰি গৈছে (An accounts of Assam
p. 46)। অসম ৰাজ্যৰ ফালৰ পৰা সোণ চপাবৰ বাবে এজন বৰুৱাৰ তলত এক হাজাৰৰ পৰা বাৰ শ লৈকে লোক
নিয়োগ কৰা হৈছিল। এওঁলোকক সন্ধানি বোলা হৈছিল। তেওঁলোকে আহিন মাহত সোণ চপোৱা কামত লাগিছিল আৰু
বাৰিষাৰ আগে আগে নৈৰ বালিৰ পৰা সোণ চপাই প্ৰতিজনে একৰ পৰা ১ ১/২ তোলালৈ দিব লাগিছিল। গতিকে বছৰি
প্ৰায় ১৮০০ তোলা সোণ এইভাবে ৰাজ ভড়াললৈ গৈছিল। সেয়ে লোণৰ বিনিময়ত সোণ দিবলৈও তেতিয়াৰ অসম
আছিল সমৰ্থ। অসমত যে লোণ নাছিল তেনে নহয়। শদিয়াৰ ওচৰত লোণৰ খনি আছিল। কিন্তু চাহিদা অনুপাতে

উৎপাদন আছিল কম। তথাপি এই লোণৰ খনিৰ পৰাই বছৰি ৪০,০০০ টকা অসমৰ ৰাজ কোষত জমা হৈছিল। যোৰহাটৰ ওচৰৰ দোৱায়িং নামৰ ঠাইত থকা এটি লোৰ খনিয়ে প্রচুৰ লো উৎপাদন কৰাৰ কথাও হেমিলটনে তেওঁৰ An Accounts of Assamত উল্লেখ কৰিছে। এই খনিটোৱে দেশৰ চাহিদা পূৰোৱাৰ উপৰিও বছৰি ৬০০ টকাৰ লো- বাহিৰলৈ পঠিয়াইছিল (p. 46-47) ।

শিল্পজাত দ্রব্যৰ ভিতৰত মুগা কাপোৰ, হাতীদাঁত কাহ-পিতলৰ বাচন আদি বিদেশী ধন উপাৰ্জন কৰা অসমৰ ঐতিহ্যপূর্ণ সামগ্রী আছিল। এইবোৰে দেশৰ চাহিদা পূৰণ কৰাৰ উপৰিও বাহিৰলৈ ৰপ্তানি হৈছিল। অকল মুগা কাপোৰ আৰু মুগা সূতাই বৃহৎ পৰিমাণৰ ৰাজহ অসমলৈ আনিছিল। হেমিলটনে দেখুৱা হিচাপ মতে মুগা সূতা আৰু মুগা কাপোৰ ৰপ্তানি কৰি ক্রমে ১১,৩৫০ টকা আৰু ১৭,৫০০০ টকা বাহিৰৰ পৰা অসমে পাইছিল। মুগা শিল্পৰ ঐতিহ্য ভাৰতৰ বাহিৰলৈও প্রসাৰিত হৈছিল। এই বিষয়ত চাৰ এডোৱাৰ্ড গেইটে লিখিছে "Assam silk specially Muga was very much in demand in Europe and it formed the staple trade of the East India Co. during the 18th and the 19th Century (p. 271) ।

দেশখনৰ ৰাজকোষ বঢ়াবলৈ গঢ়ি উঠা আন এটি দিশ আছিল হাতী চিকাৰ আৰু হাতীদাঁত তথা হাতীদাঁতৰ সামগ্রী ৰপ্তানি। অসমৰ হাবি হাতীৰে ভৰা। হাবিত থকা বনৰীয়া হাতী ধৰি পোহনীয়া কৰাটো অসমৰ এটি চলিত প্রথা। এই হাতী ৰজা ঘৰৰ অনুমতি সাপেক্ষে সৰ্বসাধাৰণে ধৰিব পাৰিছিল। ইয়াৰ বাবে ৰাজকোষলৈ কৰ দিব লাগিছিল। হেমিলটনে দেখুৱা মতে তেতিয়া ইয়াৰ পৰা ৬,৫০০ টকা বছৰি ৰাজ ভঁড়ালত জমা হৈছিল।

ওপৰত উল্লেখ কৰা হৈছে যে হাদিৰা চকীয়ে অসমৰ পশ্চিমৰ দেশৰ লগত বস্তু আদান-প্রদান নিয়ন্ত্রণ কৰিছিল। ইয়াৰ বিহিত ব্যৱস্থাৰ বাবে হাদিৰা চকীৰ বাহিৰেও ঠায়ে ঠায়ে চকী আছিল। এই চকীবোৰৰ ভিতৰত সলাল ফাটৰ চকী, ৰহাৰ চকী, বটাকুছি চকী আদি প্রধান আছিল। বটাকুছি চকী ব্রহ্মপুত্রৰ পৰা দুই মাইল আঁতৰৰ মঙ্গলদৈ নদীৰ পাৰত। এই চকীয়ে দৰঙৰ গৰু-ছাগলী বিক্রীৰ ওপৰত এটি কৰ সংগ্ৰহ কৰিছিল। ভূটীয়াসকলৰ পৰা বস্তু বিকা-কিনাৰ বাবে কৰ লোৱা হোৱা নাছিল। চিমলাবাৰী নামে ঠাইত এজন বৰুৱাই ৰজাৰ হৈ তেওঁলোকৰ পৰা উপহাৰ লৈছিল। সলাল ফাটৰ চকীত নামনি অসমৰ বস্তু উজনিলৈ নিলে বা উজনিৰ বস্তু নামনিলৈ আনিলে বস্তুৰ পৰিমাণৰ ওপৰত এটি কৰ লোৱা হৈছিল। ইয়াৰ পৰা প্রায় বছৰি পাঁচ হাজাৰ টকা পাইছিল।

সাধাৰণভাৱে মাটিৰ কৰ নাছিল যদিও চমূৱা পাইকসকলৰ পৰা মাটিৰ কৰ লৈছিল । এই চমূৱাসকল আছিল বিশেষ বৃত্তিধাৰী লোক যেনে দৈৱজ্ঞ, সুতাৰ আদি। বিবিধ দুৰ্যোগে গ্রাস কৰা স্বাধীন অসমৰ অন্তিম সময়ত কিছুমান কৰ প্রৱর্তন কৰিবলৈ বাধ্য হৈছিল। এই কৰবোৰৰ ভিতৰত কামৰূপত খৰিকা টানা, নগাওঁত গাধন আৰু দৰঙৰ পৰা চককৰ লোৱা হৈছিল। খৰিকাটানা আজিকালিৰ নগৰীয়া ঘৰৰ টেক্স; গাধন হ'ল - প্রতি বয়সস্থ লোকৰ ওপৰত লগোৱা কৰ, চক কৰ হ'ল, পৃথক হোৱা প্রতি পৰিয়ালৰ পৰা লোৱা কৰ। এনেবোৰ টেক্স মানৰ আক্রমণে থানবান কৰা অসমক পুনৰ গঢ় দিয়াৰ পৰিপ্রেক্ষিতত নিৰূপিত হৈছিল (David Scott in Eastern India p. 90-91) । সেই সময়ৰ তেনে অসাধাৰণ দুৰ্যোগপূৰ্ণ অৱস্থাৰ কথা বাদ দিলে অসমৰ ৰাজহ অৱস্থা অতি উন্নত। ইয়াৰ নিদর্শন অসমৰ মুদ্রাৰ ক্ষেত্ৰতো দেখা যায় যে অসমত তামৰ মুদ্রা প্রৱর্তন কৰিবলগীয়া হোৱা নাছিল। সোণ আৰু পিছলৈ সোণৰ লগতে ৰূপৰ মুদ্রা প্রৱর্তন হয়। এই বিষয়ত ছাৰ এডোৱাৰ্ড গেইটৰ অসম বুৰঞ্জীৰ মতামত এষাৰে স্পষ্ট ইঙ্গিত দাঙি ধৰে "It is worthy to note that there was no copper coinage during Ahom period" (p. 277.) । (পুনৰ মুদ্রিত). ●●●●





# TOURISM INDUSTRY : A PERSPECTIVE

--Anita Gohain Baruah
Lecturer, Dept. of History

The North-Eastern part of India is a land of incredible natural beauty. Prospects for the development of Tourism, therefore, are immense. At such a time, when the tourism industry is being vigorously marketed as a viable means of income and employment generation, it is rather intimidating to present an alternative perspective. However certain issues need to be addresed in order to prevent a negative fallout of the development of the Industry in the North-East.

At a seminar held at Dibrugarh University on the topic, "Dimensions and Prospects of Tourism in North-East India," a speaker representing the ICC, while presenting his paper, displayed a clip of a beautiful valley in the North-East, and his question was, "But where are the people ?" The clip reminded me of the Debang Valley which I had recently visited. The valley is so breathtakingly beautiful, so unspoilt and untouched that it makes me feel fiercely possessive about it, and the thought that came to my mind was, "Thank God, no people." In my mind's eye, I could see a contrasting picture. A valley filled with people with all the accompanying litter and noise, shops selling artefacts, commercialization leading to the production of sub-standard artefacts, shopkeepers trying to make 'a quick buck' by fleecing the tourists -Welcome to the world where money-making is the primary motivating factor, and saddest of all, corruption of the mind set of the innocent hill people ; in a nutshell, the crucification of innocence. Sadly, such insularity is a luxury we cannot afford because the tourism industry is now one of the major industries of the world, capable of generating a sizeable portion of the national income.

Since the North-East is now one of the designated bio diversity zones in the world, the development of the industry must keep in mind the sustainability factor, so that we do not destroy the very attractions that led to the development of tourism in the first place.

The North-East is a region of incredible natural beauty, the land scape includes snow-capped mountains, rolling tea gardens and stretches of golden paddy fields, an incredible variety of orchids, the world famous one horned rhino, wild elephants and deer. For such a region, eco-tourism or nature based tourism is the best option.

Eco-tourism, first coined by Hector Ceballes Lascurain in 1983 is defined as "Nature based travel to relatively undisturbed areas with the specified object of studying, admiring

and enjoying nature and its wild plants and animals, as well as existing cultural aspects found in these areas".

While promoting eco-tourism, there are several issues that need to be addressed.

- The government must introduce regulations and policies which aim to protect the regions environment, The development of tourist facilities must not destroy the natural habitats of plants and animals. Economic benefits must not over shadow the damage done to the environment.

- Development of infrasturcture in keeping with the ability of the region to support such development · Construction of hotel complexes and communitcations network can cause damage to the environment. Felling of trees and clearing forests can adversely affect the precipitation in the region.

- There is an acute shortage of drinking water in many hill resorts like Darjeeling and Shillong in spite of abundant rainfall in the region. Projects like rain water harvesting should be undertaken to make up for the shortage.

- Adequate sanitation and proper sewage disposal systems are imperative and should be strictly enforced to prevent pollution.

- In order to make these measures operative, an extensive programme of public awarness and education must be undertaken because the development of haphazard tourist facilities and unchecked tourist inflow can cause irreversible damage to the ecosystem.

And as a final word-- the local people who work in the industry should receive a major share of the profits as compensation for the intrusion on their lives.





# HISTORY OF THE DEVELOPMENT OF LITERATURE UNDER THE KOCH KINGS

--Dr. Bhadreswar Bokatial
Head, Dept. of History
Tingkhong College

The Koch kings who formed their state on the ruins of the Kamata kingdom naturally inherited the background for literary patronage from their predecessors of Kamata. A galaxy of scholars and poets adorned the Koch capital at Kamatapur in Koch-Behar during the reign of king Biswa Singha (1510-1540). Biswa Singha is said to have settled numerous Brahman pandits in his capital, and scholars believed that it was during his reign that the Sanskrit work Yogini Tantra was composed. His son Naranarayan and Sukladhvaj alias Chilarai were learned Sanskrit scholars, and had their education at Banaras. It is recorded that Naranarayan wrote the Sanskrit dictionary called Malladevi Abhidhan and Chilarai wrote a commentary on the Gitagovinda of Jaydev. King Naranarayan maintained a dignified court adorned by scholars of such repute as Sankaradeva and Ramsaraswati. It was at their hands that volumes of religious works including the epics were produced in both Assamese and Sanskrit. Other scholars of the Koch court who were obtaining royal patronage were Bakul Kayastha who wrote the work called Kitavatmanjart a book on arithmetic, land survey and book keeping Purushottam Vidyabagish who compiled his famous Sanskrit grammar called Prayoga Ratnamala and other lexicons; Sridhar who composed works on astrology, such as the Sandhya-Khanda, Jyotirmala and Barshakritya; Kavi Karnapura who wrote the Chandas sastra; Bhattadeva who wrote his Katha Bhagavata and Gita both in prose; and Pitambara Siddhantabagish who wrote numerous works on astrology. It was at the instances of Naranarayan and Chilarai that Ram Saraswati translated the major portion of the Mahahharata into Assamese verse and wrote the Vyadha Charita and also the Gitagovinda in Assamese. The Koch kings also encouraged studies on the Smrities. There were already smriti works like the Brihad-Gangajal, Smriti Sagara and Dasakarma Pitaka - all by Damodar Misra who lived in the 15th century A.D. Pitambara Sidhantavagish who was in the court of Naranarayana compiled as many as eighteen Smriti Nibandhas, such as, the Gahana Kaumudi, Samkranti Kaumudi, Pitrikritya Kaumudi, Ekadashi Kaumudi, Dasakama Kaumudi, Shraddha Kaumudi, Tirtha Kaumudi, Durgotsava Kaumudi, Gudhartha Kaumudi, Sivaratri Kaumudi etc.. The tradition of encouraging education and literature was continued by the successors of Naranarayan almost till the end of their rule. It is said that

Raghudev, the founder of Koch Hajo kingdom in Kamrup and a cousin of Naranarayan, took with him to his capital at Barnagar, the three important court scholars of king Naranayan. They were Pitambar Sidhantavagis, Parusuttam Vidyavagish and Vyaskalai.

The same patronage was extended to the scholars during the time of king Parikshit, son and successor of Raghudev, and his brother Balinarayan alias Dharmanarayan who was established by the Ahom king Pratap Sinha as tributary ruler in Darrang. It was at the instances of Parikshitnarayan and Balinarayan that Damodara Mishra translated the Sailya Parva of the Mahabharata into Assamese verse. One Sagarkhari Daivajna who was an astrologer by profession, got patronage from them and composed the Kurmawal Badh in verse. The example set by the Koch kings was followed also by some members of their nobility. Thus, Madhabdeva, the chief epostle of Sankaradeva, translated the Namamalika into Assamese verse in Koc[illegible]har at the request of one Birupakashya who was a Karji i.e. a minister of king Lakshm[illegible]rayan.

The Vaishnava reformers got special patronage from the Koch kings. Most of the literary works of Sankardeva and Madhabdeva has been produced under the patronage of Naranarayan. It is said that Sankardeva completed his Kirtana-Ghosa, the Bible of the Assamese Vaishnavas, during his stay at Koch-Behar. He translated the Bhagavata Purana into Assamese verse also at the instance of king Naranarayan. Again, it was the direction of this great king that Sankardeva composed the famous work Gunamala which was but a summary of the Bhagavata Purana. In like way, it was at the instance of Chilarai that Sankardeva got Jama-Purana translated into Assamese verse by Madhabdeva and himself composed the drama called Rama-Vijay. This drama was staged at the theater hall built for the purpose by the Koch general Chilarai. Even after the death of Sankardeva, Madhabdeva continued to receive patronage from Lakshminarayan, (15871616), son and successor of Naranarayan, at Koch Behar. Madhabdeva's Nama-Ghosha was composed in Koch-Behar during the rule of king Lakshminarayan.

The Koches who became Hindu early in the 16th century, patronized by all means, Hindu culture and literature, particularly its religious literature. Their patronage to the schol-ars and consequent development of a mass of Sanskrit and vernacular literature thus formed the background for the subsequent development of literature in Assam. The Ahoms, who had their own language and literature, of course different from those of the local peoples of the Brahmaputra valley, after their coming into contact with the Koches, had inherited that background which naturally made them pursue the same policy. Their occupation of the eastern part of the Koch kingdom in the early part of the 17th century had further acceler-ated the process. It is recorded that the Ahom-Koch kings exchanged political letters (in Assamese) between them which itself formed a class of prose literature in Assamese in the 16th and 17th centuries. ●●●





# ALBERUNI'S CONTRIBUTION TO MEDIEVAL INDIAN HISTORIOGRAPHY

--Sri Jitu Khanikar

Ex. Student, Duliajan College.

Historiography is the method and history of history writing. Medieval Indian historiography started with the coming of the Muslims to India. Before coming to Indian they were in close contact with persia and from there they had inherited consciousness in history writing. In India, the Muslims provided a huge mass of historical literature in the shape of dynestic and regional histories, biographics and memories etc. But as most of these historians were connected with various kings and courts, they sometimes took bias. They consulted mainly official records. Moreover, as most of these historians came from the historical classes and kept close to the kings, they ignored the life and conditions of the common people. As a result, they ignored the role played by the socio-economic forces in the shaping of various events. Their blind faith in the superiority of Islam led to rhetoric and exaggerations. Hence, the accounts of these historians cannot be accepted on their face value. These writers furnished the raw materials of history, it has to be procossed and refined before being turned into the finished product.

Muhammad Ibn Alberuni (AD. 973-1048) was an outstanding figure in medieval In-dian historiography. Born in the territory of khiva in Central Asia in 973 A.D., he hailed from a aristocratic family and so he had the opportunity to study various types of book restored in his family. After distinguishing himself in science and literature, he entered the politics of his country and became a councillor of the province of Khawarizm. When Mahmud of Ghazni invaded Khawarizm, he, along with others was made a prisoner of war in 1017 A.D. But he soon caught imagination of the Sultan who allowed him to accompany to his military campaigns. Thus, he got the opportunity of visiting India. He was with him during all his invasions of Somnatho After Sulttan's death, his son Masud appointed him court as-trologer and extended his patronage to write history.

Alberuni utilized his stay in India to learn about the country. He carried on conversa-tions with the pandits to learn about their religion, science and culture. He had to face a lot of difficulty in picking up Sanskrit, without which he could not know much about the past of the country. Of course, it is to be noted that he sought help from the pandits who were living in those parts of the country which were under Muslim domination or who had been taken as prisoners of war during military campaigns.

Alberuni had produced some well-read authentic works of history. He was perhaps the first Muslim historian of his times who so keenly studied Hindu literature and tried to find out its rich contents. He studied several Puranas and other book on Indian philosophy and theology, which had impact on his writings. With the help of the pandits, he translated works on astronomy, astrology and mathematics. His well-known works include (1) Canon Masudicus, (2) Ivolka, and (3) Tarikh-i-Hind.

In his canon Masudicus, he has levishly praised Masud Shah, who was his benefactor; whereas in Ivolka, he has provided information about Indian astronomy, philosophy and religion to his countrymen.

But the most outstanding work of Alberuni from the point of view of Indian historiography was his Tarikh-i-Hind or Reality of Hindustan. In this book, he has provided information about Indian religion and society as well as the country's literary and scientific advancement. His book consists of 80 chapters and deals with almost every aspect of contemporary Indian life including even roads, rivers, weights and measures currency etc., in an impartial manner. Alberuni tells that the Hindus were excellent philosophers, good mathematicians and astronomers.

Referring to the political conditions of northern India, Alberuni tells that the territory was divided into small principalities who never co-operated with each other to fight against the invaders. Of course, Alberuni does not provide detailed account of the kingdoms of Deccan.

Referring to the economic conditions prevailing at that time Alberuni tells that India was a rich country possessing huge wealth which got concentrated in the temples. The Indians possessed the system of coinage. The rulers raised finanes through taxes and fines. Though land revenue was the main source of income, taxes were also levied on dancing women and prostitutes. The Brahmanas were, however, given a privileged treatment and not subjected to any taxes. The country had flourising internal trade and commerce, and sufficient attention was paid to weights and measures. But the country's foreign trade had considerably declined.

Alberuni noticed three peculiar customs of the Hindus. First, they used cowdung in their 'Prayachitta' ceremony', second, they washed their feet before washing face; and third, a guest did not require to take permission to enter into anybody's house.

The social system of the Hindus was based on four traditional castes and their intermixing was forbidden. The Brahmanas occupied high place in society. General people, widows and untouchables were ill-treated. The condition of the peasants was very very bad.

Marriages were usually arranged and took place at an early age. love marriages,





dowry and divorce systems were unknown. Marriages among blood relations were forbidden. Widow remarriage was not allowed. A widow had either to remain widow for her life or to burn herself on the funeral pyre of her husband.

Making an elaborate observation about the religious beliefs of the Hindus, eruni tells that the Hindus believed in one eternal god. They also held faith in the doctrine of transmigration of soul and final salvation which is possible only when a union with god is achieved.

On the other hand, he also refers to common idol worship. The idols were kept in temples. He refers to various gods as well as places where they were worshipped. In-order-to please the gods and goddesses, the system of animal sacrifices had come to stay.

Alberuni was greatly impressed by the literature and science of the Hindus. Among literary works he refers to the four Vedas, eighteen Puranas, twenty Smriti books as well as the Mahabharata and its eighteen parvas. It may be noted that Alberuni not merely refers to the various standard works of the Hindus but extensively quoted from them. Furthermore, he compares the Hindu notions with those of the greeks and the Muslims and tries to draw an analogy between the Hindu vedanta philosophers and the Sufi saints of the Muslim world. All this shows his extensive knowledge and scholarship.

For the purpose of justice, regular courts existed. Usually the applications were submitted to the judges in written form along with necessary documents or evidences, witness could also be produced. Usually the judges decided the cases on the deposition of the witnesses. To compel a person to speak the truth, various types of tortures were resorted to. Capital punishment was rare but otherwise the punishment was awarded in accordance with the severity and nature of the crime. Furthermore, punishments were also differed with regard to the caste of the criminals.

Alberuni tells that the Indians were not interested in their military organization. They fought with traditional weapons.

Alberuni tells that the Hindus called the Muslims as Mlechchs, which meant foreigners and uncivilized. They had strong prejudices against the foreigners and did not like to mix with them, so that they did not get polluted by such mixing.

Alberuni's writings has some minus points also, the most important of which were - (1) His accounts included only northern India and other parts of India were excluded from it. And (2), he was interested in various subjects, no doubt. But he did not give any account of Indian fine arts, music etc, which were then flourising.

In-spite-of these drawbacks, Alberuni accupies a high position in medieval Indian

historiography. Being a foreigner too, he unbiasly and impartially tried to present some very important aspects of Indian history. His presentation is charming and easily understandable, which is a very good quality of good historian.

With held from :

(1) Majumdar, R. K. & Srivastava, A.N. - Historiography,

Sixth Revised & Enlarged Edition, 1999


Published by : Surjeet Book Depot (s)
Regd. 4075, Nai Sarak, Delhi.

(2) Gupta, R. C. : King's Histography.
Kigs Books
Educational Publishers
1684, Nai Sarak, Delhi.

(3) Class lectures given by Prof. (Mrs.) S.L.Barua, Department of History, D.U. On the academic session 1999-2000 in M.A. Final Year.




## ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দুলীয়াজানৰ অৱদান শীৰ্ষক প্ৰবন্ধৰ লগত সঙ্গতি থকা আলোক চিত্ৰ



মুক্তিযোদ্ধা বেণুধৰ দত্ত



বুৰঞ্জীবিদ বেণুধৰ শৰ্মা



বুৰঞ্জীবিদ ড০ সূৰ্য্য কুমাৰ ভূঞা



বুৰঞ্জীবিদ ড০ (শ্ৰীমতী) স্বৰ্ণলতা বৰুৱা

## ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দুলীয়াজানৰ অৱদান শীৰ্ষক প্ৰবন্ধৰ লগত সঙ্গতি থকা আলোক চিত্ৰ




মুক্তিযোদ্ধা স্বৰ্গীয় চেনীৰাম দত্ত, বেণুধৰ দত্ত আৰু সহকৰ্মীসকল।
সোঁফালৰ পৰা ক্ৰমে– দ্বিতীয় আৰু তৃতীয়জন


## ভাৰতৰ স্বাধীনতা আন্দোলনলৈ দুলীয়াজানৰ অৱদান শীৰ্ষক প্ৰবন্ধৰ লগত সঙ্গতি থকা আলোক চিত্ৰ




মুক্তিযোদ্ধা ঋষভ ৰাজখোৱা
জন্ম - ১৯০৮ মৃত্যু - ১৯৯৬ চন



মুক্তিযোদ্ধা দুৰ্গা বৰুৱা



মুক্তিযোদ্ধা ৰামেশ্বৰ তামুলী
জন্ম -১৯২৪ মৃত্যু - ২০০১



ভাৰত চৰকাৰ

স্বাধীনতাৰ পঞ্চবিংশ বাৰ্ষিকী

উপলক্ষ্যে স্বাধীনতা সংগ্ৰামত স্মৰণীয়
যোগদানৰ কাৰণে ৰাষ্ট্ৰৰ হৈ প্ৰধানমন্ত্ৰী
শ্ৰীমতী ইন্দিৰা গান্ধীয়ে
এই তাম্ৰপত্ৰ উপহাৰ দিছে।

১৫ আগষ্ট
২৪ শাওণ ১৮৯৪ শকাব্দ

শ্ৰীচৌৰ্ণিৰাম দত্ত।

## দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী সংস্থাৰ দ্বাৰা ২০০৪ বৰ্ষত আয়োজিত আলোচনা চক্ৰৰ কেইটিমান স্মৃতি




বাওঁফালৰ পৰা ক্ৰমে – মুখ্য আলোচক ড০ ডম্বৰুধৰ নাথ
সঞ্চালক শ্ৰীযুত নবীন চন্দ্ৰ গোহাঁই
উদ্বোধক ড০ স্বৰ্ণলতা বৰুৱা, উপাধ্যক্ষ শ্ৰীযুত প্ৰভাত চন্দ্ৰ ফুকন



আলোচনা চক্ৰত অংশগ্ৰহণকাৰীসকল

## দুলীয়াজান মহাবিদ্যালয়ৰ বুৰঞ্জী সংস্থাৰ দ্বাৰা ২০০৪ বৰ্ষত আয়োজিত আলোচনা চক্ৰৰ কেইটিমান স্মৃতি



২০০৪ বৰ্ষৰ বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'সৌমাৰজ্যোতি' উন্মোচন কৰিছে
ডিব্ৰুগড় জিলাৰ সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি
শ্ৰীযুত ধীৰেণ বৰুৱাদেৱে ।

## আমাৰ দুজন প্ৰাক্তন ছাত্ৰ



ভাস্কৰ শঙ্কৰ ৰাজকোঁৱৰ
১৯৯৯
বৰ্তমানৰ ঠিকনা ঃ আমোলাপট্টি, নাহৰকটীয়া




লক্ষ্যপ্ৰতীম নিৰ্মলীয়া
১৯৯৯
বৰ্তমানৰ ঠিকনা ঃ কাকজান মহাবিদ্যালয়
যোৰহাট

ASSAM GAS COMPANY LTD
(A GOVT. OF ASSAM UNDERTAKING)

An ISO 9001 Company

***The leader in Natural Gas collection, processing, Transportation and Distribution Business in North East India and Hoping to expand beyond the horizon of North East***



Providing natural gas as energy source and raw material to Industries, Commercial establishment and domestic households

ASSAM GAS COMPANY LTD
(A GOVT. OF ASSAM UNDERTAKING)
P.O. DULIAJAN, DIST. DIBRUGARH, ASSAM, PIN - 786 602
Ph. : 0374-2800558 / 2800556 / 2800202 / 2800221
Fax : 0374-2800557, E-mail : assamgas@sancharnet.in
Visit us at : www.assamgas.com

*Committed to sustained excellence in growth, performance, customer care, safety standard and in environment protection.*